(গ)—(ক) প্ৰশ্নৰ উত্তৰ সাপেক্ষে এই প্ৰশ্ন নুঠে।

এই সম্পৰ্কে (ক) প্ৰশ্নৰ উত্তৰলৈ দৃষ্টি আকৰ্ষণ কৰা হ'ল। যাত্ৰী সকলৰ অসুবিধা দূৰ কৰিবৰ কাৰণে দলং আৰু পুল বিলাক সোনকালে শেষ কৰিবৰ চেষ্টা কৰা হৈছে।

### Re : Embankment of Brahmaputra

Shrimati Renuka Devi Barkataki, asked :

*221. Will the Minister, P. W. D. ( B. F. C. ) be pleased to state—

(a) Whether the work of constructing the embankment of Brahmaputra in Barkhetri Mouza has been started ?

(b) The total amount of estimated expenditure in this connection ?

(c) The number of families who are going to be evicted for this new embankment ?

(d) What are the names of the Contractors working on this Embankment ?

Shri Bihsnu Prasad ( Minister of State, Brahmaputra Flood Control ) replied :

221. (a)—One retirement to Brahmaputra Dyke at Lowpara in Barkhetri Mouza was taken up in February last part and completed physically by the end of March, 1973.

(b)—The total amount of estimated cost of this work is Rs. 14,79,200·00 ( Rupees Fourteen Lakhs Seventy-Nine Thousand Two Hundred ) only as per sanctioned estimate.

(c)—6 ( six ) families.

(d)—Works were allotted to 40 ( Forty ) Contractors as per list placed on the Table of the House.

## বি ঃ মথাউৰি নিৰ্ম্মাণ

শ্ৰীকন্দৰ্প দাসে সুধিছে ঃ

*২২২। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা মহকুমাৰ অন্তৰ্গত সৰুক্ষেত্ৰী সমষ্টিৰ উত্তৰ সীমাত পহুমাৰা নদীৰ মথাউৰি নিৰ্মাণ কাৰ্য্য বন্ধ কৰা কথা সঁচানে আৰু এই মথাউৰিৰ নিৰ্মাণ কাৰ্য্য কেতিয়া আৰম্ভ কৰিছিল ?

(খ) যদি সঁচা হয়, সৰুক্ষেত্ৰী সমষ্টিত এনে এটা মথাউৰি নিৰ্মাণ কৰাৰ বিষয়ে চৰকাৰে কি চিন্তা কৰিছে ?

(গ) যদি কৰা নাই, কিয় ?

শ্ৰীবিষ্ণু প্ৰসাদ ( বাননিয়ন্ত্ৰণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী )-য়ে উত্তৰ দিছে ঃ

২২২। (ক)—পহুমাৰা নদীৰ দুয়োপাৰে মথাউৰি কঠালমুৰি ঘাটৰ পৰা সৰুক্ষেত্ৰী সমষ্টিৰ উত্তৰ সীমালৈকে সজা হৈছে। মথাউৰিৰ কাম ১৯৫৫ চনত ৰেল লাইনলৈকে আৰু বাকী ডোখৰ ৰেল লাইনৰ পৰা শেষ বিন্দুলৈ ১৯৬৪-৬৫ চনত সম্পূৰ্ণ কৰা হয়।

(খ)—এই বিষয়ে সমীক্ষা চলাই থকা হৈছে।

(গ)—প্ৰশ্ন নুঠে।

## Re : Railway Over Bridge

Shri Pitsing Konwar, asked :

*223. Will the Minister, P. W. D. ( R. & B. ) be pleased to state—

(a) Whether steps have been taken to construct a Railway Overbridge at Thekera-Gate on the Railway crossing of National Highway No. 37 ?

(b) Whether a representation signed by more than fifty Hon'-ble M. L. As has been submitted for this purpose ?

(c) What is the reaction of the Government of India in this regard ?

Dr. Lutfur Rahman [ Minister. P. W. D. ( R. & B. ) ] replied :

223. (a)—Yes. ( Proposal for construction of overbridge at Thekeragate on N. H. 37 included in the tentative list of works of N. H. 37 for Fifth Five-Year Plan.

(b)—Not known.

( No representation signed by M. L. As. received for this purpose )

(c)—The proposal is under consideration of Government of India.

## Re : Protection Force

Shrimati Renuka Devi Barkataki, asked :

*224. Will the Minister, Forests be pleased to state—

The strength of the protection Force of the Forest Department all over Assam and what is the pattern of the organisation ?

Shri Paramananda Gogoi ( Minister, Forests ) replied :

224. At present there are six protection squads, each squad consists of One Forest Ranger, Two Foresters, Four Forest Guards, one Driver with one pick-up van and suitable number of tents for their camping in the Forests.

## VOTING ON DEMAND FOR GRANTS

Mr. Deputy Speaker—The question hour is over. Item No. 2

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মীন বিভাগৰ মন্ত্ৰী মহোদয় নিজে এজন অনুসূচিত দুখীয়া সম্প্ৰদায়ৰ লোক আৰু সেয়ে আমি

ভাবিছিলো তেখেতে এই বিভাগ পোৱাৰ লগে লগে অনুসূচিত সম্প্ৰদায়ৰ কিছু ক্ষেত্ৰত দুখ লাঘৱ হব আৰু তেখেতে এই লোকসকলৰ উন্নতি কল্পে চেষ্টা কৰিব। কিন্তু অতি পৰিতাপৰ বিষয়, উপাধ্যক্ষ মহোদয়, তেখেতৰ নেতৃত্বত এই সম্প্ৰদায়ৰ লোকসকলৰ মাজত অন্যায় অবিচাৰ কৰিবলৈ আৰম্ভ কৰিছে। তেখেত নিজে এই সম্প্ৰদায়ৰ লোক হৈ এই সম্প্ৰদায়ৰ বিৰুদ্ধে কাম কৰিবলৈ লৈছে। মুখ্যমন্ত্ৰীয়ে বাজেট বক্তৃতাত উপাধ্যক্ষ মহোদয় কৈছে যে আমি গৰীব আৰু যি সকল নিষ্পেষিত জাতি তেওঁ-লোকৰ দুখ মোঁচনৰ চেষ্টা কৰিম। কিন্তু কথা আৰু কাৰ্য্যৰ মাজত কোনো মিল নাই। বৰ্তমানৰ কাৰ্য্যকলাপ ইতিতেই বিপৰীত হৈছে। চৰকাৰৰ ঘোষিত নীতি হিচাবে কোনো মীন মহলেই পোনপটীয়া বন্দবস্ত হব নালাগে আৰু সেয়ে উপায়ুক্তক লৈ এখন কমিটি কৰা হৈছে। তেওঁলোকে বন্দবস্তীৰ কথা চিন্তা কৰে। এই ক্ষেত্ৰত চৰকাৰৰ নীতি হ'ল যে যি সকল মাছ মৰীয়া ব্যৱসায়ীৰ লোক এই ক্ষেত্ৰত চৰকাৰে তেওঁলোকক হে উপকৃত কৰিব কিন্তু আগৰ যিমান গেলা গোন্ধ আছিল সেই গেলা-গোন্ধ আৰু বেছি হব ধৰিছে তাৰ মই উদাহৰণ দাঙি ধৰিম। আমি ভাৱো যিহেতু চৰকাৰৰ ঘোষিত নীতিৰ লগত কাৰ্য্যৰ অমিল গতিকে অকল মন্ত্ৰী মহোদয়ে নহয় মুখ্যমন্ত্ৰীৰো আজিৰ এই ক্ষেত্ৰত আমি পদত্যাগ দাবী কৰিছো। চৰকাৰৰ ঘোষিত নীতিত ব্যাখ্যা কৰিছে যে দুখীয়া গৰীব শ্ৰেণীৰ লোকে সহায় পাব কিন্তু আজি চৰকাৰে তেওঁলোকক তিলতিলকৈ হত্যা কৰিছে। কামৰূপ জিলাৰ হাজো সমষ্টিত গৰ্জনবিল বুলি এখন বিল আছে। এই বিলখন মন্ত্ৰী মহোদয়ে তেওঁৰ এজন অন্তৰঙ্গ বন্ধু শ্ৰীকালিচৰণ মজুমদাৰক ফাং ফুংকৈ পোনপটীয়া বন্দোবস্তী দিলে। অথচ ফেব্ৰুৱাৰী মাহতে উপায়ুক্তই চেল নোটিচ জাৰি কৰিলে কিন্তু দুৰ্ভাগ্য কথা মন্ত্ৰী মহোদয়ে সেই নোটিচ কেন্‌চেল কৰি সিদিনা তেওঁক বন্দবস্তী দিলে।

Shri Syed Ahmed Ali ( Minister, Law ;—Sir, may I ask the hon'ble member what does he mean by the word—'fang-fung' ?

*Speech not corrected.

Shri Dulal Chandra Barua – 'Fang-fung' means 'fang-fung'. 'fang-fung' means bogus cooperative; it is not unparliamentary. ফাং ফুং মানে বোগাছ। এইটো আনপাৰ্লিয়ামেণ্টৰী হব নোৱাৰে। তাৰ পিচত এই কেচটো হাইকোৰ্টলৈ গ'ল, হাইকোৰ্টে ৰুলিংও দিলে যে আগৰ জনৰ অনাদায় কৰ বাকী থকা কাৰণে উপায়ুক্তই চেল-নোটিচ জাৰি কৰিব। সেইকাৰণে উপয়ুক্তই নোটিচ চাৰিওফালে জাৰি কৰি দিলে যে আমুক তাৰিখে বিলখন চেলত দিয়া হব কিন্তু অতি আচৰিত কথা যে উপায়ুক্তৰ এই সকলো নোটিচ কেনচেল কৰি পূৰ্বৰ সেই মানুহজনকে মন্ত্ৰী মহোদয়ে ইয়াৰ পৰা পোনপটীয়া বন্দবস্তী দিলে। এই কালিচৰণ বোলা মানুহজনৰ কোনো চচাইটি নাই। তেওঁ এখন বোগাছ চচাইটিৰ মালিক। গতিকে ইয়াৰ দ্বাৰা গৰীব জনসাধাৰণক বঞ্চিত কৰা হৈছে। কিন্তু আচৰিত কথা উপাধ্যক্ষ মহোদয়, উপায়ুক্তই নোটিচ জাৰি কৰা স্বত্বেও ছিলঙৰ সচিবালয়ত পইচা জমা লৈ শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ নেতৃত্বৰ এজন নপতা ফুকনে এই বিল বিক্ৰী কৰে। গতিকে এই মন্ত্ৰী মহোদয়ে অনুসূচিত সম্প্ৰদায়ৰ লোকৰ বিৰুদ্ধে এনে ষড়যন্ত্ৰ কৰা উচিতনে? চৰকাৰৰ নিয়ম-নীতি আছে, হাইকোৰ্টে ৰুলিং দিয়াৰ পাচতো সেই ৰুলিং পৰিহাৰ কৰি দুখীয়া শ্ৰেণীক প্ৰবঞ্চনা কৰি এনে বন্দোবস্তী দিয়াৰ নৈতিক অধিকাৰ মন্ত্ৰী মহোদয়ৰ আছে নে? আমি ভাবিছিলো মুখ্যমন্ত্ৰীয়ে এখেতক অনুসূচিত সম্প্ৰদায়ৰ লোক বুলিয়ে এই বিভাগ দিছিল আৰু সকলোৱে আশা কৰিছিল যে এই লোকসকলৰ উন্নতিকল্পে মন্ত্ৰী মহোদয়ে চিন্তা কৰিব। মুখ্যমন্ত্ৰীয়ে সো সিদিনা এনে এটা চৰকাৰী নীতি ঘোষণা কৰাৰ পাচত আমি আজি লাজ আৰু দুখ পাইছো তেখেতৰ এজন সতীৰ্থই নীতিৰ বিৰুদ্ধে কাম কৰা বাবে। কালি কোঁৱা কথাটোৰ আজি যদি এনে ৰূপ ধাৰণ কৰে তাৰ পৰা কি আশা কৰিব পাৰি? অকল সেইটোৱেই নহয়, উপাধ্যক্ষ মহোদয়, মঙ্গলদৈৰ দীঘিৰপাৰ বিলৰ ক্ষেত্ৰতো এনে মনোপলি বিজিনেচ চলি আছে। তাত অনুসূচিত জাতিৰ লোকক আতৰাই দি অনা অনুসূচিত মানুহক যি ধনী আৰু বছৰে বছৰে লাখ লাখ টকা উপাৰ্জন কৰে তেওঁক পোনপটীয়া বন্দোবস্তী দিছে।

*Speech not corrected

এই চোচাইটি খন এখন বোগাছ চচাইটি। তেখেতে কি মায়াত আবদ্ধ হৈ এইলোক সকলৰ বিৰুদ্ধে ঠিয় দিছে কব নোৱাৰো।

Shri Upendra Das (Minister, Agriculture)—Sir, I want to know who got the settlement ?

Shri Dulal Chandra Barua—It was settled in the name of a bogus cooperative constituted not by the scheduled caste people but by the non-scheduled caste people.

Shri Upendra Das (Minister, Agriculture)—I want to know the name.

Shri Dulal Chandra Barua—You tell us, I do not like to tell; you tell us; if I tell, that would be embarrassing to me because one of my colleagues is involved and that is why I do not like to say. That is why it was more or less a political settlement; I do not like to embarrass my colleague on this account.

Shri Upendra Das (Minister, Agriculture)—On a point of order, Sir, I want to know when it was settled and who settled ?

Shri Dulal Chandra Barua—It has been settled last year. It has been settled in 1972 and direct settlement was given for one year but extension was given.

হাজো সমষ্টিৰ ফিচাৰিৰ পৰা চৰকাৰৰ হাতলৈ কি আহিছে ? ইয়াত ৩৫ হাজাৰ টকাৰ লেটি ভেটি আছে। এই টকা কোনে কোনে ভাগ পাইছে সেইটো ক'ব নোৱাৰো। কিন্তু ৩৫ হাজাৰ টকাৰ ট্ৰেনজেকচন চলি আছে। মই এই বিষয়ত মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো। তেখেতে যদি প্ৰশাসন নিকা কৰিব বিচাৰিছে তেন্তে এই সম্পৰ্কত ভাল ব্যৱস্থা লওঁক। নহলে তেখেতৰ কলিগ এজনে এনে ধৰণৰে কাম কৰি থাকিলে তেখেতে প্ৰশাসন নিকা কৰিব বিচাৰিলেও কেতিয়াও প্ৰশাসন নিকা কৰিব নোৱাৰিব। আমাৰ মুখ্যমন্ত্ৰীয়ে এই বিষয়ে নাজানিব পাৰে কিন্তু বিভাগীয় মন্ত্ৰী মহোদয়ে এই সম্পৰ্কত বেছি জানে। কাৰণ তেখেতে মন্ত্ৰী হোৱাৰ আগতেও ফিচাৰিৰ সম্পৰ্কত কাম কৰিছিল। গহপুৰত এখন অনুসূচিত জাতিৰ মানুহৰ নামত এখন চচাইটি আছিল। তাৰ পাচত

ৰাজনৈতিক কাৰণত ইয়াৰ পৰা এজন মূৰব্বী গৈ অনুসূচিত জাতিৰ সেই দুখীয়া মানুহ বিলাকক খেদি এজন ধনী মানুহৰ ভাই ককাই, বংশ পৰিয়াল গোট খাই এখন কো-অপাৰেটিভ কৰিলে। যদি এই কথা সঁচা হয় তেনেহলে কেনেকৈ কল্যাণ মূলক কাম হ'ব। আজি আমাৰ ভড়ালত ধন নাই অথচ ৩ লাখ টকাৰ এই কো-অপাৰেটিভটো লোকচান ভবি মন্ত্ৰী মহোদয়ে নীতি বিৰুদ্ধ কাম কৰিছে। গতিকে মই জানিব বিচাৰিছো মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা চৰকাৰৰ ঘোষিত নীতিৰ বিৰুদ্ধে এই মন্ত্ৰীজনে কিয় জনসাধাৰণৰ বিৰুদ্ধে কাম কৰিছে।

উপাধ্যক্ষ মহোদয়, ইয়াৰ লগতে মই আৰু এটা কথা কব খুজিছো। এইটো হৈছে মন্ত্ৰী মহোদয়ৰ নেতৃত্বত আৰু এখন ফিচাৰি মহল আছে। এই মহলত মাছ থকাটো দূৰৰ কথা তাত পানীও নাই। কিন্তু তাকে এটা দ পুখুৰী আখ্যা দি পানী নোহোৱা ঠাইত মাছ আছে বুলি কৈ আছে। এই পুখুৰীটোলৈ বছৰি বছৰি লাখ লাখ টকাৰ মাছৰ কণী আৰু পোৱালী আনে। কিন্তু ক'ত বিতৰণ হয় সেই কথা কোনেও নাজানে কিন্তু লাখ লাখ টকাৰ কণী আৰু পোৱালী অনা হয়। এই বিলাক কাৰ পেটলৈ যায় কব নোৱাৰো। মই এই সম্পৰ্কত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো। এই সম্পৰ্কত অনুসন্ধান কৰিব লাগে আৰু কোনে এইবিলাকত কি কৰিছে আৰু কিমান পাইছে তাৰ এটা হিচাপ চৰকাৰে জনাব লাগে। আৰু কিছুমান নাও তৈয়াৰ কৰিছিল। কিন্তু এই নাও বিলাক তাতে পৰি থাকিল। এই সম্পৰ্কত লাখ লাখ টকা আমাৰ লোকচান হ'ল।

উপাধ্যক্ষ মহোদয়, এই বিভাগটো ডেভেলাপমেণ্ট হোৱাৰ লগতে মাছ পাবলৈ নোহোৱা হ'ল। অথচ এই বিভাগে হিচাব কৰি দেখুৱাইছে যে তেওঁলোকে এই বিভাগৰ উন্নয়নৰ কাৰণে অজস্ৰ টকা খৰচ কৰিছে। মাছ নাইকীয়া হ'ল। চোৰাং ভাৱে মাছ নগালেণ্ড আৰু বঙ্গদেশলৈ পঠোৱা হৈছে। এই বিষয়ত মন্ত্ৰী মহোদয়ে একো কৰিব পৰা নাই। বাংলা দেশৰ পৰা মাছ আহিব আহিব বুলি কৈ আছে কিন্তু এতিয়ালৈকে একো হোৱা নাই। এই প্ৰসংগতে মই আৰু এটা কথা সদনৰ দৃষ্টিলৈ

*Speech not corrected.

আনিব খুজিছো যে দিচাং নদীত অনুসূচিত মানুহক চেটলমেণ্টে দিয়া হৈছে। কিন্তু ফাৰটেলাইজৰ কৰপৰেচনে জাবৰ ময়লা আদি এই নদীত পেলোৱাটো পানী বিষাক্ত হ'ল আৰু মাছ মৰা বন্ধ কৰি দিলে। আনকালে এই মানুহজনৰ পৰা ফিচাৰি বন্দবস্তিৰ সম্পৰ্কত সমস্ত টকা আদায় কৰি ল'লে। ইয়াৰ ফলত এফালে মানুহজনৰ টকা গ'ল আৰু আনহাতে মানুহজনৰ মাছ মৰা বন্ধ হৈ গ'ল। এই মানুহ জন নিৰুপায়। তেওঁক টকা খিনি ঘূৰাই দিম বুলি কৈ আছে কিন্তু আজিলৈকে দিয়া হোৱা নাই।

মিঃ ডেঃ স্পীকাৰ—আপোনাৰ সময় হ'ল।

শ্ৰীহুলাল চন্দ্ৰ বৰুৱা—উপাধ্যক্ষ মহোদয়, কৃষি বিভাগটো পুনৰ সংগঠন কৰিব লাগে আৰু ইয়াৰ কাৰণে সুচিন্তিত আঁচনি গ্ৰহণ কৰিব লাগে। নিগম আৰু বিভাগ বিলাক একেলগ কৰিব লাগে। লাখ লাখ টকা ঔষধ চটিওৱাৰ নামত খৰচ কৰা হৈছে কিন্তু কৃষক সকলৰ শস্য উৎপাদন কাৰ্য্যত কোনো কামত লগা নাই। ইৰিগেচন বিভাগটো এগ্ৰিকালচাৰ বিভাগৰ লগত লগ লগাই দিব লাগে। তাৰ পাচত ৰবি শস্য সম্পৰ্কত যিবিলাক কাম চৰকাৰে কৰিছে তাৰ কাৰণে এটা অনুসন্ধান কমিটি কৰা দৰ্কাৰ। আমি জনাত ৰবি শস্যৰ শিতানত কেন্দ্ৰীয় চৰকাৰে ১০ কোটি টকাৰ ঠাইত ৭ কোটি টকা দিলে। তাৰ ভিতৰৰে ৪ কোটি টকা নতুন ৰাজধানীৰ কামত খৰচ কৰা হ'ল। যদি ৪ কোটি টকা তাতেই গ'ল বাকী খিনিৰে ৰবি শস্যৰ কাম কেনেকৈ চলিব। এই ক্ষেত্ৰত এইটোৱেই পৰিলক্ষিত হৈছে যে ৰবি শস্যৰ উৎপাদনৰ নামত চৰকাৰে কিছুমান আঁচনি যুগুত কৰি মোহিনী বান মাৰি ৰাইজক আওপাকে লৈ যাবলৈ চেষ্টা কৰিছে। গতিকে ৰবি শস্য উৎপাদনৰ মেৰ পাক আৰু ফিচাৰি বিভাগৰ মন্ত্ৰীয়ে দুখীয়া মানুহৰ ওপৰত চলোৱা হাই-হেণ্ডেডনেচৰ এটা তদন্ত চলাবলৈ হাউচৰ পৰা এটা কমিটি কৰি দিব বুলি মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি বিভাগৰ ওচৰত যিটো কৰ্তন প্ৰস্তাৱ আনিছে সেইটো মই সমৰ্থন কৰি দুষাৰমান কথা কব বিচাৰিছো। কৃষি বিভাগটোৱে অসমত ভৱিষ্যতে কেনেকৈ কৃষক ৰাইজৰ

*Speech not corrected.

জীৱন নিৰ্বাহৰ মানদণ্ড বঢ়ায় বিশেষকৈ আমাৰ অসম চৰকাৰৰ কৃষি বিভাগে ইমান দিনে কি বৰঙণি যোগালে, কেনে ধৰণৰ কাম কৰিলে, এই বিলাক আজি পৰ্য্যালোচনা কৰি চোৱাৰ সময় আহিছে। এই বিভাগটোৱে সৌ সিদিনাখন শিক্ষা সম্প্ৰসাৰণ, গৱেষণা আদি ৰেগুলেটৰি কাম বিলাক কৰি আছে।

কিন্তু অসমত কৃষি বিশ্ববিদ্যালয় হোৱাৰ পিছত এই বিভাগটোৰ বহুখিনি দায়িত্ব, শিক্ষা আৰু সম্প্ৰসাৰণৰ কাম লগতে গৱেষণাৰ কামো বহু পৰিমাণে কমি গ'ল অৰ্থাৎ তেওঁলোকৰ হাতৰ পৰা গুচি গ'ল। সম্প্ৰসাৰণৰ কাম সম্পূৰ্ণ ৰূপ নিদিওঁতেই কিছু অংশ বিশ্ববিদ্যালয়ৰ হাতলৈ গুচি গ'ল। এই ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ হাতত বিভাগৰ বহু কাম গুচি আহিল, আগতে বিভাগৰ যিটো কাম আছিল সেই হিচাবে বহু পৰিমাণৰ কাম কমি গ'ল আনহাতেদি এই বিভাগৰ 'জুৰিচদিকশ্যনো' বেচি আছিল কিন্তু যেতিয়া অসম দেশখন ফাটি কেবা টুকুৰা হ'ল, মেঘালয়, মিজোৰাম হোৱাৰ পাচত অসমৰ ভালেখিনি অংশ কমি গ'ল আৰু বিভাগৰ কামো সেই পৰিমাণে কিছু কমি গ'ল। কিন্তু তথাপিও এই বিভাগটোৰ আগতেই থকা সকলো বিষয়া আৰু কৰ্মচাৰী, এক্সটেনশ্যন অফিচাৰকে আদি কৰি ইমান বিলাক কৰ্মচাৰীয়ে অসম প্ৰদেশত সাধাৰণ খেতিৰ উন্নতিৰ হকে কিমান বৰঙণি আগবঢ়াইছে সেইটো খৰচি মাৰি আলোচনা নকৰিলে এই বিভাগৰ ভিতৰত থকা কেৰোণবোৰ কোনো কালে আঁতৰ কৰিব পৰা নাযাব।

উপাধ্যক্ষ মহোদয়, কৃষিৰ কথা ক'বলৈ গৈ মই কওঁ যে চৰকাৰে কৃষিৰ ক্ষেত্ৰত এটা বৈপ্লৱীক নীতি অনুসৰণ কৰিব, আমাৰ দুখীয়া কৃষকৰ জীৱনৰ মানদণ্ড বহু পৰিমাণে উন্নত কৰিব আৰু আমাৰ সমূহীয়া ৰাইজৰ জীৱনলৈ সুখ আৰু শান্তি আনিব। সেইটোৱেই আছিল এই চৰকাৰৰ ঘোষিত নীতি আৰু সেইটোৱেই আছিল এই চৰকাৰৰ 'ইলেকশ্যন মেনিফেষ্টো'। কিন্তু, এই বছৰৰ ভিতৰতে, কৃষিৰ ক্ষেত্ৰত বিশেষকৈ ব্যৰ্থ হোৱা দেখা যায়। আজি ইয়াৰ বাবে আমি কৃষি মন্ত্ৰীয়েই দায়ী বুলি ভাবো। কিয়নো আজি যিজন মন্ত্ৰীক এই কৃষি বিভাগটোৰ দায়িত্ব দিয়া হৈছে তেওঁৰ কাল্পনিক শক্তি

*Speech not corrected.

একেবাৰে নাইকীয়া যেন লাগে। তেওঁৰ ভিচুৱেলাইজদ্ শক্তি নাই। আজি যিহেতু কৃষিৰ বৈপ্লৱীক নীতি অনাৰ কথা কৈছে তেনে ক্ষেত্রত আমাক এজন এনে এজন মন্ত্রী লাগে যিজন 'দাইনামিক' শক্তিসম্পন্ন হ'ব লাগিব, তেওঁৰ চিন্তা শক্তি প্রখৰ হ'ব লাগিব আৰু 'ভিচুৱেলিটি' এনেদৰে থাকিব লাগিব যাতে অহা ৫ বছৰৰ ভিতৰতে খেতিৰ অৱস্থা কেনে হ'ব, উৎপাদান কিমান হ'ব ইত্যাদি সকলো ধৰণৰ কথা মন্ত্রী জনে চিন্তা কৰিব পাৰে। গতিকে এই ক্ষেত্রত আমাক এজন ডেকা মন্ত্রী লাগে যিজনে কাল্পনিক শক্তিৰে কাম কৰিব পাৰে, কঠোৰ পৰিশ্ৰম কৰিব পাৰে আৰু বিভাগীয় বিষয়া আৰু কৰ্মচাৰীয়ে যাতে সকলো ধৰণৰ কামত ফাকী নিদিয়াকৈ আগবাঢ়িব পাৰে ইত্যাদি সকলো বিষয়তে তৎপৰ হব লাগে। মই যোৱা সদনত কৃষিৰ বিষয়ে মাত মতা নাছিলো কিয়নো আমাৰ কৃষি মন্ত্রীজনা তেতিয়া নতুন আছিল আৰু চৰকাৰো নতুন আছিল গতিকে মই আলোচনাত ভাগ লোৱা নাছিলো কিন্তু আজি যেতিয়া ১ বছৰৰ পিছতো দেখিলো যে কৃষিৰ ক্ষেত্রত চৰকাৰ একেবাৰে ব্যৰ্থ হৈছে তেতিয়া মই বাধ্য হৈ ভাগ লজো, মই খুউব সাম্য ভাবেই পৰ্য্যবেক্ষন কৰিছে এই উক্তি দাঙি ধৰিছো।

ইতিমধ্যে যিবিলাক 'এচিভমেণ্ট' হৈছে সেইবিলাক বিষয়ে মই দীঘলীয়াকৈ ক'ব নোখোজো। কৃষি বিভাগে কীতনাশক ঔষধ যেনে ফাৰমীল আৰু মেলাথিন ই, চি, ই যোগান সম্পৰ্কত এখন 'বোগাচ' ফাৰ্মক ১ লাখ ১৪ হাজাৰ টকা এজন বেনামী মানুহৰ নামত চেক দিয়া হৈছে, যিখনৰ বিষয়ে কোনো ক্লু পোৱা নগ'ল। মই যি বিলাক অভিযোগ আনিছিলো সেইবিলাক চৰকাৰে তদন্ত কৰি এই সদনত দাখিল কৰিব পাৰিলে মই ক'ম চৰকাৰৰ সাহস আছে আৰু যদি সেই তদন্ত কৰাৰ পাচত কোনোবা বিষয়া বা ৰাজনৈতিক নেতা সেই অভিযোগবিলাকৰ লগত জড়িত আছে তেওঁলোকক কঠোৰ শাস্তি দিব লাগিব নহলে বছৰৰ পাচত বছৰ ধৰি আমি এইদৰে অভিযোগ আনিয়েই থাকিম। আজি অসম দেশত কৃষিৰ পৰিকল্পনা নোহোৱাৰ কাৰণেই চৰকাৰে কৃষিৰ উন্নতি সাধন কৰিব পৰা নাই। মই কৈছিলো যে ব্ৰহ্মপুত্ৰ বা বানপানী নিয়ন্ত্ৰণ

*Speech not corrected.

নিগম আয়োগৰ ক্ষেত্ৰত যেনেকৈ চৰকাৰে এখন মাষ্টাৰ প্লেনৰ দিহা লব লাগে থিক তেনেকৈ আজি আমি কৃষিৰ ক্ষেত্ৰতো মাষ্টাৰ প্লেন কৰিব লাগে। আজি যিদৰে আমাৰ ৰাজ্যত চৰকাৰে এডৰা মাটিত কমকৈ ভাল খেতি কৰি খেতিৰ উন্নতি সাধন কৰিব বিচাৰিছে তাৰ দ্বাৰা আমাৰ খেতিয়কৰ মানদণ্ড কেতিয়াও ভাল হ'ব নোৱাৰে আৰু আমি কেতিয়াও কৃষিৰ উন্নতি সাধন কৰিব নোৱাৰিম। চৰকাৰে ইমান দিনে মাষ্টাৰ প্লেন নোলোৱাৰ ফলতেই আমাৰ কৃষিৰ উন্নতি নহ'ল, মোৰ বিশ্বাস চৰকাৰে এখন মাষ্টাৰ প্লেন ফ্ৰেম কৰি উন্নতিৰ হকে আগবাঢ়িলে আমি কৃষিৰ ক্ষেত্ৰত এতিয়াতকৈ বহুগুনে আগবাঢ়িব পাৰিলোহেঁতেন। এই সম্পৰ্কত আমাৰ কৃষি বিশ্ববিদ্যালয়ৰ Shri Swaminathan, Director General of Indian Council of Agricultural Research এ কৈছে "A blue-print of agricultural growth and survival should be worked out and analysed through discussion among agriculiural scientists, extension workers, administrators, farmers and political leaders." তেখেতে লগতে আৰু এটা কথা কৈছে A 'Crop and Varietal Planning Committee' 'should be set up to indicate to the farmers of each Block the most appropriate crops that ought to be grown during different seasons and also the varieties of each crop that should be preferred. Generalisations in agriculture have no place and each variety should be specified to each area in each village." এই কথা খিনি সাৰোগত কৰি যদি চৰকাৰে কৃষিৰ উন্নতিৰ হকে কাম কৰিলেহেঁতেন, মোৰ বিশ্বাস আমাৰ কৃষিৰ বহুখিনি আগবাঢ়িব পৰা গ'লহেঁতেন।

ৰবি শস্যৰ ক্ষেত্ৰত মই কওঁ, চৰকাৰে যিদৰে ৰবিশস্যৰ ভাল হোৱা বুলি ঢাক-ঢোল বজাইছিল আৰু সেইমতে যি আঁচনি লৈছিল তাৰ দ্বাৰা ৰবিশস্যৰ বিশেষ একো উন্নতি হোৱা নাই। আজি ৰবিশস্য কেৱল

*Speech not corrected.

অসম ৰাজ্যতে যে বিফল হৈছে সেইটো নহয় সমগ্ৰ ভাৰতবৰ্ষতেই ৰবি-শস্য সফল হোৱা নাই। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শ্ৰীফকৰুদ্দিন আলি আহমেদ ডাঙৰীয়াই উক্তি দিছে যে ৰবি শস্যৰ ক্ষেত্ৰত চৰকাৰ সফল হৈছে সেইটো প্ৰকৃততে নহয় কিয়নো সফল হোৱা হ'লে আমেৰিকাৰ পৰা ৬০৮ মেট্ৰিক টন ঘেহু ভাৰতবৰ্ষই আমদানি নকৰিলেহেঁতেন, আমাৰ অসম ৰাজ্যতো ৰবিশষ্য কৃতকাৰ্য্য হোৱা বুলি ৰাজ্যিক কৃষি মন্ত্ৰীয়ে কৈছিল। আজি অসমৰ জনসাধাৰণৰ পৰা কৰ বা ৰাজহ আদায় কৰি কোটি কোটি টকা এই ৰবিশস্যত খৰচ কৰিছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। যে এই ৰবি শষ্যৰ আঁচনি হোৱাৰ পাচত অসম দেশত কিমান শস্য উৎ-পাদন হ'ল আকৌ যোৱা ১ বছৰৰ ভিতৰত কিমান শস্য উৎপাদন হ'ল, আৰু যোৱা ১ বছৰৰ ভিতৰত কিমান মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হ'ল? আৰু কিমান খেতিয়কক সাৰ ব্যৱহাৰ কৰিবৰ কাৰণে সাৰ যোগান ধৰা হ'ল, ইত্যাদি খবৰ আমাক দিব পাৰিবনে? চৰকাৰে কাগজত কেৱল কিছুমান সংখ্যা বা পৰিসংখ্যাৰ হিচাব দেখুৱাইছে। আজি ৰবি শষ্যৰ নামত, সাৰৰ নামত আৰু বীজৰ নামত আৰু ট্ৰেক্টৰৰ নামত টকাৰ খেল খেলিছে। আজি আপুনি ব্লকে ব্লকে যাওঁক তাত দেখিব কি দৰে সাৰৰ যোগান, বীজৰ যোগান হৈছে আৰু ট্ৰেক্টৰ ইত্যাদি যোগান ধৰোতে কিছুমান ৰাজনৈতিক খেলো খেলিছে। এগ্ৰিকালচাৰেল ইঞ্জিনিয়াৰিং ডিপাৰ্টমেণ্টৰ চিফ-ইঞ্জিনিয়াৰে ট্ৰেক্টৰ যোগান ধৰোতে কিছুমান অন্যায় কৰিছে সেইটো হ'ল অকল কামৰূপ সমষ্টিতেই কেৱল ৩০ টা লিফট ইৰিগেশ্যন বহুৱা হৈছে অথচ আন এটা সমষ্টিত কৰবাত এটাও লিফট্ ইৰিগেশ্যন বহুৱা নাই।

মোৰ সমষ্টিতে এটাও 'লিফট্ ইৰিগেশ্যন পাম্পৰ' ব্যৱস্থা কৰা নাই। কিন্তু যিসকল নেতাই আমাৰ এই চৰকাৰ গঢ়াত সহায় কৰিছে, যিসকলৰ কাৰণেই আজি এই চৰকাৰ ক্ষমতালৈ আহিব পাৰিছে, যি সকল লোকৰ বাৰান্দাই বাৰান্দাই গৈও আমাৰ মুখ্যমন্ত্ৰী বহি আহিছেগৈ, সেই তেনে-লোকৰ সমষ্টিত হ'লে মুখ্য অভিযন্তাজনে ৩০ টা পৰ্য্যন্ত 'লিফট ইৰিগেশ্যন পাম্প'ৰ ব্যৱস্থা কৰি দিছে। সেই কাৰণেহে মই ক'ব বিচাৰিছো যে ৰবিশস্যৰ সময়তো ৰাজনৈতিক স্বাৰ্থৰ দ্বাৰা প্ৰণোদিত হৈহে কাম কৰাৰ

---

*Speech not corrected.

আভাষ আমি দেখা পাইছো। সকলো বিলাক সুবিধা থকা স্বত্বেও সেইমতে 'মাষ্টাৰপ্লেন' লৈ কাম নকৰাৰ ফলতেই খেতিয়ক সকলে যদিও কিছুমান সাৰ, বীজ আদি লৈ গ'ল কিন্তু সময় মতে সেইবোৰ প্ৰয়োগ কৰিব নোৱাৰাৰ ফলত আৰু পাবলগীয়া সময়ত পানীযোগানৰ সুবিধা নোপোৱাৰ ফলত অকালতে খেতি মৰহি ৰঙা হৈ গ'ল। ফলত এতিয়া খেতিয়ক সকলে হাঁহাকাৰ কৰি ফুৰিছে। তেওঁলোকক দিয়া ঋণৰ পৰা মাফ পাবৰ কাৰণে তেওঁলোকে নানান আবেদন-নিবেদন আজি কৰিছে। যিহেতুকে এই খেতিয়ক সকলে পাবলগীয়া সময়ত সাৰ পানী আদিৰ যোগাৰ নেপালে সেই কাৰণে মই চৰকাৰক এই কথা ক'ব খোজো যে, চৰকাৰে এই খেতিয়ক সকলৰ পৰা ঋণ আদি খুজি তেওঁলোকৰ প্ৰতি যেন এক বিৰাট অন্যায় নকৰে যি সময়ত চৰকাৰে এই খেতিয়ক সকলৰ বিধান দিছিল সেইসময়ত এক বিৰাট দুৰ্ভিক্ষ চলি থকাৰ কাৰণে চৰকাৰে খেতি কৰিবলৈ দিয়া বিধানকে তেওঁলোকে পেটৰ তাড়ণাত পৰি খৰৰ কাৰণে লৈ গৈছে আৰু সেই বিধানকে যদি সেই দুৰ্ভিক্ষত পতিত লোক সকলে সেই সময়ত নেখালেহেঁতেন তেতিয়াহ'লে, হয়তো সেইলোক সকল অনাহাৰ-অৰ্ধাহাৰতে মৃত্যুৰ মুখত পৰিলেহেঁতেন। আমাৰ মাননীয় সদস্য শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ডাঙৰীয়াই কালি কৈছে যে, ৰবি শস্যৰ ক্ষেত্ৰত যিমান বিলাক টকা খৰছ কৰা হৈছে সেইবিলাক টকা পলিটিকেল ইন্‌ভেষ্টমেণ্টত হে খৰছ কৰা হৈছে। মই কওঁ যে, এই টকা বিলাকৰ দ্বাৰা কেৱল চোৰাং কাৰবাৰ আৰু কলাবজাৰহে কৰা হ'ল। কিয়নো উদাহৰণ স্বৰূপে আমি দেখা পাইছো যে, ৰবি শস্যৰ থিক পিছতেই গোটেই দেশতে খাদ্য বস্তুৰ দাম অসম্ভৱৰূপে বাঢ়িহে গৈছে। সেই বৰ্ধিত দৰ কি ভাৰত চৰকাৰেই বোলক বা কি অসম চৰকাৰেই বোলক কোনেও কমাব পৰা নাই। ইয়াৰ একমাত্ৰ কাৰণ হৈছে যে আমাৰ দেশৰ মাত্ৰ এমুঠি মানুহৰ হাততহে ধন আছে আৰু তেওঁলোকেই গোটেই বস্তুবিলাক কিনি আহিছে আৰু ফলত যি মানুহৰ হাতত ধন-টকা-পইচা নাই, তেওঁলোকৰ হাতলৈটো ধন অহাই নাই তাৰোপৰি তেওঁলোকে কোনো প্ৰয়োজনীয় জিনিষ-পত্ৰ আদিও কিনিব পৰা নাই। গোটেই ভাৰতবৰ্ষতে

*Speech not corrected.

ৰবি শস্যৰ কাৰণে এই টকা বিলাক 'ইনফ্লেস্বনেৰী-ট্ৰেণ্ড'ত খৰছ কৰা হৈছে আৰু সেই ফালৰ পৰা এই প্লেনক 'ইনফ্লেস্বনেৰী প্লেন' বুলিহে ক'ব পাৰি।

উপাধ্যক্ষ মহোদয়, আৰু দুটামান কথা মই কৃষি বিভাগ সম্পৰ্কে কৈ মই মোৰ বক্তৃতাৰ সামৰণি মাৰিম বুলি ভাবিছো। গুণাগুণ সম্পৰ্কে পৰীক্ষা-নিৰীক্ষা আদি কৰিবৰ কাৰণে আমাৰ ৰাজ্যখনত তিনিটা গৱেষণা কেন্দ্ৰ আছে। এই কেন্দ্ৰ তিনিটাত বছৰি ৬০ হাজাৰ মাটিৰ 'চেম্পল' পৰীক্ষা কৰিব পাৰি। কিন্তু বৰ পৰিতাপৰ কথা যে আমাৰ ৰাইজে বছৰি বছৰি পৰীক্ষা কৰিবৰ কাৰণে এই গৱেষণা কেন্দ্ৰলৈ মাটি পঠাই কিন্তু সেই মাটিৰ গুণাগুণ সম্পৰ্কে হলে কোনো কোনো ৰিপোৰ্ট আমাৰ খেতিয়ক সকলে নেপায় আৰু এইটো নোপোৱাৰ ফলতেই কোন খিনি মাটিত কি কৰিব লাগে, কিমান সাৰ দিব লাগে, কি খেতি কৰিব পাৰি কোন বিধৰ সাৰ ছটিয়াৰ লাগে এই কথাবিলাকৰ একো ঠাৱৰ কৰিব নোৱাৰে। এইবিলাক কথা নজনাৰ আৱশ্যভাৱী পৰিণাম হৈছে এইটোৱেই যে, আমাৰ দেশত খাদ্যশস্যৰ যিমান পৰিমাণে উৎপন্ন হব লাগিছিল সেই পৰিমাণে হোৱা নাইকীয়া। পুৰণি পদ্ধতিতেই আমাৰ খেতিয়ক সকলে খেতি-ৰাতি আদি চলাই আছে। যদি উপযুক্ত পৰীক্ষা-নিৰীক্ষা পিছত শেহতীয়া গৱেষণাৰ ফল হিচাবে ৰাইজৰ ক'ত কিমান এমুনিয়াম চালফেট, চুপাৰ ফচফেট, আদি ব্যৱহাৰ কৰিব লাগে সেইটো বুজাই দিয়া নহয় তেতিয়া হলে আমাৰ খেতিয়ক সকলে আগৰ ভুল পদ্ধতিতেই কাম কৰি থাকিব আৰু তেতিয়া চৰকাৰৰ আঁচনি সমূহো ফলপ্ৰসূ নহব। সেইকাৰণেহে মই আমাৰ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে, আমাৰ ৰাজ্যত 'চইল-টেষ্টিঙ'ৰ কাৰণে যি তিনিটা অনুষ্ঠান আছে সেইকেইটা উন্নত কৰিব লাগে আৰু আমাৰ খেতিয়ক ৰাইজৰ সুবিধাৰ কাৰণে প্ৰত্যেক জিলাতে তেনেকুৱা একোটা লেবৰেটৰী প্ৰতিষ্ঠা কৰিব লাগে।

ইয়াৰ পিছতে মই বীজ আৰু বীজ নিগম সম্পৰ্কে কওঁ যে, আমাৰ বীজ নিগম কৰাৰ মুখ্য আৰু প্ৰধান উদ্দেশ্য আছিল যে, আমাৰ অসম প্ৰদেশত যিবিলাক কৃষিপাম আছে তাত উন্নত ধৰণৰ বীজ কম মূল্যত

*Speech not corrected.

আৰু প্ৰয়োজনীয় সময়ত আমাৰ অসমীয়া ৰাইজে পাব পৰাৰ ব্যৱস্থা কৰি দিয়া। কিন্তু বৰ দুৰ্ভাগ্যৰ বিষয় যে, অসমত এনে এখন এনেকুৱা বীজ নিগম নাই যিখন বীজনিগমে যোৱা ৰবি শস্যৰ বতৰত আমাৰ অসম চৰকাৰ তথা ৰাইজক যোগান দিব পাৰিছিল। এই বীজ নিগম বিলাকে নিজৰ উদ্দেশ্য সাধনত একেবাৰেই ব্যৰ্থতাৰ সন্মুখীন হৈছে। ফলত বাহিৰৰ পৰাহে অসম চৰকাৰক বীজৰ যোগান দিবলগীয়া হৈছিল। মুঠৰ ওপৰত এই বীজ নিগম বিলাক একেখন 'কমাৰ্চিয়েল ফাৰ্মত'হে পৰিণত হৈছে। কিন্তু সিওঁ লাভজনক নহয়, লোকচান কৰা 'কমাৰ্চিয়েল ফাৰ্ম'হে। এই বীজ নিগম বিলাকৰ দ্বাৰা অসমৰ বাহিৰৰ পৰা কম মূল্যত বীজ কিনি আনি ইয়াত বেছি মূল্যত সেইবোৰ বিক্ৰী কৰি দিয়া হয়। আজি যদি এই দায়িত্ব কোনো ব্যক্তিগত ব্যৱসায়ীক দিলেহেঁতেন, তেনেহ'লে হয়তো তেওঁ ৰজা হৈ গ'লহেঁতেন, কিন্তু বৰ পৰিতাপৰ কথা যে বীজ-নিগমে সেই দায়িত্ব দিয়া স্বত্বেও বাজেট ডেফিচিটহে কৰিলে। এই বীজ নিগমে এখন 'কমাৰ্চিয়েল ফাৰ্ম' হিচাবেও কাম কৰিব পৰা নাই। অন্য-হাতেদি বীজৰ কাম কৰাৰ সময়ত চৰকাৰী কৰ্মচাৰীৰ সংখ্যা বঢ়াই দিয়া হৈছে কিন্তু তাৰ দ্বাৰা কাম হ'লে একো হোৱা নাই। কৰ্মচাৰী বঢ়োৱাইহে বীজ নিগমৰ কাম হৈ পৰিছে। এই বিষয়ে চৰকাৰে তীব্ৰ দৃষ্টি ৰাখিব লাগে। ইয়াৰ পিছত মই সম্প্ৰসাৰণ সম্পৰ্কত কেইআষাৰমান কওঁ। উপাধ্যক্ষ মহোদয়, সম্প্ৰসাৰণৰ দ্বাৰা নতুন নতুন অধুনিক প্ৰণালীবোৰ যদি আমাৰ গাওঁ অঞ্চললৈ নিব পৰা নেযায় তেতিয়াহ'লে, আমাৰ খেতি পথাৰত পুৰণিকলীয়া খেতি পদ্ধতিয়েই চলি থাকিব। কিন্তু বৰ দুৰ্ভাগ্যৰেই কথা যে, উন্নত আধুনিক প্ৰণালীৰে লাভ কৰা গৱেষণাৰ ফল এতিয়াওঁ আমাৰ খেতিয়কৰ ওচৰ পোৱাগৈ নাই। আজি সম্প্ৰসাৰণৰ দায়িত্বত যিসকল আমাৰ গ্ৰামসেৱক আছে সেই লোক সকলক আমি ভালদৰে প্ৰশিক্ষণ আদি দিব পৰা নাই। উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা নথকাৰ কাৰণেই কৃষি সম্প্ৰসাৰণ বিষয়া আৰু গ্ৰামসেৱক সকলৰ জৰিয়তে আমাৰ কৃষি বিভাগ আৰু ৰাইজৰ মাজত আমি সমন্বয় ৰক্ষা কৰিব পৰা নাই। অসমত তিনিটা গ্ৰামসেৱক ট্ৰেইনিং চেণ্টাৰ আছে যদিও, এই কেন্দ্ৰবোৰত থিকমতে

*Speech not corrected:

প্ৰশিক্ষণৰ কাম চলি থকা নাই। বৰ দুখৰ কথা যে, আজি কিছুদিনৰ আগতে কেইজনমান বিষয়াৰ চক্ৰান্তত গুৱাহাটীত থকা গ্ৰামসেৱক ট্ৰেইনিং চেণ্টাৰটো যোৰহাটলৈ উঠাই নিয়াৰ কাৰণে এটা ষড়যন্ত্ৰ চলিছিল। কিন্তু যোৰহাট বিশ্ববিদ্যালয়ে এইটো লবৰ অপাৰগ বুলি অভিমত প্ৰকাশ কৰাতহে সৌভাগ্যক্ৰমে এইটো গুৱাহাটীতে ৰখা হৈছে। উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তেই আমাৰ মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব খুজিছো যে তেখেতে যেন আমাৰ প্ৰদেশৰ কৃষিসম্প্ৰসাৰণ বিষয়া আৰু গ্ৰামসেৱক সকলৰ কাৰণে উপযুক্ত প্ৰশিক্ষণ আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ ব্যৱস্থা কৰিব। অৰ্থাৎ আমাৰ খেতিৰ সম্পৰ্কে লোৱা শেহতীয়া গৱেষণাৰ ফলবোৰ যাতে আমাৰ কৃষি সম্প্ৰসাৰণ বিষয়া আৰু গ্ৰামসেৱক সকলে পায় তাৰ ব্যৱস্থা চৰকাৰে অচিৰেই কৰিব লাগে।

তাৰ পিছত উপাধ্যক্ষ মহোদয়, আমাৰ 'এগ্ৰোইন্দাষ্ট্ৰিজ কৰ্পৰেশ্বনে' কেনেকুৱা ভূমিকা আমাক দেখুৱাইছে সেই সম্পৰ্কে নক'লেও হ'ব। এই কৰ্পৰেশ্বনে যোৱা ৰবি শস্যৰ আগতে আৰু পিছতো অসমৰ মানুহক ট্ৰেক্টৰ লাগে বুলি বহুতো ট্ৰেক্টৰ কিনি আনিলে অসমৰ বাহিৰৰ পৰা। এই বিষয়ে এই বিধান সভাতে কালিও কোৱা হৈছে যে, ইতিমধ্যেই এই ট্ৰেক্টৰ বিলাক অসমৰ বাহিৰলৈ গুছি গৈছে। এইকাৰণেই আজি আমাৰ ইয়াত ট্ৰেক্টৰৰ অভাৱ হৈছে। ফলত আজি সকলোৰে জনা হৈ গৈছে যে অসমত ট্ৰেক্টৰ কিনিবলৈ পোৱা যায় আৰু সেইকাৰণেই এই ট্ৰেক্টৰ কিনিবৰ কাৰণে বিহাৰ, পাঞ্জাব, হাৰিয়ানা, তেলেঙ্গেনা, উত্তৰপ্ৰদেশ আদি ঠাইৰ পৰা মানুহ আহে অসমলৈ। অসমৰ ৰাইজৰ নামত কিনি অনা এই ট্ৰেক্টৰবোৰৰ ৰাতাৰাতিয়েই নাম সলনি কৰি আকৌ অসমৰ বাহিৰলৈ চালান দিয়া হৈয়ে আছে। এনেকুৱা উদাহৰণ লাগিলে মই মন্ত্ৰী মহোদয়ৰ অৱগতৰ কাৰণে দিব পাৰো। আৰু এটা কথা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছিল যে, খেতিৰ প্ৰয়োজনীয় সকলো বিলাক আহিলা পাতিয়েই সম্ভৱ হ'লে আমাৰ আঞ্চলিক প্ৰতিষ্ঠান সমূহৰ দ্বাৰা কিনিব লাগিব। আজি এইমতে 'এগ্ৰো-ইন্দাষ্ট্ৰীজে' আঞ্চলিক প্ৰতিষ্ঠান সমূহৰ দ্বাৰা কিনিছেনে নাই সেইটো চৰকাৰে তদন্ত কৰি চাওঁক।

*Speech not corrected.

কি ট্ৰেক্টৰ বা ট্ৰেডাৰ্চেই হওঁক; চাপ্লাইয়াৰ্চ, মেনেজমেণ্ট বা পেষ্টিচাইডেই হওঁক, এই বিলাক সম্পৰ্কে আমাৰ চৰকাৰে এই 'এগ্ৰো-ইণ্ডাষ্ট্ৰীজ কৰ্পৰেশ্বন'ৰ ওচৰত খবৰ কৰি চাব পাৰে,—প্ৰকৃততে এই বস্তুবিলাক কিনা হৈছেনে নাই আৰু যদি কিনিছে তেনেহলে, কিমান কিনা হৈছে।

আনহাতে উপাধ্যক্ষ মহোদয়, এই এগ্ৰো-ইণ্ডাষ্ট্ৰিজৰ বহুতো কথাই ইতিমধ্যে সদনত উত্থাপন কৰা হৈছে। আৰু বেছিকৈ দীঘলীয়া কৰিব নোখোজো। কিন্তু মুখ্যমন্ত্ৰী মহোদয়ে ইমান দিনৰ আগতে প্ৰতিশ্ৰুতি দিছিল যদিও আজিলৈকে কোনো এগ্ৰো-ইণ্ডাষ্ট্ৰিজ কো'অপাৰেটিভ হোৱা নাই। প্ৰতিশ্ৰুতি পালন কৰিব পৰা নাই। দুশ চাব-ইউনিট খোলাৰ কথা মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল কিন্তু তাৰ পিচত আজি এটাও চাব-ইউনিট খুলিব নোৱাৰিলে। ইয়েই প্ৰমাণ কৰিব এই বিভাগত থকা ভাঙৰীয়াৰ চৰম ব্যৰ্থতা। কীটানুনাশক ঔষধৰ বিষয়ত অভিযোগ আগতেই বহুত দিয়া হ'ল। এতিয়াও বহুত আছে অভিযোগ। কিন্তু সেইবিলাক তদন্ত কৰি দোষীক শাস্তি দিয়াৰ ব্যৱস্থা কৰিবলৈ কোনো ব্যৱস্থাই আজিলৈকে কৰা হোৱা নাই। অসম দেশত এটা দপ্তৰ আছে, ইয়াত ঔষধেই হওক বা পেষ্টিচাইদেই হওক সেই বিলাক পৰীক্ষা কৰাৰ কোনো ব্যৱস্থা নাই। বীজ নিগমে বীজ সংগ্ৰহ কৰিছে, সাৰ নিগমে সাৰ সংগ্ৰহ সংগ্ৰহ কৰিছে, পেষ্টিচাইদ সংগ্ৰহ কৰিছে। যি যেনে ভাবে দিছে তেনে ভাবে গ্ৰহণ কৰিছে। কিন্তু সাৰৰ নামত যে হাজাৰ হাজাৰ বস্তু নিমখ দিয়া কথা চলি আছে তাক পৰীক্ষা কৰি চোৱাৰ কথা কোনেও অনুভৱ নকৰে। এই ব্যৱস্থা অসম দেশত নাই। বীজৰ কাৰণে চাবি পাচ দিন সময় লাগে। কিন্তু বীজ নিগমে ৰাতিপুৱা লয় যোগান বিভাগৰ পৰা আৰু গধুলিয়েই সেই বীজ বিতৰণ কৰে। তাৰ কোনো পৰীক্ষা কৰা নহয়। কিন্তু মন্ত্ৰীৰ গোচৰেই হওক বা অগোচৰেই হওক দূৰ্নীতিপৰায়ণ বিষয়া সকলে যে সাৰ, বীজ সংগ্ৰহ কৰিছে তাৰ কোনো তদন্ত হোৱা নাই।

শেষত উপাধ্যক্ষ মহোদয়, অসমত থকা কৃষি বিশ্ববিদ্যালয়ৰ আৰু অসম চৰকাৰৰ কৃষি বিভাগৰ দুটামান কথা কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিম। অসম চৰকাৰে এখন কৃষি বিশ্ববিদ্যালয়ৰ আৱশ্যকতা অনুভৱ

*Speech not corrected.

কৰি পূৰ্বাঞ্চলত প্ৰথম কৃষি বিশ্ববিদ্যালয় খন আৰম্ভ কৰে আৰু কৃষি বিশ্ববিদ্যালয়ো আৰম্ভ হবৰ আজি পাঁচ বছৰ হ'ল। এই পাঁচ বছৰৰ ভিতৰত ইয়াৰ উন্নতি কৰিবলৈ যিমান খিনি চেষ্টাৰ দৰকাৰ সিমান খিনি কৰিব পৰা নাই। অৱশ্যে চৰকাৰৰ সহযোগত সম্পূৰ্ণৰূপে চৰকাৰী ধনৰ সহায়ত এই বিশ্ববিদ্যালয় গঢ়ি উঠিছে। আমি আশা ৰাখিছো চৰকাৰ পক্ষৰ পৰা যিমানখিনি সহায় সহযোগ আৰু ধন পাবে এই বিশ্ববিদ্যালয়ৰ কাৰণে দিবলৈ বুলি। অন্ততঃ এইখিনি চৰকাৰে বাহিৰত থাকি হ'লেও কৰিব লাগে। কিন্তু এতিয়া দুখৰ কথা যে এই বিশ্ববিদ্যালয়ৰ সমাবৰ্ত্তন হৈছিল। এই সমাবৰ্ত্তনত অসম দেশৰ মন্ত্ৰী সকলক নিমন্ত্ৰণ কৰা হৈছিল, বিধান সভাৰ সদস্য সকলক নিমন্ত্ৰণ কৰা হৈছিল, আৰু নিমন্ত্ৰণ এই কাৰণেই কৰা হৈছিল যে বিশ্ববিদ্যালয় কেনে ভাৱে চলিছে তাক অসম দেশৰ মন্ত্ৰীসকলে আৰু বিধান সভাৰ সদস্য সকলে গৈ চাই আহিব পাৰিব। ইয়াৰ বাহিৰেও অসমৰ বাহিৰ অৰ্থাৎ মেঘালয়, মনিপুৰ, নাগালেণ্ড আদি ৰাজ্যৰো মন্ত্ৰীসকলক নিমন্ত্ৰণ জনোৱা হৈছিল সমাবৰ্ত্তনত যোগ দিবলৈ। কিন্তু পূৰ্বাঞ্চলৰ একমাত্ৰ বিশ্ববিদ্যালয় এইখনৰ সমাবৰ্ত্তনত অসম দেশৰ কোনো মন্ত্ৰীয়ে যোগদান নকৰিলে। বাহিৰৰ পৰা ডাঙৰ ডাঙৰ বৈজ্ঞানীক সকল আহিছিল ইয়াত যোগ দিবলৈ কিন্তু আমাৰ কৃষিমন্ত্ৰীয়েও তাত যোগ দিবলৈ সময় নাপালে। উপস্থিত নহ'ল। তাত ৰাজ্যপালৰ পৰা আৰম্ভ কৰি হাৰিয়ানা আদি অসমৰ বাহিৰৰ মানুহ আহিছিল। যেতিয়া তেওঁলোকে সুধিছিল যে বিধান সভাৰ সদস্য সকল আহিছে কিন্তু মন্ত্ৰী সকল নাই। আমি উত্তৰ দিবলৈ বাধ্য হৈছিলো যে মন্ত্ৰীডাঙৰীয়া ৰবিশস্যৰ কামত অতিপাত ব্যস্ত হৈ আছে। তালৈ মেঘালয়ৰ মন্ত্ৰী নিকলচ্ ৰয় গৈছিল।

উপাধ্যক্ষ মহোদয়, এই বিশ্ববিদ্যালয়ৰ পৰা, বা এই বিশ্ববিদ্যালয়ৰ গৱেষণাৰ পৰা এই বিভাগটো উপকৃত হোৱা নাই। গৱেষণাৰ ফল বিভাগত লগাব পৰা নাই। আনকি বিশ্ববিদ্যালয়ৰ ছাত্ৰ সকলে আমাক কৈছিল যে চৰকাৰে ইমান টকা খৰছ কৰি ৰবিশস্যৰ আঁচনি ললে কিন্তু যদি তাত তেওঁলোককো ইনভলদ্ কৰিলেহেঁতেন তেন্তে চৰকাৰে ভাল

*Speech not corrected.

ফল পালেহেঁতেন। কিন্তু সেইটো কিয় নকৰিলে ছাত্ৰ সকলে আমাক সোধাত আমি উত্তৰ কি দিম ভাবিবলগীয়া হৈছিল। তাত ইমান ডাঙৰ ডাঙৰ বৈজ্ঞানিক থকা স্বত্বেও তেওঁলোকৰ বিদ্যাৰ জ্ঞান আহৰণ কৰিবলৈ কোনো ব্যৱস্থা কৰা হোৱা নাই। বৈজ্ঞানিক সকলৰ পৰা নতুন কিবা ইন্‌ভেন্‌চন কৰাৰ কাৰণে কোনো উপযুক্ত ব্যৱস্থা নাই।

শেষত উপাধ্যক্ষ মহোদয়, মই কবলৈ বিচাৰিছো যে, আমাৰ কৃষি বিভাগত বিশেষকৈ মন্ত্ৰী মহোদয়ে তেখেতৰ চৰম ব্যৰ্থতাৰ পৰিচয় দিছে। ডাঃ স্বামীনাথকে কৈছিল যেতিয়া মুখ্যমন্ত্ৰীৰ লগত তেখেত লগ হৈছিল—In each village a custom cum extension service unit should be set up where costly inputs may be made available on hire and water and pest control may be undertaken for the whole village on scientific manner The Custom cum extension service unit should have the following principal wings :

(i) Agricultural Machinery and implements,

(ii) Soil Health and fertility,

(iii) Pest management and control,

(iv) Water Transport.

এই কথা কৈ উপাধ্যক্ষ মহোদয়, চৰকাৰৰ ব্যৰ্থতা আৰু এবাৰ দোহাৰি মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰাৰ আগতে বিধান সভাত শ্ৰীতুলাল বৰুৱা ডাঙৰীয়াই ফিচাৰি বিভাগৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ সংক্ৰান্তত কোৱা কথা সঁচা বুলি কওঁ। অনুসূচিত জনজাতিৰ লোকসকলে মাছ মাৰি জীৱন নিৰ্বাহ কৰি আছিল। সেই বিলত পিচে ইয়াৰ পুৰণা লেচি জনে বছৰৰ পিচত বছৰ ধৰি খাই আছিল সেই বিলখন। কিন্তু এতিয়া সেই লেচিজনে এটা কো'অপাৰেটিভৰ নামত দৰ্খাস্ত কৰিছে বিলখন পাবʼলে। আকৌ আন আন বহুতো অনুসূচীত জনজাতিৰ লোকেও দৰ্খাস্ত কৰিছিল বিলখনৰ কাৰণে, আমিও বিধান সভাৰ সদস্য হিচাবে ৰিক'মেণ্ড কৰিছিলো দৰ্খাস্ত বিলাক, নহলেও বন্দবস্তি দিবৰ কাৰণে কৈছিলো। কিন্তু নতুন কো'অপাৰেটিভ যিখনৰ নাম দিলে সেইখন বোগাচ বুলি বৰুৱা ডাঙৰীয়াই কৈছিল। ব্যক্তিগত মানুহ এজনে অনু-

*Speech not corrected.

সূচীত জনজাতিৰ মানুহক মাছ মৰাৰ পৰা বন্ধ ৰাখি বিহাৰ, উৰিষ্যাৰ পৰা মানুহ অনাই ঠিকা বেচিচত মাছ মৰাইছে। আৰু সেই বিললৈ অনুসূচীত জনজাতিৰ মানুহে মাছ মাৰিবলৈ গলে পুলিচত ৰিপোৰ্ট দি অত্যাচাৰ কৰাইছে। যদিও সমবায়ৰ নামত দিয়া হৈছে কিন্তু আচলতে ব্যক্তিগত মানুহে খাই আছে। 'এক্সটেনচন' দিব নোৱাৰে বুলি হাই-কোৰ্টৰ নিয়মেও কয়। কিন্তু এক্সটেনচন ১৬ তাৰিখে গুৱাহাটীৰ ডি-চিয়ে বন্ধ কৰি দিয়াৰ পিচতেই চিলঙৰ পৰা পঠিয়াই দিছে। এবে জনকেই চেটলমেণ্ট দিছে এক্সটেনচন দিছে। পিচে ২২ তাৰিখে ডি-চিয়ে তেওঁৰ অৰ্দাৰ ভেকেট কৰি ডাকত দিয়াৰ ব্যৱস্থা কৰিছে আৰু গাওঁৰ হাতে-বজাৰে মাৰি দিছে আৰু সেইমতে ডাক সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিছে। পিচে সেই ডাক বন্ধ কৰি মন্ত্ৰী ডাঙৰীয়াই সমবায়কে দি দিছে। সোধাত কৈছে যে নীলামত দিছে, বৰপেটাৰ পৰা মানুহ আহি লৈ গৈছে।

অসম দেশত যদি মৎস্যজীৱি হয়, যদি অনুসূচীত হয় তেন্তে বৰপেটাৰে, হাজোৰে, নলবাৰীৰে, তেজপুৰৰে হওঁক কোনো পাৰ্থক্য থাকিব নোৱাৰে। আমাৰ চৰকাৰে এক্সটেনচন দিয়াৰ ফলত ৩-৪ লাখ টকাৰ ৰাজহ কমি গৈছে। দীঘিলপৰা ফিচাৰিৰ উন্নতিৰ কাৰণে যি টকা দিছিল সেই টকা অপচয় হৈছে। এতিয়া সেই টকাৰ অপব্যয়ৰ কাৰণে চৰকাৰে অনুসন্ধান কমিটি কৰি দিছে। বিষয়া সকলে টকা খালে কিন্তু চৰকাৰৰ তেওঁলোকৰ বিৰুদ্ধে একচন লোৱাৰ সাহস নাই। বহুতো আলোচনা কৰাৰ পিছত চৰকাৰে যোৱা ৩১ মাৰ্চ তাৰিখে অনুসন্ধান কমিটি কৰি দিছে। এচ, ডি অ, চেয়াৰমেন, একজিকিউটিভ ইঞ্জিনিয়াৰ, শ্ৰীগঙ্গাধৰ চহৰীয়া, শ্ৰীচম্পা ৰাম কলিতা, প্ৰেচিডেণ্ট গাওঁ সভা দীঘিৰপাৰ এই সকল মেম্বাৰ।

"Terms of reference of the Committee—(1) Whether the Tank excavated by the Fishery Department for the purpose of Pisciculture at Dighirpar, Mangaldai Sub-Division, has been fully excavated according to the specification?

(2) 'Whether full payment has been made though the work is half-done?

(3) Who is the disbursing authority?

*Speech not corrected.

(4) Whether the said alleged half-done work has been allotted to a new contractor.

(5) Any other matter that may come up during the course of enquiry.

(6) The Committee shall submit its report on or before 10.4.73.

কৃষি মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে এই কমিটিয়ে ৰিপোৰ্ট দাখিল কৰিলেনে নাই ? যদি ৰিপোৰ্ট দাখিল কৰিলে সেই ৰিপোৰ্ট সদনৰ মজিয়াত পেলাবৰ কাৰণে মন্ত্ৰীৰ সাহস আছেনে নাই? দীঘিলপাৰ ফিচাৰিৰ উন্নতিৰ নামত অপচয়ৰ বাবে যদি বিষয়া দায়ী বা ৰাজনৈতিক নেতা দায়ী তেওঁলোকৰ ওপৰত ব্যৱস্থা লোৱা হবনে নহয়? আজি ফিচাৰি নোহোৱাকৈ ফিচাৰি আছে বুলি কৈ বহুতে টকা লৈ গৈছে। এই ধৰণৰ উদাহৰণ মই বহুতো দিব পাৰো। এই সদনত সৰু সুৰা কথা কৈ তিক্ততা আৰু হীনতা, নীচতাৰ পৰিচয় দিব নিবিচাৰো। যি মন্ত্ৰী এই দায়িত্বত আছে তেওঁ যদি এই দায়িত্ব পালন কৰিব নোৱাৰে তেন্তে ৰাস্তা খোলা আছে—পদত্যাগ কৰক। তাৰ ঠাইত উপযুক্ত মানুহ লৈ কৃষিৰ সকলো সুবিধা দুখীয়া কৃষকক দিব বুলি আশা ৰাখিলো। এইখিনিকে কৈ মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

শ্ৰীকেহোৰাম হাজৰিকা উপাধ্যক্ষ মহোদয়, কৃষি মঞ্জুৰীৰ শিতানৰ কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰ ক'ব বিচাৰিছো। আমাৰ দেশৰ অৰ্থনীতিৰ মেৰুদণ্ড কৃষি। এই সম্পৰ্কে এই সদনত আলোচনা কৰিছে আৰু আলোচনা প্ৰসঙ্গত এইটো কোৱা হৈছে যে আমাৰ দেশৰ কৃষি অৰ্থনীতিৰ অৱনতি ঘটিছে আৰু সেই কৃষি অৱনতি যদি উন্নত পৰ্যায়লৈ আনিব নোৱাৰো তেন্তে আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰাটো সম্ভৱপৰ নহ'ব। মাননীয় সদস্য সকলে বহুতো মূল্যবান পৰামৰ্শ আগবঢ়াইছে আৰু সমালোচনা কৰিছে। এই সমালোচনাৰ বহুখিনিত মই একমত আৰু এই সমালোচনাৰ দুই এটা কথা মই ক'ব খুজিছো। সেইকেইটা হৈছে যে কোনো কোনো মাননীয় সদস্যই মন্তব্য কৰিছে যে চোভিয়েত আদৰ্শত কৃষিপাম কৰিবলৈ লোৱাৰ কাৰণে আচলতে কৃষি উৎপাদন উন্নত নহয়

*Speech not corrected.

বৰং অৱনতি হৈছে। কোনো কোনোৱে ফাৰ্মিং কৰপৰেচন চোভিয়েত আদৰ্শত কৰিবলৈ লোৱাৰ কাৰণে কমিউনিজিমৰ লগত সোমাইছে বুলি সন্দেহ প্ৰকাশ কৰিছে। এই দুটা সমালোচনাৰ লগত মই একমত নহওঁ। মই এজন কমিউনিষ্ট সদস্য হিচাবে আৰু সমাজতন্ত্ৰ, সাম্যবাদ বিশ্বাসী সদস্য হিচাবে মই দৃঢ় ভাবে ক'ব খোজো যে যদি আমাৰ চৰকাৰে চোভিয়েত আদৰ্শ গ্ৰহণ কৰিলেহেঁতেন তেন্তে আমাৰ দেশ খাদ্যত স্বয়ং সম্পূৰ্ণ হোৱাৰ উপৰিও আমাৰ দেশে অন্যান্য খাদ্যত ঘাটি দেশ বিলাকলৈ খাদ্যৰ যোগান ধৰিব পাৰিলেহেঁতেন। বৰ্তমান আমাৰ দেশে আমেৰিকাৰ লগত দেশৰ আত্ম মৰ্য্যাদা হানি চুক্তিত স্বাক্ষৰ কৰি ৪৮০ ধাৰা মতে খাদ্য আমদানি কৰিব লগা হৈছে।

উপাধ্যক্ষ মহোদয়, এই কৃষি উৎপাদন অৱনতি হোৱাৰ মূল কাৰণ হিচাবে মই দেখা পাইছো যে গোটেই দেশত পুঁজিপতি অৰ্থনীতি গঢ়ি তুলিবলৈ যি পথ সেই পথ অনুসৰণ কৰাৰ ফলত দেশত যেনেকৈ এটা অৰ্থ সংকেটে দেখা দিছে ঠিক তেনেকৈ কৃষি অৰ্থনীতিত পুঁজিপতি অৰ্থনীতিৰ পথ অনুসৰণ কৰাৰ কাৰণে আৰু অৱধাস্ত নিয়ম অনুসৰি কৃষি অৰ্থনীতিত বহুত সংকেট দেখা দিছে। আমি গত ২৬ বছৰৰ ভূমি সংস্কাৰৰ আইন সমূহ যদি পৰ্য্যালোচনা কৰি চাওঁ আৰু কৃষি সম্পৰ্কত চৰকাৰে যিবিলাক কাৰ্য্যপন্থা লৈছে সেইবিলাক যদি বিশ্লেষণ কৰি চাওঁ তেনেহ'লে দেখা পাম যে কৃষিত গত ২৬ বছৰৰ ভিতৰত পুঁজিপতি অৰ্থনীতি গঢ়ি তুলিবলৈ চেষ্টা কৰা হৈছে। গত ২৬ বছৰৰ ভিতৰত এমুঠিমান ধনী কৃষক চৰকাৰী কৃষি নীতিৰ ফলত লাভবান হৈছে। দুখীয়া খেতিয়ক আৰু দুখীয়া হৈছে। যি মাটি ভেটি আছিল সিও ক্ৰমে ক্ৰমে যোৱাৰ বাস্তা লৈছে। সেই কাৰণে মই ক'ব খোজো যে পুঁজিপতি পথ অনুসৰণ কৰি অৱধাস্ত পথ হিচাবে আজি কৃষি অৰ্থনীতিত এটা সংকট, স্থবিৰ অৱস্থাৰ সৃষ্টি হৈছে। কৃষক সকলক সহায় কৰিবৰ কাৰণে গত ২৬ বছৰৰ ভিতৰত দেশত লাখ লাখ টন সাৰ বিতৰণ কৰিলে বহু কোটি টকা খেতিৰ নামত কৃষি সমবায় সহায়ক, কৃষি সমবায় বিলাকৰ জৰিয়তে বিতৰণ কৰা হৈছে আৰু চৰকাৰে নিজস্ব ভাবেও দেশত প্ৰদৰ্শন মূলক কিছু আঁচনি লৈছে।

*Speech not corrected.

এই গোটেই বিলাকৰ ভিতৰত পৰ্য্যালোচনা কৰিলে দেখা যাব যে কৃষি সমবায় কৃষি সহায়ক সমবায়ৰ জৰিয়তে কৃষকৰ নামত কোটি কোটি টকা ঋণ দিয়াৰ কথা কোৱা হৈছে। উপাধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে, আপোনাৰ সমষ্টিত এই ধৰণে কৃষি সহায়ক সমবায় আছে। তাৰ জৰিয়তে কাক আচলতে ঋণ দিয়া হৈছে? এজন দুখীয়া খেতিয়কক গৰু এহাল কিনিবৰ কাৰণে ১-২ শ টকা দিয়ে। তেওঁলোকে কৃষি সহায়ক সমবায়ৰ ওচৰলৈ বাটকুৰি বাই আহি বিফল মনোৰথে উভতি যাব লগা হয়। কিন্তু যি সকল মাটিৰ মহাজন নাইবা ধনী খেতিয়ক সেই সকলে ২-৪ শ, ১ হাজাৰ টকা নিয়ে। একেটা পৰিয়ালৰ আটাই কেইজন সমবায়ৰ অংশীদাৰ হৈ ৭-৮ হেজাৰ ঋণ লৈ যোৱাৰ ফলত দুখীয়া খেতিয়ক সকলক এই সমবায় সমূহে সাহায্য আগবঢ়াব পৰা নাই। আনহাতে ধনী খেতিয়ক সকলে সেই টকাৰ সামান্য এটা অংশ ব্যৱহাৰ কৰি বাকী মূল অংশৰে মাটি কিনে ছোৱালী বিয়া দিয়ে আৰু অন্যান্য কামত খৰচ কৰে।

উপাধ্যক্ষ মহোদয় আপুনি জানে যে ঋণ পাবৰ কাৰণে কৃষি বিভাগে অনুমোদন কৰিব লাগে আৰু এই ঋণ পাবৰ কাৰণে বেঙ্কৰ ওচৰত সমবায় বিলাকে আঁচনি দাখিল কৰিব লাগে কিন্তু এই আঁচনি দাখিল কৰা স্বত্বেও এই কথা ভালকৈ জানো যে কৃষিবিভাগৰ অফিছাৰ সকলে নানা কাৰণত হাত কৰি লৈ এই আঁচনিবিলাকত দুখীয়া খেতিয়ক সকল যাতে বঞ্চিত হয় আৰু ধনী মহাজন খেতিয়ক সকলে যাতে ১০ হাজাৰ টকা ঋণ পাব পাৰে তাৰ কাৰণে কৃষি বিভাগে ধনীৰ লগত লগ হৈ নানা ধৰণৰ চক্ৰান্ত চলায়। এই টকাবিলাক এতিয়াও বাকীজাই নোটিচ জাৰি কৰিও টকা আদায় কৰিব পৰা নাই। আমাৰ নগাওঁৰ চেণ্ট্ৰেল বেঙ্কৰ চেয়াৰমেন জনৰ পৰা জানিব পাৰিছো যে আচলতে বাকী দুখীয়া খেতিয়কৰ নাই, বাকী পৰি আছে ধনী খেতিয়ক সকলৰহে। গতিকে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিছো যে আমাৰ যিবিলাক দুখীয়া খেতিয়ক, যাৰ মাত্ৰ ৫-৬ বিঘাহে মাটি আছে তেওঁলোকে যাতে কৃষি ঋণ পাব পাৰে তাৰ কাৰণে চৰকাৰে চেষ্টা কৰিব।

দ্বিতীয় কথা ক'ব খুজিছো যে আমাৰ যিবিলাক সাৰ বিতৰণ কৰা

হয়, লাখ লাখ টকাৰ সাৰ বিতৰণ কৰা হয় সঁচা কিন্তু দুখীয়া খেতিয়কে এই সাৰ কিনিব নোপায়, সমূহীয়া হিচাবে এই সাৰ ধনী বিলাকেহে আচলতে কিনা দেখা যায়। আমাৰ যিবিলাক বাগিছাৰ মালিক আছে তেওঁলোকে কৃষি কৰ্মচাৰী বা নিগমৰ পৰা অধিক দাম দি খেতিয়কৰ নামত সাৰ কিনে। আচলতে যি উদ্দেশ্যৰে সাৰ বিতৰণ কৰা হয়, যাক উদ্দেশ্য কৰি সাৰ বিতৰণ কৰা হয়, আচলতে তেওঁলোকৰ ভাগ্যত মিলা নাই। আপুনি জানে যে আমাৰ দেশত ৫-৬ বিঘাতকৈ কম মাটি থকা মানুহৰ সংখ্যা শতকৰা ৪০ ভাগতকৈ বেছি হব গতিকে তেওঁলোকৰ আৰ্থিক অৱস্থা কৃষি উন্নয়ন অৱস্থা বা কৃষি অৰ্থনৈতিক অৱস্থাৰ উন্নতিত ব্যাঘাট জন্মিছে। গতিকে আমাৰ দেশৰ এই শতকৰা ৪০ ভাগ খেতিয়কে কম দামতে যাতে সাৰ ব্যৱহাৰ কৰাৰ সুযোগ পাই তাৰ কাৰণে চৰকাৰক ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলো।

উপাধ্যক্ষ মহোদয়, কৃষি বিভাগ দুৰ্বল, কৃষি বিভাগ অৱহেলিত, কৃষি বিভাগ দূৰ্নীতিপৰায়ণ আদি ভাষাৰে কৃষি বিভাগৰ বিষয়ে মাননীয় সদস্য সকলে সদনত আলোচনা কৰিছে। মই কওঁ যে কৃষি বিভাগৰ যি তৎপৰতা থকা উচিত আছিল সেই তৎপৰতা নাই। মই নিজে এজন হালবোৱা খেতিয়ক হিচাবে মই জানো আমাৰ নগাওঁ জিলাত যিবিলাক কৃষি বিভাগৰ কৰ্মচাৰী আছে তেওঁলোকৰ পৰা আমাৰ দুখীয়া খেতিয়ক সকলে কোনো সহাৰি নাপায়, খেতিয়কৰ লগত তেওঁলোকৰ যোগাযোগ খুব কম। যিবিলাক প্ৰদৰ্শনী মূলক খেতি কৰা হৈছে সেইবিলাক আচলতে অপব্যয়হে হৈছে। এই আঁচনিমতে চাবচিডিৰেটত সাৰ দিয়াৰ যিটো ব্যৱস্থা আছে সেই বিলাক অতিৰিক্ত মূল্যত বিক্ৰী কৰি কৃষি অফিচাৰ সকলে নিজৰ ভিতৰত ভাগ ভাগ কৰি লয়। এই ধৰণে বহুতো টকা কৃষিৰ নামত আত্মসাৎ কৰাৰ উদাহৰণ আছে। পানী যোগানৰ কথা কবলৈ যাওঁতে আমাৰ ইয়াত যে পানীযোগান ব্যৱস্থা একেবাৰে নাই বুলি কলেও বঢ়াই কোৱা নহয়। মোৰ সমষ্টিত চাপানলা বুলি এটা পানীযোগান আঁচনি আছে। মই এই সদনত কেবাবাৰো উত্থাপন কৰিছো যে বছৰত ৯ মাহেই এই আঁচনি বন্ধ হৈ থাকে। যি সময়ত বৰষুণৰ পানী বাইজে পাই সেই

*Speech not corrected.

সময়ত পানীযোগান আঁচনিয়ে পানী যোগান ধৰে। ইয়াৰ আন এটা কাৰণ হ'ল এখন চাহবাগনৰ মাজেদি অহা কাৰণে বাগানৰ মাজতে মালিকে নলী কাটি পানী উলিয়াই কিন্তু প্রকৃত খেতিয়কে পানী যোগান আঁচনিৰ এই আঁচনিটো সম্পূর্ণৰূপে ব্যৰ্থ হৈছে। তাৰ পিচত যমুনা ইৰিগেচন আঁচনিত লাখ লাখ টকা খৰছ কৰা হৈছে কিন্তু খৰালি কালত এই আঁচনিৰ পৰা খেতিয়কে পানী নাপায়। অকল বাৰিষাহে এই আঁচনিৰ পৰা পানী যোগান ধৰা হয়। খৰালি কালত পানী শুকাই নাইকীয়া হৈ থাকে ফলত খৰালি কালত খেতিয়ক সকলে খেতি কৰাৰ কোনো উপায় নাই। গতিকে এই ইৰিগেচনটো ব্যৰ্থ হৈছে। দিপ টিউবৱেল আৰু চেলো ফিলটাৰৰ দ্বাৰা পথাৰত পানী যোগান আঁচনি লৈছিল কিন্তু খেতিয়কে পাইছে নে? মই যোৱা বাৰও এটা কথা উত্থাপন কৰিছিলো যে এখন গাওঁ পঞ্চায়তৰ নামত চেলো ফিলটাৰ মঞ্জুৰ হ'ল কিন্তু গাওঁপঞ্চায়তৰ নামত সভাপতিজনে তেওঁ নিজৰ মাটিৰ মাজত বহুৱাই ললে, খেতিয়ক সকলে অভিযোগ দিলে কিন্তু তাৰ কোনো বিচাৰ আজি পৰ্য্যন্ত নহ'ল। সেই কাৰণে উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে বিজুলি শক্তিৰে পথাৰত পানী যোগানৰ ব্যৱস্থা কৰে। আমি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত দেখিছো যে বিজুলি শক্তিৰ দ্বাৰা পথাৰত পানী যোগান ধৰা হৈছে। নগাওঁত মোৰ সমষ্টিতে মৰিকলং বিলত বিজুলি সৰবৰাহ আঁচনি গ্ৰহণ কৰা হ'ল, খুটা পোতা হ'ল কিন্তু পোতা খুটা পোতাতে থাকিল, আজি ৪-৫ বছৰ ধৰি তাত আৰু একো কৰা দেখা নাই। গতিকে মই আশা কৰিছো চৰকাৰৰ ফালৰ পৰা খেতিয়কৰ উন্নয়নৰ কল্পে যি আঁচনি লোৱা হয় সেই আঁচনিবিলাক কাৰ্য্যকৰী নকৰাকৈ থাকি যাতে ৰাইজক হতাশ নকৰে।

উপাধ্যক্ষ মহোদয়, এই সদনত বাৰে বাৰে আলোচনা কৰি অহা হৈছে যে আমাৰ খেতিয়ক সকলে মৰাপাতেই হওঁক বা সৰিয়হেই হওঁক তেওঁলোকে নায্য মূল্য নাপায় আৰু আচল মুনাফা যিসকল পুঁজিবাদ চোৰাং কাৰবাৰী তেওঁলোকে লৈ যায়। কিন্তু খেতিয়ক সকলৰ যেতিয়া পাট তোলাৰ সময় হয় তেতিয়া মৰাপাটৰ মূল্য ২৭।২৬।২৫ টকা হয়।

*Speech not corrected.

চৰকাৰে এই খেতিয়ক সকলক নিৰাপত্তা দিয়াৰ কোনো ব্যৱস্থা নাই।

উপাধ্যক্ষ মহোদয়, খেতিয়ক সকলে যেতিয়া ধান বিক্ৰি কৰাৰ সময় হয় তেতিয়া ধানৰ দাম একেবাৰেই নাইকীয়া হয়। যেতিয়া দুখীয়া খেতিয়ক সকলে ধান বিক্ৰি কৰিবৰ কাৰণে বজাৰলৈ ধান লৈ যায় তেতিয়া এফ চি আই বা মাৰকেটিং কৰপৰেচনে ধানৰ দাম দিব নোৱাৰে। চৰকাৰী দাম বজাৰৰ দামতকৈ কম হোৱাৰ উপৰিও মাৰকেটিং বা এফ চি আইয়ে ধান কিনি নগদ মূল্য দিব নোৱাৰাৰ কাৰণে খেতিয়ক সকলে মহাজনৰ বা দালাল শ্ৰেণীৰ মানুহক ধান বিক্ৰী কৰি আহে। আমি ভাবো এই ক্ষেত্ৰত মাৰকেটিং চচাইটিৰ কৰ্মকৰ্ত্তা সকলৰ ব্যৱসায়ী সকলৰ লগত সহযোগ থকাৰ কাৰণেই কৃষক সকলে পাবলগীয়া মূল্যও নাপায়। তাৰ কাৰণেই এই চক্ৰান্ত কৰা হৈছে। সেই ধানৰ পৰা আমাৰ চৰকাৰক, উপাধ্যক্ষ মহোদয়, মই জনাব বিচাৰিছো যে খেতিয়কে ধান চপোৱাৰ সময়ত মাৰকেটিং চচাইটি আৰু এফ চি আইয়ে ধান সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰ বাহিৰেও খেতিয়কৰ যি মৰাপাট, সৰিয়হ, মাহ আদি হয়, এই বিলাকৰো যাতে খেতিয়ক সকলে উচিত মূল্য পায় চৰকাৰে তাৰ ব্যৱস্থা কৰিব লাগে। উপাধ্যক্ষ মহোদয়, আমাৰ খেতিয়কৰ ফচল উৎপাদনৰ কাৰণে যিমান খৰচ পৰে কৃষিজাত বস্তুৰেই হওঁক বা অন্যান্য বস্তুৰেই হওঁক নাৰ্য্য মূল্য চৰকাৰৰ তৰফৰ পৰা নিৰ্দ্ধাৰণ কৰি দিব লাগে। এইদৰে নোহোৱাৰ ফলত আমাৰ কৃষকৰ অৱস্থা দিনে দিনে বেয়া হৈ গৈছে। অকল সেয়ে নহয়, তাৰো পৰি আৰু এক শ্ৰেণীৰ ব্যৱসায় গাওঁবিলাকত চলি আছে। সেইটো হৈছে আমাৰ দুখীয়া খেতিয়ক সকলে খাবলৈ নাপায় ধনী মানুহৰ পৰা টকা ধাৰে লয়, টকাৰ বিনিময়ত ফচল দিব বুলি। মহাজনৰ পৰা ২।৩ মাহ আগতেই পথাৰত ফচল থাকোতেই অত্যন্ত কম দামত ফচল দিম বুলি কৈ টকা আনে। কিন্তু পৰিশোধ কৰোতে তাৰ দুগুন দিব লগীয়া হয়। তাৰ ফলত দুখীয়া কৃষক সৰ্বশ্ৰান্ত হয়। চৰকাৰে যদি এইটো বন্ধ কৰিব নোৱাৰে, কৃষকৰ বস্তু সোহা সকলক বন্ধ কৰিব নোৱাৰে তেন্তে দুখীয়া কৃষকৰ অৱস্থা আৰু বেয়াৰ ফালে চাল খাব। এই দৰে যাতে দুখীয়া কৃষক সকলে খাবলৈ নাপায়

*Speech not corrected.

ধনী মহাজনৰ পৰা টকা লৈ পিচত সৰ্বশ্ৰান্ত হবলগীয়া নহয় তাৰ কাৰণে চৰকাৰে আগতীয়াকৈ ব্যৱস্থা লব লাগে। আৰু কৃষকৰ ফচল চপোৱাৰ সময়ত মাৰকেটিং চচাইটি বা এফ চি আইৰ ওপৰত নিৰ্ভৰ নকৰি চৰকাৰে পোনপটীয়া ভাবে সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিব লাগে।

শেষত মই কৃষকৰ উন্নয়নৰ কাৰণে কেইটামান পৰামৰ্শ দাঙি ধৰি মোৰ বক্তব্য সামৰণি মাৰিব বিচাৰিছো! মোৰ পৰামৰ্শ কেইটা হৈছে এই :

(১) ধান, মৰাপাট, সৰিয়হ আদি কৃষিজাত বস্তুৰ উৎপাদনৰ খৰচৰ ওপৰত নিৰ্ভৰ কৰি উপযুক্ত মূল্য নিৰ্ধাৰণ কৰিব লাগে আৰু চৰকাৰে প্ৰত্যক্ষ ভাবে সংগ্ৰহ কৰিব লাগে।

২। গাওঁ সমূহত বিজুলী শক্তি সম্প্ৰসাৰণ কৰি আৰু নলা আদি দি ব্যাপক হাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে যাতে সকলো মাটিতে দুটা বা তিনিটা খেতি কৰিব পাৰে।

৩। ব্যাপক ভাবে সাৰ আৰু পোক নিবাৰণৰ ঔষধ সুলভ মূল্যত যোগান দিব লাগে।

৪। বেংক আৰু ঋণ সমবায়ৰ যোগে ধাৰে দিয়াৰ বাবে ব্যাপক ব্যৱস্থা কৰিব লাগে।

৫। দুখীয়া খেতিয়ক সকলক মহাজন আৰু অংশীদাৰৰ কবলৰ পৰা ৰক্ষা কৰিবৰ কাৰণে প্ৰয়োজন অনুসাৰে খেতিয়কৰ বিক্ৰী কৰিব লগীয়া ফচলৰ কাৰণে আগধন দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৬। কি ধৰণৰ মাটিত কি খেতি হয় তাত কিমান সাৰ দিব লাগিব, কি খেতিৰ কাৰণে উপযুক্ত হ'ব এই বিলাক পৰীক্ষা কৰাৰ ব্যৱস্থা কৰিব লাগে।

মই ভাবো এইখিনিৰ যদি ব্যৱস্থা কৰে তেনেহ'লে আমাৰ দেশৰ কৃষকৰ উন্নতি হ'ব আৰু আমাৰ দেশৰ কৃষক সকলৰ অৱস্থা বৰ্তমানতকৈ টনকীয়াল হ'ব।

উপাধ্যক্ষ মহোদয়, ইয়াৰ লগতে মই মীন বিভাগৰ কেইটামান কথা ক'বলৈ বিচাৰিছো। এইটো কথা অপ্ৰিয় হ'লেও সত্য যে মীন মহল

*Speech not corrected.

বিলাক কিছুমান জমিদাৰৰ নিচিনা হৈছে। মই ব্যক্তিগত ভাবে সমালোচনা কৰিবলৈ নাযাও। মীন বিভাগৰ কৰ্মকৰ্তা সকলে জমিদাৰ সকলৰ লগত যোগাযোগ চলাই ৰাখে। দুখীয়া অনুসূচীত মানুহৰ নামত সমবায় গঠন কৰি ধনী মানুহে পট্টা লৈ বেনামী ভাবে চলাই আছে। এই মিন মহল বিলাকৰ পৰা হাজাৰ হাজাৰ টকা লোট কৰি আছে। আজি আমাৰ দেশত এনেকুৱা অৱস্থাৰ সৃষ্টি হৈছে। মাছ দুখীয়া মানুহৰ আপুৰুগীয়া খাদ্যৰ দৰে হৈছে। বজাৰত ভাল মাছৰ কেজি ১৫।১৬ টকা। আনকি সৰু সৰু মাছৰ ৭।৮ টকা কেজি হৈছে। আজি মিন মহল বিলাকে যি বিলাক দুৰ্নীতি চলাইছে সেই দুৰ্নীতিৰ ফলতেই আজি বজাৰত মাছৰ দাম ইমান হ'ব পাৰিছে। মাছ আজি ধনী মানুহৰ খাদ্যত পৰিণত হৈছে। দুখীয়া মানুহৰ পক্ষে মাছ খোৱা একেবাৰেই অসম্ভৱ হৈ পৰিছে। এইবিলাক বিষয়ত চৰকাৰে দৃষ্টি নিক্ষেপ কৰিবলৈ আহ্বান জনাই, কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীসোনেশ্বৰ বৰা—উপাধ্যক্ষ মহোদয়, কৃষি আৰু মীনৰ সম্পৰ্কত যিটো কৰ্তন প্ৰস্তাৱ আহিছে সেইটোৰ মই সমৰ্থন জনাইছো। কৃষি বুলিলে আমি সাধাৰণতে খাদ্য বস্তুকে বুজো। কৃষি আৰু কৃষক এই দুয়োটা অঙ্গা-অংগী বস্তু। কৃষি কৰিবলৈ যেনেকৈ মাটি, পানী, সাৰ, সঁচ, সৰঞ্জাম আদিৰ প্ৰয়োজন, ঠিক তেনেকৈ কৃষি দপ্তৰৰ লগতে যদিও এটা দপ্তৰ কৰি দিয়া হৈছে সম্প্ৰসাৰণ সুবিধাৰ কাৰণে ইয়াৰ লগত কেইবাটাও অঙ্গা-অঙ্গী হৈ আছে। জলসিঞ্চন কৃষিৰ ক্ষেত্ৰত, স্বাস্থ্য পৰিবহন, শিক্ষা এই বিষয় বিলাক আৰু এনেকুৱা বহুতো বস্তু, বহুতো দপ্তৰ কৃষি আৰু কৃষকৰ বিষয়ৰ লগত সামঞ্জস্য থকা বাঞ্চনীয়। কৃষিৰ উন্নয়ন বা কৃষকৰ উন্নয়নৰ বিষয়ে আলোচনা কৰিবলৈ গ'লে বহুতো বিষয় আলোচনা কৰিব লাগিব। আমি সাধাৰণতে বিষয় বস্তু বিলাক আলোচনা সমালোচনা কৰিলে, দুৰ্নীতিৰ বিষয়ে আলোচনা কৰিলে মন্ত্ৰী সকলে সাধাৰণতে এটা সমাধান দিয়ে। এই বিলাক অসত্য, এই বিলাক অমূলক, এই বিষয়ে তেখেত সকলে নাজানে আদি। যি সকল কৰ্মচাৰীক লৈ দেশৰ শাসন যন্ত্ৰ চলাইছে, এই ধৰণৰ মন্ত্ৰীয়ে আমাক দিয়া উত্তৰ বিলাক শুনি গেলেৰিৰ পৰা হাঁহে, কাৰণ তেখেত সকলে ভাবে

---
*Speech not corrected.

যে আমাৰ কাৰণে বুকু পাতি দিবলৈ মন্ত্ৰী আছে। তেখেত সকলে ভাবে যে কেইজনমান বিৰোধী পাৰ্টিৰ সদস্যই বকি বকি কি কৰিব? খবৰৰ কাগজ, ৰেডিঅ' আদিত প্ৰকাশ পায় অমুক মন্ত্ৰীয়ে অমুক বিৰোধী পাৰ্টিৰ সদস্যৰ দাবী খণ্ডন কৰিছে। এই ধৰণে আমাৰ বিধান সভা আবহমান কালৰে পৰাই চলি আহিছে। মই প্ৰথমতে এটা কথা কব খুজিছো যে মূৰ্খই একো নেদেখে। জ্ঞানীয়ে সকলো দেখে।

মই সেইকাৰণে এষাৰ কথা কৈছিলো যে "জ্ঞানীক বুজাবা থাৰে-চিয়াবে আৰু মূৰ্খক বুজাবা মাধমাৰে"। জ্ঞানী মানুহে একো নেদেখে। এই খিনিতে মই এটা গল্প কব খুজিছো"—এক ৰজা আছিল, সেই ৰজা অতি বিলাসী, তেওঁ ৰাজভড়ালৰ অনেক ধন অপচয় কৰিছিল। কিন্তু তেওঁ দুখী দৰিদ্ৰ প্ৰজাৰ ধনেৰে ভৰপুৰ ৰাজভড়ালৰ ধনৰ অপচয়ৰ কথা নুবুজে বা নাভাবে। এনেতে এদিন এজন খলিফা আহিল, তেওঁ ৰজাক জনালে যে তেওঁ অতি ধুনীয়া ধুনীয়া আৰু বিতোপন সাজপাৰ তৈয়াৰ কৰিব পাৰে। তেতিয়া বিলাসী ৰজাই ক'লে যে এইটোতো অতি উত্তম কথা। ধুনীয়া সাজপাৰ বনাবৰ কাৰণে ৰজাই খলিফাক অনেক ধন দি বিদায় দিলে। খলিফাই সাজপাৰৰ সলনি এটা প্ৰকাণ্ড অট্টালিকা বনালে। পিছত ৰজাৰ ওচৰলৈ আহি ৰজাক জনালে যে তেওঁৰ বাবে সাজপাৰ তৈয়াৰ কৰা হ'ল আৰু ৰজাই গৈ সাজপাৰ পিন্ধি খলিফাক কৃতজ্ঞ কৰিব লাগে নতুবা মন্ত্ৰী আদি কৰি কাৰোবাক সেই সাজপাৰ চাই আহিবলৈ পঠিয়াব লাগে। লগতে খলিফাই ৰজাক এই কথাও ক'লে যে তেওঁ যি সাজ-পাৰ তৈয়াৰ কৰিছে সেই সাজ-পাৰ কেৱল জ্ঞানী লোকেহে দেখা পাব, মূৰ্খই নহয়। এতিয়া প্ৰশ্ন হ'ল সেই সাজ-পাৰ চাবলৈ যায় কোন? মন্ত্ৰীৰ পৰা আৰম্ভ কৰি পিয়নলৈকে কোনো যাব নোখোজে, কাৰণ প্ৰত্যেকেই ভাবে যে মই মূৰ্খ গ'লে নেদেখিম আৰু ৰজাক আহি কি বুলি কম। নাই দেখা বুলি ক'লে ৰজাই শাস্তি দিব। তেতিয়াহে আচল ভেকো ভাওনা ওলাই পৰিব, অৱশেষত এজন তলৰ কৰ্মচাৰীক ৰজাৰ বাবে তৈয়াৰী পোচাক চাবলৈ পঠালে। তেওঁ গৈ দেখে যে সেই অট্টালিকাত কোনো সাজ-পাৰ নাই, তেতিয়া তেওঁ ভাবিলে যে তেওঁ মূৰ্খ বাবে হয়তো

*Speech not corrected.

তাত কোনো পোচাক দেখা নাই কিজানি। তেওঁ আহি ৰজাক ক'লেহি যে তেওঁ ধুনীয়া সাজ-পাৰ তাত দেখি আহিছে। তাৰ পিছত তেওঁতকৈ ওপৰৰ এজন চাবলৈ গ'ল, তেওঁ গৈ তাত কোনো পোচাক নেদেখি ভাবিলে যে তেওঁ মূৰ্খ বাবেই হয়তো দেখা নাই। নহলেৰা আগৰজনে দেখিলে কেনেকৈ? তেৰোঁ আহি ৰজাক ধুনীয়া পোচাক দেখি অহা বুলিয়েই ক'লেহি। তাৰ পিছত মন্ত্ৰী গ'ল, আৰু মন্ত্ৰীয়েও আগৰ দুজনৰ দৰেই আহি ৰজাক ধুনীয়া পোচাক আছে বুলিয়েই ক'লেহি। শেষত ৰজাই ধুনীয়া সাজ-পাৰ পৰিধান কৰিবলৈ হাতীয়ে দোলাই দলদোপ হেন্দোলদোপ কৰি গ'ল। গৈ ৰজাই দেখিলে যে তাত কোনো সাজ পাৰ নাই। কিন্তু ৰজায়ো আচল কথাটো কবলৈ ভয় পালে কাৰণ আগতেই কোৱা আছিল যে জ্ঞানীয়েহে সেই পোচাক দেখা পাব। তেতিয়া ৰজাই ভাবিলে যে তেওঁ মূৰ্খ কাৰণেই হয়তো দেখা পোৱা নাই, নহ'লেনো কৰ্মচাৰী, মন্ত্ৰী আদিয়ে কেনেকৈ দেখা পালে? গতিকে ৰজাই খলিফাক দেখিছো বুলিয়েই ক'লে। এতিয়া আহিল ৰজাৰ পোচাক পিন্ধাৰ পাল। খলিফাই ৰজাৰ সমস্ত কাপোৰ-কানি খুলি নতুন পোচাক পিন্ধাবলৈ লৈ গ'ল। কিছু সময়ৰ পিছত ৰজাক সোধা হ'ল যে পোচাক তেওঁ ধুনীয়া দেখিছে নে নাই? উত্তৰত ৰজাই ধুনীয়া বুলি ক'লে আৰু লগতে আন আন সকলোৱেই ধুনীয়া বুলি ক'লে। কাৰণ নাই দেখা বুলি ক'লে হয়তো ৰজাই শাস্তি দিব। নাই দেখা বুলি কবলৈ কাৰো সাহস নহ'ল। অৱশেষত ৰজাই নাঙঠ হয়েই ৰাজেশ্বৰীৰ ওচৰলৈ দোলাই খাতোলাই আহিল, ৰজা অহা হাতীটো আমাৰ বন বিভাগৰ মন্ত্ৰীৰ হাতীতকৈয়ো ডাঙৰ আছিল। প্ৰজা চিপাহী চন্তৰী কোনেও ৰজাক নাঙঠা ৰজা বুলি ক'বলৈ সাহ নকৰিলে। কিন্তু কেইটামান ফুকলীয়া ল'ৰাই কবলৈ আৰম্ভ কৰিলে ৰজা নাঙঠা, ৰজা নাঙঠা। এই দৰেই নাঙঠ ৰজা আহি ৰাজেশ্বৰীৰ ওচৰ পালেহি।

ঠিক একেই হৈছে আজি আমাৰ বিভাগ বোৰৰ কথা। ওপৰৰ পৰা তললৈকে কোনেও আজি অন্যায়, দুৰ্নীতি নেদেখে। মণ্ডলে টকা খাই তাক কোনেও নেদেখে। ফিচাৰী বিভাগে টকা খাই তাক নেদেখে, কৃষি বিভাগত টকাৰ অপচয় হোৱাৰ কথা কোনেও নকয়। কৃষি মন্ত্ৰীয়ে উৱা-

*Speech not corrected.

জাহাজেৰে খেতিৰ পথাৰত ঔষধ চতিয়াই কিমান পোক মাৰিলে, কৃষকৰ তাৰ পৰা কিমান উপকাৰ হ'ল সেয়া তেখেতে নিজেই জানে। কিন্তু আজি খেতিয়কৰ আচল জটিল সমস্যা হৈছে কি? আচল সমস্যা হৈছে মাটিৰ সমস্যা, এইটো আজি আটাইতকৈ জটিল আৰু জয়াৰ সমস্যা হৈ পৰিছে।

আজি ভাৰতবৰ্ষৰ ১ কোটি ২৭ লাখ মানুহৰ ভিতৰত ১ কোটিতকৈয়ো বেছি মানুহ খেতিয়ক। আজিযে শতকৰা ৫০ ভাগ খেতিয়ৰেই তল পৰি আছে, চৰকাৰৰ কোনো সুবিধা পোৱা নাই সেই কথা ক'বলৈ চৰকাৰৰ সাহস নাই, সুব্যৱস্থা, ভাল সত মনোবৃত্তি আৰু চিন্তাৰ যেনেকৈ অভাৱ তেনেকৈ অধ্যয়ন আৰু চৰ্চাও আমাৰ চৰকাৰৰ নাই। আমেৰিকাৰ শতকৰা ১১ জন খেতিয়ক, ১১ জন খেতিয়কে খেতি কৰি নিজে খোৱাৰ উপৰিও ভাৰতবৰ্ষৰ নিচিনা দেশ এখনলৈ হেজাৰ হেজাৰ টন খাদ্য পঠিয়াব পাৰে। ৰাচিয়ালৈ লাখ লাখ টন খাদ্য যায়, আৰু যায় চীনলৈ। ভিয়েটনামৰ যদি খাদ্য থাকিলে হেঁতেন তেন্তে ভিয়েটনামৰ যুদ্ধৰ আৱশ্যক নহ'লহেঁতেন। আমেৰিকাৰ কেইজনমান মুষ্টিমেয় মানুহে খেতি কৰিয়েই দেশ-বিদেশলৈ পঠিয়াব পাৰে। জাপানী পদ্ধতিৰে খেতি কৰিবলৈ বক্তৃতা দি অহা হৈছে, কাগজে-পত্ৰই, ৰেডিঅ'ত জাপানী পদ্ধতিৰে খেতি কৰাৰ প্ৰণালী প্ৰচাৰ কৰি অহা হৈছে। আমেৰিকাত শতকৰা ১১ জন লোকে খেতি কৰে, প্ৰশ্ন হয় তেওঁলোকৰ মাটি কিমান আৰু কেনেকুৱা? কেনেকুৱা যন্ত্ৰ পাতি খেতিত লগোৱা হয়? আজি আমেৰিকাত খাদ্য বস্তুৰ দাম কমাব নোৱাৰে, কাৰণ দাম কমিলে উৎপাদন কমি যাব। খাদ্য বস্তু বেছি হলে সাগৰত পেলাই দি হলেও দামৰ ভাৰ সাম্য ৰক্ষা কৰি অহা হৈছে। জাপানত উৎপাদিত চাউল সাগৰৰ মাছক খাবপ্ৰল দিয়া হয়। চাউল বজাৰত উপচি পৰিলে দাম কমি যাব, গতিকে সেই দেশত চাউল সাগৰৰ মাছক খুউৱা হয়, নতুবা তাৰ পৰা প্ৰসাধনৰ সামগ্ৰী তৈয়াৰ কৰা হয়। ভাৰতবৰ্ষৰ চাউলৰ দামৰ কথা আমি কওঁ, খেতিয়কক বেছি দাম দিলে দৰমহা পোৱা কৰ্মচাৰীয়ে খাব কি? কিন্তু কথা সেইটো হব নোৱাৰে। কৃষকৰ সমস্যাৰ ওপৰত যথেষ্ট উপযুক্ত মূল্য দিব লাগে, খেতিয়কে উপযুক্ত মূল্য পাব লাগে। খাদ্যৰ মূল্য নিয়ন্ত্ৰণ কৰিলে উৎপাদন

*Speech not corrected.

হ্রাস পাব। আজি এক কিলো মুগ দাইলৰ দাম তিনি টকা, কিন্তু এক কিলো চাউলৰ দাম ১'৬০ টকা বা দুটকা। আজি আমাৰ দুখীয়া খেতিয়কে উৎপাদন কৰা বস্তুকে কৰ্মচাৰী সকলে, ব্যৱসায়ী সকলে খাবলগীয়া হৈছে। আজি বাজেট অধিবেশন চলি আছে, আমি ইয়াত বহি আছো, এই অধিবেশনতে কৃষকৰ কাৰণে অধিক টকা ধৰিব লাগিব আৰু খেতিয়কৰ উৎপাদিত বস্তুৰ মূল্য অন্যান্য বস্তুৰ দামৰ লগত সমতা ৰক্ষা কৰি বজাৰত বস্তুৰ মূল্য নিৰ্ণয় কৰিব লাগিব। দুৰ্নীতি, .... .... উৎপাদন আদিৰ সমতা ৰক্ষা কৰিব লাগিব।

মিঃ ডেপুটি স্পীকাৰ—আপোনাক আৰু কিমান সময় লাগিব?

শ্ৰীসোনেশ্বৰ বৰা—১৫-২০ মিনিটমান লাগিব।

মিঃ স্পীকাৰ—মধ্যাহ্ন আহাৰৰ বাবে স্থগিত।

শ্ৰীসোনেশ্বৰ বৰা—মাননীয় উপাধ্যক্ষ মহোদয়, এসময়ত শস্য শস্যৰে নদন বদন অসম আজি লাও টোকোনাত পৰিণত হ'ল। অপৈনত কৃষি বিষয়া, অপৈনত মন্ত্ৰীৰ হাতত এই কৃষি যে বাঢ়িব তাক আমি আশা কৰিব নোৱাৰো। মহোদয়, আমেৰিকা বা জাপানত কৃষি বঢ়াৰ এটা বক্তৃতা (ৰেদিমেদ') আমাৰ নেতাসকলে বা মন্ত্ৰীসকলে আমাৰ গাঁৱলীয়া ৰাইজৰ আগত দিয়ে। এই বক্তৃতাৰ মূল তথ্য হ'ল এই যে অসমত শতকৰা ৮০ জন মানুহে খেতি কৰি খাবলৈ নাপায় আৰু আমেৰিকাত শতকৰা মাত্ৰ ১১ জন মানুহে খেতি কৰে আৰু সেই শস্যৰে নিজেও খায় আৰু আনকো খুৱায়। আনহাতে অসমত শতকৰা ৮০ জন মানুহে খেতি কৰে। যদি ১ কোটিৰো অধিক মানুহ খেতিয়ক হয় তেন্তে অসমত অকল যে, কৃষি সম্পদেই বাঢ়িলেহেঁতেন এইটো নহয়, ইয়াত বাঢ়ি অহা নিবনুৱা সমস্যাও সমাধান হ'লহেঁতেন। কিন্তু চৰকাৰে পৰ্য্যবেক্ষন কৰিবলৈ পাহৰি গৈছে যে আচলতে প্ৰকৃত খেতিয়কৰ সংখ্যা সেইটো নহয়। খেতিৰ ওপৰত বৰ্ত্তি থকা পৰিয়ালৰ সংখ্যা অৱশ্যে ৮০ জন হয়। কিন্তু সেই ৮০ জন খেতিয়ক নহয়। গতিকে উৎপাদন যদি বঢ়াবলগীয়া হয় মই ইয়াৰ আগতেও কৈছো, আৰু এতিয়াও কওঁ যে. কৃষিজাত দ্ৰব্যৰ মূল্য কোনো ৰকমে কমিব নোৱাৰে। এই খেতিয়ক সকলে কৃষিজাত দ্ৰব্য বিক্ৰি কৰি বজাৰৰ পৰা তেওঁলোকৰ

*Speech not corrected.

দৈনন্দিন আৱশ্যকীয় শিল্পজাত দ্রব্য কিনি খাব লাগে। অথচ সেই শিল্পজাত দ্রব্যৰ জুই-চাই দাম। যাতে খেতিয়ক সকলে কৃষিজাত দ্রব্যখিনি বিক্রী কৰি শিল্পজাত দ্রব্য কিনিব পাৰে সেই হিচাবে এই দুয়োটা মূল্যৰ সামঞ্জস্য ৰাখিব লাগে। তেতিয়া হ'লেহে খেতিয়ক সকলক সৰহ শস্য উৎপাদন কৰাত উৎসাহ উদ্দীপনা যোগোৱা হয়। এইখিনিতে কব পাৰি যে, চৰকাৰী বিষয়া সকলৰ কাৰণে খাদ্যদ্রব্যৰ দাম কমাই ৰখা হয় কিন্তু খাদ্য দ্রব্যৰ দাম বৃদ্ধি কৰিলেও আৱশ্যক হ'লে আমি বাজেটত টকা ধৰিও অন্যান্য বিষয়া সকলক সাহায্য কৰাৰ এটা নীতি চৰকাৰে ৰাখিছে। গতিকে মই এইটোকে ন দি কওঁ যে দাম বাঢ়িলেহে উৎপাদন শক্তি বাঢ়িব আৰু তেতিয়াহে উৎপাদন বাঢ়িব। মহোদয়, মই নিজেই ১১ বছৰ বয়সৰ পৰা খেতি কৰিছিলো। মই যেতিয়া নিচেই সৰু ল'ৰা আছিলো তেতিয়া বুঢ়া দেউতাই পথাৰলৈ হালখন দাঙি নি গৰু জুটি দিয়ে আৰু মই হাল চলাই যাওঁ। গতিকে সেই বয়সৰ পৰা মই কৃষি কামত লাগি আছো। সেইদিনত আমি ১২ অনা মোনত ধান বিক্রী কৰিছো, গতিকে খেতিৰ ফচল বিক্রী কৰি উচিত মূল্য পালে খেতিয়ক কিমান উৎসাহিত হয় সেইটো মই ভালকৈ জানো। গতিকে চৰকাৰে ৰাজকীয় ভাবেই হওঁক বা নীতিগত ভাবেই হওঁক বা চৰকাৰী ভাবেই হওঁক উচিত মূল্য নির্ধাৰণ কৰিব পাৰিব লাগিব।

শ্রীগজেন তাঁতী ( মন্ত্রী )—মাননীয় সদস্যৰ জ্ঞাতার্থে মই জনাব খুজিছো যে, অহা খাৰিফ বতৰৰ পৰা ধানৰ মূল্য কুইণ্টলত ৬৩ টকা হ'ব।

শ্রীসোনেশ্বৰ বৰা—উপাধ্যক্ষ মহোদয়, কেইদিন মানৰ আগতে কেন্দ্রত বহা মন্ত্রী সকলৰ সন্মিলনত ধানৰ দাম সম্পর্কে হোৱা আলোচনাৰ কথা ৰেডিঅ' আৰু অসমৰ বাতৰি কাকততো শুনিছো আৰু দেখিছো। কিন্তু মোৰ বোধেৰে এই দামো পর্য্যাপ্ত হোৱা নাই। কিয়নো খেতিয়কে এই ধান বিক্রী কৰিয়েই তেওঁলোকৰ পৰিয়ালৰ ভৰণ-পোষণৰ উপৰিও শিল্পজাত দ্রব্যৰ দাম দিনক দিনে চৰি গৈছে। ধানৰ দাম বৃদ্ধি কৰাতো, বজাৰৰ অন্যান্য বস্তুৰ দামৰ লগত সামঞ্জস্য ৰখাতো এটা অবিচ্ছেদ্য কথা। এই কথাকেই আমাৰ চৰকাৰে কাহানিও উপলব্ধি কৰিব পৰা নাই। মই

*Speech not corrected.

বাৰে বাৰে কৈছো যে, আজি ৬৩ টকাই নহয় ধানৰ দাম আৰু বাঢ়িব লাগে। হয়তো অসম চৰকাৰে কব যে মূল্য নিৰ্ণয় কৰাতো হৈছে কেন্দ্ৰীয় চৰকাৰৰ কাম। ৰাজ্যিক চৰকাৰৰ নহয়। কিন্তু এইটোও এটা ৰাজ্যিক চৰকাৰৰ অজ্ঞতা যে স্থানীয় আৱশ্যকীয় কথা বিলাক কেন্দ্ৰীয় চৰকাৰক বুজাই দি পৰিস্থিতি অনুসাৰে কেন্দ্ৰৰ পৰা কাম আদায় কৰাতো ৰাজ্য চৰকাৰৰ কৰ্তব্য আৰু সেইয়ে ৰাজ্য চৰকাৰৰ কৰ্মদক্ষতা। অসমৰ মানুহৰ নাৰীৰ কথা, প্ৰাণৰ কথা, বতৰৰ কথা কেন্দ্ৰীয় চৰকাৰক বুজাই দি কাম আদায় কৰিবৰ কাৰণেই ৰাজ্যিক চৰকাৰ গঠন কৰা হৈছে।

উপাধ্যক্ষ মহোদয়, এতিয়া মই মেকানাইজ কালটিভেচন সম্পৰ্কত দুষাৰ কব বিচাৰিছো। বৰ্তমানে চৰকাৰে যন্ত্ৰৰ দ্বাৰা, কল-কাৰখানাৰ দ্বাৰা, বৈজ্ঞানিক পদ্ধতিৰ দ্বাৰা কৃষি কৰ্ম সম্পন্ন কৰাৰ কথা তুলিছে। আৰু কৈছে যে, ইয়াৰ দ্বাৰা অসম ৰাজ্য শস্যৰে নদন-বদন হ'ব। কিন্তু ইয়াৰ বিপৰ্য্যয়ৰ ফালটো চৰকাৰে আলোচনা-বিলোচনা কৰিবলৈ অক্ষম হৈ আছে। মইও কওঁ যে বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰিলে কম সংখ্যক মানুহ নিয়োগ কৰিলেই হ'ব, হয়তো খেতিও ভালেই হ'ব কিন্তু চৰকাৰে এটা কথালৈ আওকান কৰি আছে সেইটো কথাটো হৈছে আমাৰ দেশৰ নিবনুৱা সমস্যা। বৈজ্ঞানিক পদ্ধতি নিয়োগ নকৰোতেই নিবনুৱা সমস্যাই চৰকাৰক জলা-কলা কৰিছে। আজি নিবনুৱা সমস্যা সমাধান কৰাত চৰকাৰ ব্যৰ্থ হৈছে। এনে এটা অৱস্থাত আৰু কিছুমান মানুহক যদি পথাৰৰ পৰা বাহিৰ কৰি দিয়া হয় ৰাজ্যৰ নিবনুৱা সমস্যা বাঢ়িবনে কমিব? মহোদয়, আজি চৰকাৰে কৈ আছে যে গাঁৱলৈ ফিৰি যাব লাগে। কৈছে যে এইটো মহাত্মা গান্ধীয়ে কৈ যোৱা বুলি চিঞৰিছে। কিন্তু প্ৰকৃত পক্ষে আমি কি দেখিছো। আজি গাঁৱত ডেকা ল'ৰা নাই। সকলো বিলাকে আহি চহৰত ভৰি পৰিছে। আৰু গাঁৱৰ বুঢ়া-বুঢ়ী কেইটিৰ হাতত মাত্ৰ ৰ'ল নাঙল কেইটি। এই ডেকা সকল আহি পৰৰ মুখাপেক্ষি হৈ পৰিছে। আমি গাঁৱৰ পৰাই সেই গাঁৱৰ ভোট কেইটি লৈ ইয়াত আহি টাউনীয়া হোৱা নাইনে?

আদি যদি হাল বাওতে ট্ৰেক্টৰ, ধান কটিওৱা, ধান মৰা, ধান চপোৱা

*Speech not corrected.

আদিত যন্ত্ৰই ব্যৱহাৰ কৰা হয় তেন্তে এই মানুহ বিলাক খেতিৰ পৰা বাহিৰ হৈ নিবনুৱা সমস্যা নবঢ়াবনে? গতিকে এই যান্ত্ৰিক উপায়েৰে খেতি কৰি চৰকাৰে নিবনুৱা সমস্যা আৰু উৎকট নকৰিবনে? আজি অসমত চৰকাৰে উদ্যোগ প্ৰতিষ্ঠা কৰিব পৰা নাই। য'ত এই শিক্ষিত আৰু অশিক্ষিত ডেকা আৰু গাভৰু শক্তি নিয়োগ কৰিব পাৰে, সেই সুবিধা এই চৰকাৰে আজিলৈকে দিব পৰা নাই। গতিকে যি কোনো প্ৰকাৰেই হওঁক, আমাৰ ডেকা শক্তিক উৎপাদনৰ কামত লগাবই লাগিব। তেতিয়াহে সকলো কাম চিজিল হ'ব।

উপাধ্যক্ষ মহোদয়, তাৰ পিছত মই অলপ অসমৰ ঘেহু উৎপাদনৰ কথা কওঁ। আজি অৱশ্যে অসমত ঘেহুৰ চাহিদা ক্ৰমে বৃদ্ধি হৈছে। আগতে যি সকলে ভাত খাইছিল সেই সকলেও কিছু পৰিমাণে আটা খোৱাৰ আৰম্ভ কৰিছে। কিন্তু চৰকাৰে এটা কথা একেবাৰে পাহৰি গৈছে যে পাঞ্জাৱ, হাৰিয়ানা, বিহাৰ আদিৰ লগত অসমৰ ৰতৰৰ কোনো সামঞ্জস্য নাই। আৰু যি ঘেহু পাঞ্জাৱ আদিত হ'ব সেই পৰিমাণ ঘেহু অসমত হ'ব নোৱাৰে। অসমত ঘেহু হ'ব বুলি কৈ থাকে, অলপ-অচৰপ বাঢ়িব পাৰে। আজি চৰকাৰে ক'ব পাৰে যে ৰাইজৰ খেতি বাঢ়িছে কিন্তু প্ৰকৃততে সেইটো নহয়। অসমৰ মাটি, অসমৰ পানী, অসমৰ বতৰ পাঞ্জাৱ আদিৰ নিচিনাকৈ ঘেহু খেতিৰ কাৰণে উপযুক্ত হ'ব নোৱাৰে। ঘেহুৰ যিটো বতৰ লাগে সেইটো হ'ল—মাৰ্চ, আৰু এপ্ৰিলত খৰাং বতৰ লাগে। এই দুমাহত অসমত খৰাং বতৰ নহয়। মই নিজেও ১৯৭২-৭৩ চনত ঘেহু খেতি কৰি চাইছো, কিন্তু কাটিবৰ সময়ত বৰষুণ অহা কাৰণে ঘেহু চপাব নোৱাৰাত গোটেইখিনি ঘেহু নষ্ট হ'ল। ঘেহু মৰাৰ বতৰ আমি আহাৰ শাওনলৈকে নাপালো। গতিকে ঘেহু খেতিৰ কাৰণে অসমৰ চৰকাৰ আৰু বিষয়া সকল বলিয়া হোৱা উচিত নহয়। ঘেহু এটা আংশিক খেতি বুলিহে ললে উচিত হ'ব। অৱশ্যে আমাৰ চৰকাৰৰ উদ্দেশ্য বেলেগ। আজি ৰাজধানীত থকা বিষয়া সকলৰ ঘৰৰ সন্মুখত নানা ৰকমৰ সাৰ দি দুবৰি বন আৰু কেঁএগা বন ঠায়ে ঠায়ে ৰোৱা হৈছে। দুবৰি আৰু কেঁএগা বনৰ ঠাইত গোমধান সিঁচি দিয়া হ'লেও লাভ হ'লহেঁতেন।

*Speech not corrected

এনেকৈয়ে উলু খেৰৰ সিয়ৰি বচাৰ কাৰণেই নন্দ বংশৰ শেষৰ ৰজা জনক খেদাই ৰাজনীতিজ্ঞ মন্ত্ৰী চাণক্যাই চন্দ্ৰগুপ্তক মগধৰ ৰাজ পাটত বহুৱালে। সেই একে ধৰণেই অসমৰ শ্ৰীশৰৎ সিংহই নানা ধৰণৰ সাৰ প্ৰয়োগ কৰি কেঞ্চা আৰু দুবৰি বনৰ খেতি কৰিছে। আৰু অনাহকতে সাৰ আদিৰ অপচয় কৰিছে।

( আছে গৰু নাৰায় হাল, হোৱাত কৰি নোহোৱাই ভাল )

উপাধ্যক্ষ মহোদয়, এইখিনিতে মই কৃষিৰ লগত সম্পৰ্ক থকা ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ কথা দুটামান উল্লেখ কৰিব বিচাৰো। আজি যদি ব্ৰহ্মপুত্ৰ ঠিকমতে নিয়ন্ত্ৰণ কৰিব পাৰে তেন্তে যিবিলাক মানুহ যি ঠাইৰে আছে তেন্তে সেই ঠাইতে তেওঁলোকৰ সংস্থান হ'ব। কেন্দ্ৰীয় মন্ত্ৰী ডাঃ কে, এল, ৰাওৱে অসমলৈ মাকো মাৰিছেহে মাৰিছে। তাতে আকৌ ইয়াতে আমাৰ মুখ্যমন্ত্ৰীৰ তলতে শ্ৰীকহলি নামৰ এজনক ভাইচ চেয়াৰমেন পাতিছে। সিদিনাখন মাত্ৰ তেখেতে হুংকাৰ চাৰিলে যে, জলসিঞ্চন আৰু বান নিয়ন্ত্ৰণৰ কাৰণে অসমত অভিজ্ঞ ইঞ্জিনিয়াৰ নাই। আমাৰ চৰকাৰে ভাবিলে, হয় নাই। তাৰ পিছত বহুতো খুজি-মেলি পঞ্জাৱৰ পৰা এজন অৱসৰ প্ৰাপ্ত শ্ৰীযতিন্দ্ৰৰ সিং নামৰ এজনক ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ ভাৰ অৰ্পণ কৰিলে। তেখেতে আহি অসমত বান নিয়ন্ত্ৰণ কৰিব। এই ক্ষেত্ৰত মই কওঁ প্ৰত্যেক আঁচনি লওঁতে এটা কথালৈ লক্ষ্য ৰাখিব লাগিব যে আমাৰ ৰাজ্যৰ এই উৎকট নিবনুৱা সমস্যা কেনেকৈ সমাধান কৰিব পৰা যায়। আজি অসমৰ নিবনুৱা ইঞ্জিনিয়াৰ সকলক কাম দিব নোৱাৰে অথচ ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণৰ কাৰণে আনিছে বাহিৰৰ পৰা ইঞ্জিনিয়াৰ। এইবিলাক কথা এই অদূৰদৰ্শী চৰকাৰক কৈ কোনো লাভ নাই। এই চৰকাৰ ইমানেই অদূৰদৰ্শী যে আজি কিছুদিন আগতে ঘোষণা কৰিলে যে এইবাৰ অসমত বানপানী হোৱাৰ কোনো সম্ভাৱনা দেখা নাই।

"গৰুৰ আগত টোকাৰি বায়,
শিং জোকাৰি ঘাহ খায়।"

এই চৰকাৰে আকৌ ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ কৰিবলৈ যায়?

উপাধ্যক্ষ মহোদয়, ফিচাৰি সম্পৰ্কত মই ইয়াকে ক'বলৈ বিচাৰো যে,

*Speech not corrected.

পানীত যেনেকৈ নিমখ পেলালে পোৱা নাযায় ঠিক তেনেকৈয়ে পানীৰ মাছ ক'লৈ যায় সেইটো আমাৰ চৰকাৰে কব নোৱাৰে। ইয়াৰ এটা প্ৰত্যক্ষ উদাহৰণ মই দিছো। চিঠিন নং অ' এ ৫।১৪-৭০-৭১। ১৮৩১-৩৩। ১৬-১২-৭০, এই নং মতে এজন বিষয়াই ১৯৬৮ চনৰ পৰা ৭০ চনৰ ভিতৰত মিন বিভাগত মিছা বিল দি ১২ হাজাৰ ৫০ টকা খাই ধৰা পৰিছে। তাৰে এজন সহকাৰী বিষয়াক যোৰহাটলৈ বদলি কৰিছে আৰু আন এজনক একো কৰা নাই। এই কথাত চৰকাৰে কি ব্যৱস্থা ললে সেইটো জানিলে আমি অলপ জানিব পাৰিম যে চৰকাৰে এই বিষয়ত তৎপৰ হৈছে।

উপাধ্যক্ষ মহোদয়, গাত বল নথকা মানুহেও ভাৰ ভেটি লয়। কৃষি মন্ত্ৰী, কৃষি বিষয়া, কৃষি সঞ্চালক কাৰোৰে কৃষিৰ ওপৰত অভিজ্ঞতা নাই অথচ কৃষি দপ্তৰ লৈছে। আনহাতেদি অসমৰ ১॥ কোটি মানুহৰ জীয়াই থকা প্ৰধান নিবন্ধন হৈছে কৃষি। এইটো এটা গুৰুত্বপূৰ্ণ দায়িত্ব। গতিকে এই বিষয়টো পৰিচালনা কৰিবলৈ হ'লে তেখেতৰ বিভাগৰ সঞ্চালক আৰু চেক্ৰেটৰী সকলৰ ফাইলৰ মেৰ-পাক বুজি পাব লাগিব। তেখেতে যদি ঠিকমতে এই দপ্তৰ চলাব নোৱাৰে, তেন্তে এই দপ্তৰ এৰি দিব লাগিব।

দেশত মানুহ নাইকিয়া হোৱা নাই। কোনোবা ওলাব। গতিকে আমি কামনা কৰিছো তেখেতে যদি এই দপ্তৰটো চলাব নোৱাৰে, এৰি দিয়ক আৰু দপ্তৰটো পুনৰসংগঠন কৰক, নহ'লে কৃষিৰ আৰু কোনো কালে উন্নতি নহয়। মই এটা চমুকৈ উদাহৰণ দিব খুজিছো, মোৰ নিজৰ চোতালৰ কথা। মোৰ ১১০০ টকা দামৰ দুটা হালুৱা গৰু মৰিল। ডাক্তৰক ক'তবাৰ মাতিলো, টেলিফোন কৰিলো কিন্তু গৰুৰ বেমাৰ ধৰিব নোৱাৰিলে—ক'লে : 'গ্ৰাচ পইজন' হ'ল। যোৱা সপ্তাহত আকৌ মোৰ নিজৰ হাল-বোৱা গৰুহাল মৰিব ওলাল। মোৰ ল'ৰাজনে ডাক্তৰক গৈ খবৰ দিলে—মই নিজে এজন বিধান সভাৰ সদস্যৰে এই বিলৈ—সাধাৰণ এজন দুখীয়া খেতিয়ক হ'লে কি হ'লহেঁতেন। ডাক্তৰে ক'লে—ডাক্তৰৰ ঘৰত আলহী আহিছে—বিলাটি মদৰ লগত ডাক্তৰ মছগুল—তেওঁ ওলাই আহি ক'লে—মই এতিয়া যাব নোৱাৰিম—ভি, এফ, এক- লৈ যাওঁক—ভি, এফ,-এ দুজন

*Speech not corrected.

আহিল বেমাৰ ধৰিব নোৱাৰিলে। পিছদিনা ৰাতিপুৱাই ৬ টা বজাত আকৌ ডাক্তৰৰ ঘৰত যোৱা হ'ল—আগদিনা ৰাতি খাই লৈ আৰামচে শুই আছে—তেওঁ ক'লে যে আলহি যোৱাই নাই—ঠিক আছে এওঁলোকক বিদায় দি অলপ পাচত যাম। ১১-১২ বজাত ডাক্তৰ গ'ল—এম, এল, এ,-ৰ বুলিহে চালে—চালে কিন্তু একেই কথা। তাৰ পিছত ল'ৰাজনে ক'লে—বোলে আমাৰ আৰু এহাল গৰুৰ কিবা বেমাৰ হৈছে আপুনি অলপ ৰওক—গৰুহাল এৰি দিছো—২০০ গজমান আতৰত আছে এতিয়াই লৈ আনিছো- তেখেতে ক'লে যে মোৰ সময় নহ'ব মোৰ আলহী যোৱাই নাই বুলি কৈ গুচি আহিলে। মোৰ অফিছাৰ বিলাকৰ বিৰুদ্ধে অভিযোগ কৰিবলৈ মন নাই কিন্তু অফিছাৰ সকলৰ কাৰ্য্যকলাপৰ বিষয়ে কৈছো। কিন্তু মোৰ আজি হয়তো অলপ আছে যাৰ একোৱেই নাই তেওঁৰ যদি এনেদৰে জেঠ মাহত হালৰ গৰুহাল মৰে তেওঁৰ কি অৱস্থা হ'ব পাৰে আপোনালোকে ভাবি চাওঁক। চৰকাৰে হয়তো কব যে আমি কেটল লোন দিম কিন্তু কেটল লোন দিলেই সমস্যাৰ সমাধান নহয়। এই বিভাগৰ লগত পশুপালন বিভাগটোৰ সম্পৰ্ক আছে গতিকে আশা কৰো কৃষিৰ লগত সামঞ্জস্য ৰাখি ভালধৰণৰ চিকিৎসা কৰিবলৈ কৈ মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

শ্ৰীপিতসিং কোঁৱৰ—মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াই কৃষিৰ উন্নয়নৰ কাৰণে আৰু মীন পৰিচালনাৰ কাৰণে যিমান টকা লাগে এই গোটেইখিনি দাবী এই সদনত উত্থাপন কৰিছে আৰু আমাৰ প্ৰধানী চাহাবে কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে। আমি কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি বহুতো কথাই কৈছো কিন্তু কানত সোমাইছে জানো ? অৱশ্যে তেখেতে পাচত ভাবিব যে আমাৰ ৯৫ জন বিধান সভাৰ সদস্যই কোৱা কথাতকৈ এওঁলোকৰ কথাহে ঠিক। কৃষিৰ উন্নতিৰ বিষয়ে বহুতো সমালোচনা আৰু পৰামৰ্শ আগবঢ়োৱা হৈছে কিন্তু উন্নতি হ'লে আজিলৈ দেখা নাই। পৰিবৰ্তন যদি দেখিছে, গধুলি সময়ত আকাশবাণী গুৱাহাটীয়ে যিটো খবৰ দিয়ে সেইটোৰ পৰাহে উন্নতি হোৱা যেন লাগে। আমাৰ কৃষকে যদি খেতি কৰিছে নিজে পাৱাৰ পাম্প কিনি বা নৰ্দমাৰ পৰা পানী তুলি খেতি

*Speech not corrected.

কৰিছে কিন্তু চৰকাৰৰ ফালৰ পৰা পাৱাৰ পাম্পৰ বা জলসিঞ্চনৰ ব্যৱস্থা কৰা নাই। আপোনালোকে নগাওঁলৈ যাওতে দেখিব কপিলী দলং পাৰ হৈ ৰাষ্টাৰ কাষত নিজে পাৱাৰ পাম্প বহুৱাই আই আৰু ৮ বা টাইচুংৰ খেতি কৰিছে—চৰকাৰে সহায় কৰা নাই। বা জনা মানুহে চৰকাৰৰ সুবিধা বিচৰাও নাই। খেতিত পানী যোগানৰ কাৰণে চৰকাৰে পাৱাৰ পাম্প বহুৱাই নিদিয়াৰ কাৰণো আছে—চৰকাৰৰ মতে পাৱাৰ পাম্প বহুৱালে নদীৰ পৰা মাছ ওলাই যায়। পাৱাৰ পাম্প বহুৱাব খোজোতে মহলদাৰ সকলে ক'লে যে মাছ ওলাই গ'লে মন্ত্ৰী মহোদয়ে ক্ষতিপূৰণ দিব লাগিব। ক্ষতিপূৰণ দিয়াৰ ভয়তে মন্ত্ৰী মহোদয়ে নদীত পাৱাৰ পাম্প বহুৱাব নিদিয়ে। কিন্তু খৰালী কালত নদীত পাৱাৰ পাম্প বহুৱালে মাছ ওলাই যোৱা কথাটো জানো সম্ভৱপৰ? এই ভয়তে ৰবি শস্যৰ কাৰণে নদীত পাৱাৰ পাম্প বহুৱা নহ'ল। নগাওঁ মহকুমাত পাৱাৰ পাম্প চলি আছে—মাছ ওলাব বুলি আমি তালৈ গৈছিলো কিন্তু উপাধ্যক্ষ মহোদয় মাছ তাত নোলাল। এই মাছ ওলাই যাবৰ ভয়তে আৰু মহলদাৰ সকলক ক্ষতিপূৰণ দিব লাগিব বুলিও মৰিগাওঁ মহকুমাত মন্ত্ৰী মহোদয়ে পাৱাৰ পাম্পৰ দিহা কৰা নাই।

তাৰ পাচত এটা কথা, অতিৰিক্ত কৃষি উৎপাদনৰ কাৰণে চৰকাৰে আঁচনি লৈছে। তাত বোলে কৃষি বনুৱা সকলে কাম কৰিব। কৃষি বনুৱা আৰু আমাৰ প্ৰকৃত খেতিয়ক সকলে খেতি কৰিব এই বুলি চৰকাৰে ধাক ঢোল কোৱালে। তাৰ পিচত আৰু কৃষি বনুৱা নোলোৱা হ'ল। তাৰ পিচত ৰাজহ মন্ত্ৰী ডাঙৰীয়াই নতুন নিয়ম কৰিলে। সেই নিয়ম মতে কৃষক বনুৱাৰ চাউল ওকলিল। এই নিয়ম মতে কৃষি নিগম পাতিলে, এই নিগমৰ লগতেই মানুহ বিলাক নিগমে মৰিল। তাৰ পিচত শিক্ষিত নিবনুৱা কিছুমানক মাটি দিয়াৰ কথা উঠিল। নগাঁৱৰ ডেপুটি কমিচনাৰে শ্ৰীত্ৰিপাঠীয়ে কিছুমান শিক্ষিত নিবনুৱাক ১০।১৫ বিমাকৈ মাটি দিয়াৰ কথা হৈছিল। কিন্তু যিবিলাক মাটি তেওঁ দিবলৈ বিচাৰিছিল সেই মাটি বিলাকত অন্যান্য মানুহে ফচল কৰি আছে। গতিকে সেই মানুহ বিলাকৰ লগত হাই কাজিয়া সৃষ্টি হোৱাৰ ফলত শিক্ষিত নিবনুৱাই মাটি নাপালে। এই

*Speech not corrected.

নিবনুৱা সকলৰ ভিতৰত ক্লাচ চেভেনলৈ পঢ়া মানুহো আছে। যদিও বি, এ, পাচ মানুহক শিক্ষিত নিবনুৱা বুলি ধৰা হৈছিল। চৰকাৰে যি ৭৬ জন শিক্ষিত নিবনুৱা কৃষক বনুৱা আদিৰ কথা কৈ শস্য উৎপাদন কৰাৰ কথা ভাবিছিল সেইটো দিঠকত পৰিণত নহ'ল।

তাৰ পাচত মই মাছৰ মহলৰ কথালৈ আহো। এই ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে ইয়াতো মীন নিগম কৰিবলৈ চৰকাৰে লিষ্ট কৰিছে। এই লিষ্টত ৬ লাখ মান মাছ মৰা মানুহ আছে বুলি জনা গৈছে আৰু সেই বিলাকৰ ভিতৰত অধিক সংখ্যকেই বিহাৰী মানুহ। আমাৰ চৰকাৰে যদি আমাৰ স্থানীয় মাছ মৰা মানুহৰ সংখ্যা ঠিক কৰি লব নোৱাৰে তেনেহলে এই নিগমত বাহিৰা মানুহে বেচি ঠাই পাব আৰু আমাৰ মানুহ ইয়াৰ পৰা বঞ্চিত হব অৰ্থাৎ মাছ মাৰিবলৈ সুবিধা নাপাব। এইটো দেখা গৈছে যে আমাৰ ইয়াত মাছ মাৰি জীৱন নিৰ্বাহ কৰা সকলে সেই বৃত্তি পঞ্চায়ত স্থাপনৰ লগে লগে এৰি দিছে।

তাৰ পিছত আৰু এটা কথা যুবক কংগ্ৰেছ বুলি এটা অনুষ্ঠান গঠিত হৈছে তেওঁলোকে গাঁৱে গাঁৱে গৈ মিটিং কৰি মহিলা সকলক মাছ মাৰিবলৈ উচতাই দিছে। তাৰ ফলত এই দুখীয়া মানুহ বিলাকে মাছ মাৰিবলৈ গৈ মহলদাৰ বিলাকৰ লগত কাজিয়া কৰিব লগীয়া হৈছে। মৰিগাওঁ মহকুমাত মহিলা সকলে দিনে দিনে প্ৰচেচন কৰিব লাগিছে আৰু তেওঁলোকে মাছ মাৰিব পৰা যিবিলাক চৰকাৰী বিল আছে সেই বিলাক চৰকাৰী কৰি দিব লাগে। মায়ঙতো একেই অসুবিধাৰ সৃষ্টি হৈছে। চৰকাৰে মীন মহল যিমানেই উন্নতি কৰিবলৈ গৈছে সিমানেই মাছৰ অভাৱ বাঢ়ি গৈছে আৰু যিবিলাক সৰু সুৰা বিল খাল আছিল আগতে য'ত মাছ কিনি খাব নোৱাৰা সকলে মাছ মাৰি খাইছিল সেই বিল বিলাকো এতিয়া পঞ্চায়তৰ জৰিয়তে ডাকত বিক্ৰী কৰা হৈছে। আৰু তাৰ পৰা জনসাধাৰণৰ বিশেষ অসুবিধা হৈছে। এই অসুবিধা বিলাকলৈ চৰকাৰে বিশেষ ভাৱে মনোযোগ দিব লাগে। মীন মহল উন্নয়ন কৰাৰ নামত কিছুমান মেটেকা আদি থকা ফিচাৰি অতি কম মূল্যত পঞ্চায়ত বিলাকে ডাকত দিছে আৰু এই বিল বিলাকৰ এই মেটেকা বিলাক চফা কৰাৰ

*Speech not corrected.

কাৰণেও মহলদাৰে পইচা পায়। আৰু মাছ বিক্ৰী কৰিও পইচা পাইছে। তাৰ ফলত চৰকাৰৰ ৰাজহ কমিছে আৰু ইয়াৰ ভিতৰত দুৰ্নীতি সোমাই আছে। এই বিল বিলাকৰ সিপাৰত থকা পথাৰৰ ধান নাৱেৰে বিল পাৰ কৰি অনাৰ চেষ্টাত মানুহ বিলাকক মহলদাৰে বাধা দিছে। কাৰণ মহলদাৰে এই বিল বিলাক দখল কৰি লৈছে বুলি সেই বিলৰ ওপৰেদি নাওঁ চলাবলৈ নিদিয়ে। চৰকাৰৰ যি শ্লোগান সেই মতে কাম নহ'ব। ফিচাৰী মন্ত্ৰী ডাঙৰীয়াই তেখেতৰ ভ্ৰমণ সূচীৰ পৰা দেখা যায় তেখেতে মাহটোত ১৫ দিনৰ পৰা ২৬ দিন পৰ্য্যন্ত আজি এঠাইত কালিলৈ এঠাইত এই দৰে ভ্ৰমণ কৰি ফুৰে। যদি চৰকাৰৰ কামত ৰাইজৰ কোনো উপকাৰ নহয় তেনেহলে তেখেতে এইদৰে ভ্ৰমণ কৰি থকাৰ বাবদ যি টকা খৰচ হয় সেই টকাৰে এবছৰ পাচত তেখেতে নিজৰ ঘৰ সজাৰ কামতে আহিব। ৰাইজৰ কোনো কাম নহয়।

তাৰ পিচত আৰু এটা কথা আমি দেখিবলৈ পাইছো যে একে সময়তে, একে দিনাই মন্ত্ৰী সকলে এডোখৰ জেগালৈ যায়। সেই কাৰণে তেওঁলোকৰ লগত এম এল এ বা অন্য মানুহে দেখা কৰাৰ সুযোগ নাপায়। আৰু তেওঁলোকৰ সুবিধা মতে নিজৰ মানুহৰ লগত আলোচনা কৰিব লগীয়া কাম বিলাক কৰে। গতিকে ইয়াৰ পৰা বুজা যায় যে এই বিলাক খৰচ ৰাইজৰ কামত নাহিল। গতিকে মই এই সকলো বিলাক কথাৰ প্ৰতি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰি কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

ডাঃ কোষেশ্বৰ বৰা—মাননীয় উপাধ্যক্ষ মহোদয়, এই কৃষি মঞ্জুৰীৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আহিছে সেই প্ৰস্তাৱ সমৰ্থন কৰি মই দুষাৰ মান ক'ব খুজিছোঁ। অসম ৰাজ্যত আজি শতকৰা ৮০ ভাগ মানুহেই খেতিয়ক তেনে অৱস্থাতো আজি আমাৰ দেশত খাদ্যৰ আকাল আৰু খেতিয়কৰ অৱস্থা শোচনীয় হৈ পৰিছে, ইয়াৰ আগতে আমাৰ দেশত কোনো দিনাই আমাৰ মানুহে খাবলৈ নাপায় মৰা নাছিল আৰু আমাৰ দেশত খাদ্যৰ আকাল হোৱা নাছিল। খাদ্যৰ অভাৱত চাউলৰ অভাৱত কেতিয়াও কচু, ঢেকীয়া খাই জীৱন ধাৰণ কৰিব লগা অৱস্থা হোৱা নাছিল। আনকি

*Speech not corrected.

মৃত্যুয়ো বৰণ কৰিব লগা হৈছে কিন্তু সেই অৱস্থা কেতিয়াও আগতে হোৱা নাছিল। কিন্তু যোৱা ২৫ বছৰৰ ভিতৰত যি ৪।৫ টা পৰিকল্পনাত যিমান খিনি টকা-পইচা খৰচ কৰা হ'ল সেই অনুপাতে খেতিৰ কি উন্নতি সাধন কৰিলে, এইবাৰ কৃষিৰ শিতানত ৫ কোটি টকা ধৰিছে কিন্তু ইমানবিলাক টকা ধৰিও খেতিৰ উন্নতি সাধন কৰিব পৰা নাই। আমি দেখিবলৈ পাইছো যে যোৱা ২৫ বছৰৰ ভিতৰত কোটি কোটি টকা খৰচ কৰিছে। কিন্তু আমাৰ খেতিয়ক সকলৰ অৱস্থা দিনক দিনে বেয়াহে হৈ আহিছে। আঁচনিত ইমান টকা ধৰা স্বত্বেও খেতিয়কৰ অৱস্থা জুৰুলা হৈ আহিছে। এতিয়া প্ৰধান কথা হ'ল এই যে যিবোৰ টকা-পইচা খৰচ কৰা হৈছে সেইবোৰ প্ৰকৃততে খেতিয়কৰ কাৰণে খৰছ কৰিছে নে নাই? খেতিয়ক সকলৰ সা-সজুলিৰ কাৰণে সময় মতে খৰচ কৰিছে নে নাই আৰু যি সময়ত খেতিয়ক সকলক সহায় কৰিব লাগে, সময় মতে খৰচ কৰা হৈছে নে নাই হোৱা? আষাৰ শাওন মহীয়া দেখিবলৈ পাব আমাৰ খেতিয়ক সকলে অতি কষ্টৰে সৈতে খেতি কৰিবলৈ লৈছে আৰু পাচত তেওঁলোকে ধনী মানুহক অৰ্থাৎ ধনী খেতিয়কক বেচি দিবলগীয়া হয় আৰু ফলত তেওঁলোকে বেচি ভাগ সময় অৰ্দ্ধাহাৰে কটাব লগীয়া হয়। গতিকে মই ভাৱো আজি এই যে বৃহৎ সংখ্যক টকা এই বিভাগটোৰ বিভাগীয় বিষয়া আৰু কৰ্মচাৰীৰ কাৰণে খৰচ কৰা হৈছে সেইটো নকৰি আমাৰ দুখীয়া খেতিয়ক সকলক গাঁৱলীয়া বেংকৰ জৰিয়তে অতি কম সুদৰ হাৰত টকা দি সহায় কৰিলে এই দুখীয়া খেতিয়ক সকল উপকৃত হ'লহেঁতেন। আৰু তেওঁলোকে সময়মতে সেই টকা-পইচা কামত লগাব পাৰিলেহেঁতেন আৰু বেংককো থিক সময়ত পৰিশোধ কৰিব পাৰিলেহেঁতেন। গতিকে এইদৰে ৪।৫ টা পৰিকল্পনাত বাইজৰ টকা-পইচা অবাবতে অপচয় নকৰি আমাৰ খেতিয়ক সকলক থিক মতে সাৰৰ যোগান আৰু মাটি বিতৰণ আৰু বীজ বিতৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে নহলে চৰকাৰে যোৱা বছৰ যি ঢাক-ঢোল বজাই ৰবি শস্যৰ কথা দোহাৰিছে আৰু সেউজী বিপ্লৱৰ কথা সুৱৰিছে সেইটো কেতিয়াও কৃতকাৰ্য্য নহব।

আমি অনুভৱ কৰিছো যে অসমত বৰ্তমান যি গমৰ খেতিৰ ব্যৱস্থা কৰিবলৈ বিচাৰিছে সেই মতে আমি দেখিবলৈ পাওঁ যে ভাৰতবৰ্ষৰ আন

আন ৰাজ্যৰ তুলনাত এই খেতি যে সিমান ফলপ্ৰসূ নহয় সেইটো অনুমান হয়। আমাৰ মাননীয় সদস্য সোনেশ্বৰ বৰা ভাঙৰীয়াই কোৱাৰ দৰে এই খেতি বহু সময়ত শিল বৰষুণত নষ্ট হৈ গৈছে আকৌ কেতিয়াবা পানীৰ অভাৱত মৰি গৈছে। গতিকে যধে-মধে কিছুমান আঁচনি লৈ কাম কৰিলে তাৰ পৰা কোনো ফলপ্ৰসূ ফল লাভ কৰিব পৰা নাযাব আৰু আমাৰ খেতিয়ক ৰাইজ উপকৃত নহব। প্ৰায় কেবা হাজাৰো ঘেঁহু জোৰ-জবৰদস্তী কৰি বিতৰণ কৰা হ'ল খেতিয়কৰ ভিতৰত। কিন্তু ঘেঁহু উঠাবৰ সময়ত বিভাগীয় বিষয়া সকল হাত সাৱতি বহি থাকিলে নহব। এই বিভাগত যিবিলাক গ্ৰাম সেৱক, কৃষি বিষয়া, 'ডেমনষ্ট্ৰেতাৰ' আৰু পঞ্চায়তৰ জৰীয়তে যিবিলাক কৰ্মচাৰী আছে সেই সকলৰ পৰা কৃষক সকলে যে প্ৰকৃততে কিবা উপকাৰ পাইছে সেইটো নাভাবো। কিয়নো যি সকল গ্ৰাম সেৱকে পঞ্চায়তৰ তলত কাম কৰি আছে সেই সকলে কোনো দিন পথাৰলৈ যোৱা আমাৰ চকুত পৰা নাই কেৱল নিজৰ পঞ্চায়ত বা অফিচত থাকে, খেতি ভাল হৈছে নে নাই হোৱা সেই বিষয়ে তেওঁলোকৰ কোনো খা-খবৰ নাই। কোনো ভাল তথ্য-পাতি তেওঁলোকে থিকমতে পৰিবেশন কৰিব পৰা নাই। বিভাগীয় বিষয়া সকলৰ দ্বাৰা খেতিয়ক সকলে কোনো ধৰণৰ উপকাৰ পোৱা নাই। গ্ৰাম সেৱক সকল গাঁৱৰ মাজলৈ নাযায়, ৰাইজৰ মাজলৈ নাযায় কেৱল জাপানী পদ্ধতিত খেতি হৈছে বুলি ঢাক-ঢোল বজায় আৰু ৰাস্তাৰ কাষত অলপমান ঠাইত জাপানী খেতি হোৱা বুলি ৰাস্তাৰ এমূৰত চাইনবোৰ্ড অৰাই থোৱা দেখা যায়, তেওঁলোকে গাঁৱত গৈ সেই খেতি বৃহৎ আকাৰত উৎপাদন কৰাত সহায় নকৰে কাৰণ গাঁৱলৈ গ'লে মাটিত ভৰি দিব লাগিব আৰু সেইটোৱেই তেওঁলোকৰ ভয়। আকৌ কেতিয়াবা এনেকুৱাও দেখা যায় যে কিছুমান ঠাইত এটা খেতি কৰিছে; হৈছে আন এটা। তেওঁলোকে 'ষ্টেটিকস' কৰি কিছুমান ভুল তথ্য-পাতিৰে চৰকাৰক অমুক হোৱা তমুক হোৱা বুলি প্ৰচাৰ কৰিছে। তাৰ লগতে অসমৰ ৰাইজক ফাকি দিছে, এনে ক্ষেত্ৰত কৃষি বিষয়া সকলৰ দ্বাৰা কৃষি বিভাগৰ জৰিয়তে কৃষিৰ কাৰণে যি টকা-পইচা খৰচ কৰা হৈছে তাৰ দ্বাৰা যে খাদ্য উৎপাদনত খেতিয়কক সহায় কৰিব পাৰিব সেইটো আশা কৰিব নোৱাৰি।

অনেক ক্ষেত্রত আমি এইটোও দেখা পাইছো যে, সাৰৰ প্ৰয়োগ আৰু ব্যৱহাৰ নজনাৰ ফলত অৰ্থাৎ ৰাসায়নিক সাৰ আদি দিয়াৰ পাৰিমাণত কম বেছি হোৱাৰ কাৰণে কিছুমান মাটিত খেতি-বাতি সকলো নষ্ট হৈ গৈছে। সাৰৰ প্ৰকৃত প্ৰয়োগ আদি নজনাৰ কাৰণেই এইবিলাক হৈছে। গতিকে গোবৰ আদি সাৰ মাটিত দিয়াৰ পৰিমাণ কম-বেছি হ'লেও যেনেকৈ কোনো অপকাৰ নহয়, সেইধৰণৰ অন্য কিবা সাৰ আদি ব্যৱহাৰ কৰিবৰ কাৰণে উপযুক্ত হ'ব বুলি মই বিবেচনা কৰোঁ। গতিকে লাখ লাখ টকা খৰছ কৰি আমি অন্য দেশৰ পৰা এই সাৰবোৰ আনিম আৰু সেই-বোৰৰ প্ৰকৃত ব্যৱহাৰ নজনাৰ কাৰণেও আকৌ আমাৰ মাটি নষ্ট হৈ যাব। গতিকে আমি এনেকুৱা সাৰৰ ব্যৱস্থা কৰিব লাগে যিবিলাক সাৰ দুই-তিনি বছৰ ধৰি মাটিত দিয়াৰ গন্দগোল হ'লেও যাতে এনেকুৱা ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব নোৱাৰে। গতিকে খেতিত এনেকৈ টকা খৰছ কৰিব লাগে যিবিলাক টকা খৰচ কৰিলে যাতে আমাৰ খেতিয়ক সকল প্ৰকৃততে উপকৃত হ'ব পাৰে। সেইকাৰণেই মই কেইটামান পৰামৰ্শ চৰকাৰক দিব খুজিছো। প্ৰথমতে হৈছে, প্ৰত্যেক গাওঁ অঞ্চলতে একোটা বেংকৰ শাখা খুলিব লাগে যাৰ দ্বাৰা আমাৰ দুখীয়া খেতিয়ক সকলে আষাৰ, শাওন আদি মাহত অভাৱৰ, সময়ত নিজৰ অভাৱখিনি পূৰণ কৰিব পাৰে। দ্বিতীয়তে, খেতিৰ পথাৰত যাতে খেতিয়কে কেনেদৰে সাৰ আদি প্ৰয়োগ কৰিৰ লাগে সেইটো শিকিব পাৰে তাৰ কাৰণে অন্ততঃ দুই বছৰৰ কাৰণে আমাৰ খেতিয়ক সকলক বিনামূলীয়াকৈ সাৰ প্ৰয়োগৰ সুবিধা দিব লাগে। কিয়নো ইতিমধ্যে আমাৰ সাৰ আদি কিনাত এনেয়ে লক্ষকোটি টকা সদায় লোকচান হৈয়ে আছে। গতিকে এইধৰণে দুইবছৰ আমাৰ খেতিয়ক ৰাইজক বিনামূলীয়াকৈ পথাৰত সাৰ দিব পৰাৰ সুযোগ দিবলৈ মই চৰকাৰক পৰামৰ্শ হিচাবে আগবঢ়াইছো। তাৰ পিছত মই পানীযোগানৰ সম্পৰ্কত কওঁ যে, পানীযোগানৰ কাৰণে অসমত ইতিমধ্যেই কোটি কোটি টকা খৰচ হৈছে। মোৰ বোধেৰে এইটো নকৰাই ভাল হ'ব। কিয়নো অসমখন এখন নদী মাতৃকা দেশ। এতিয়া অসমৰ নদ-নদীবিলাকত প্ৰচুৰ পানী আছে। বৰষুণৰ পানীয়েই অসমত খেতিৰ কাৰণে যথেষ্ট উপযোগী। গতিকে এনেকুৱা কিছুমান সুবিধা থকা স্বত্বেও নদী-নলা-ডোং আদি খান্দি আমি মাটি নষ্ট কৰাৰ কোনো কাৰণ

বিচাৰি নেপাওঁ। অৱশ্যে দুই-এটা নলাই যে খেতিত সহায় কৰা নাই সেইটো নহয়, সেইবুলিও সকলোবোৰ নলাই যে সহায় কৰিছে সেইটোও নহয়। নদী-নলা-ডোং আদি খন্দাৰ ফলত বহুতো মাটি-বাৰী নষ্ট হৈছে। গতিকে নলা-ডোং আদি খন্দাৰ পৰিবৰ্তে 'টিউবওৱেল', 'পাৱাৰ পাম্প', 'লিফট্ ইৰিগেশ্বন' আদিৰহে ব্যৱস্থা কৰিব লাগে। এই তিনিটা ব্যৱস্থা কৰি তাৰ দ্বাৰা আমাৰ খেতিয়ক সকলক উপকৃত কৰিবলৈ মই চৰকাৰক পৰামৰ্শ দিছো। এইবিলাক ব্যৱস্থা পানী যোগানৰ কাৰণে ললে ভৱিষ্যতে ৰবিশস্য আদিৰ আঁচনিতো কৃতকাৰ্য্য হ'ব। সেয়ে হৈ নুঠিলে অযথাই ৰাজহুৱা ধনৰ অপচয় হ'ব, কেতিয়াও ৰবিশস্যৰ আঁচনি কৃতকাৰ্য্য হ'ব নোৱাৰিব আৰু তাৰ দ্বাৰা আমাৰ খেতিয়ক সকল, যাৰ কাৰণে এই আঁচনি সমূহ কৰা হৈছে তেওঁলোকো উপকৃত হ'ব নোৱাৰিব। আমি এনেকুৱাও কিছুমান কথা দেখা পাইছো যে, কোনো কোনো ঠাইত ৰাইজৰ আপত্তি থকা স্বত্বেও জোৰ-জবৰদস্তি কৰি আমাৰ ই, এণ্ড, ডি বিভাগে নলা-ডোং আদি খান্দি মাটি-বাৰী আদি নষ্ট কৰিছে আৰু ৰাইজৰ আপত্তি-বিপত্তি স্বত্বেও সেইবিলাক খন্দা-কোৰা কৰাটো বন্ধ কৰা নাই। অন্যহাতেদি, প্ৰত্যেক বছৰে যদি নদী-নলা বান্ধ আদি খান্দিব নোৱাৰে তেতিয়াহ'লে, তেওঁলোকৰ উপাৰ্জনৰ পথো ৰুদ্ধ হৈ যায়। ৰাইজৰ, মন্ত্ৰীৰ আৰু অফিচাৰ সকলৰ নানান আপত্তি-বিপত্তি আদি থকা স্বত্বেও জোৰ কৰি এইদৰে নলা-ডোং আদি খন্দাৰ বহুত উদাহৰণ আমাৰ আছে। গতিকে মই পৰামৰ্শ আগবঢ়াও যে, যিবিলাক নলা-ডোং আদিৰ দ্বাৰা সকলোৰে উপকাৰত আহিব পাৰে সেইবিলাকৰ ব্যৱস্থা কৰিবৰ কাৰণে মই চৰকাৰক পৰামৰ্শ আগবঢ়াইছো। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

উপাধ্যক্ষ—শ্ৰীমতী বৰাই কওঁক।

শ্ৰীগিয়াচুদ্দিন আহমেদ—মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এই চুকৰ ফালেও অলপ কৃপাদৃষ্টি দিব লাগে।

উপাধ্যক্ষ—কেইবাটাও চুক আছে। সকলোকে কবলৈ দিব লাগিব। সাত-মিনিটতকৈ বেছি নকৰিব।

শ্ৰীমতী তৰুলতা বৰা—মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱটোৰ বিৰোধীতা

কৰি কৃষিপাম নিগম সম্পৰ্কে মই মাত্ৰ চৰকাৰক কেইটামান পৰামৰ্শ দিবলৈহে আগবাঢ়িছো। প্ৰথম পৰামৰ্শ হৈছে যে, প্ৰত্যেক মহকুমা আৰু জিলাতে কৃষিপাম নিগমত যাতে আমাৰ খেতিয়ক সকলে কাম কৰিবলৈ সুবিধা পায় তাৰ কাৰণে কৃষকসকলৰ কাৰণে একোটা প্ৰশিক্ষণ কেন্দ্ৰ খুলিব লাগে। তাৰোপৰি, প্ৰশিক্ষণ লবৰ কাৰণে অসমৰ বাহিৰলৈ যিসকল খেতিয়কক পঠোৱা হয় সেই লোকসকল প্ৰকৃততে খেতিয়ক হয়নে নহয় সেইটোত অলপ সন্দেহ আছে। গতিকে প্ৰশিক্ষণ লবলৈ যোৱাৰ আগতে এই লোকসকল প্ৰকৃত খেতিয়ক হয়নে নহয় সেইটোৰ প্ৰতি বিশেষ নজৰ দিবলৈ মই আমাৰ চৰকাৰক পৰামৰ্শ আগবঢ়াইছো।

তাৰ পিছত যিসকল খেতিয়কে প্ৰশিক্ষণ লৈ আহে তেওঁলোক প্ৰশিক্ষণপ্ৰাপ্ত হৈ অহাৰ লগে লগেই তেওঁলোকক চৰকাৰৰ তৰফৰ পৰা কৃষি ঋণ আদি দি খেতি-বাতি আদি কৰিবলৈ উৎসাহিত কৰিব লাগে। ইয়াৰ পিছতে আৰু এটা কথাৰ প্ৰতি চৰকাৰ সচেষ্ট হ'ব লাগে। সেইটো হৈছে যে, আমাৰ দুখীয়া কৃষক সকলক সুদ্‌খোৰ দালালবিলাকৰ হাতৰ পৰা মুক্ত কৰিব লাগে। যদি এই খেতিয়কসকলক দালাল বিলাকৰ কবলৰ পৰা মুক্ত কৰিব পৰা নেযায় তেতিয়াহ'লে, খেতিয়কে যিমানেই আধুনিক পদ্ধতিৰে খেতি-বাতি আদি নকৰক লাগে, তেওঁলোক কেতিয়াও উপকৃত হ'ব নোৱাৰে। আমি জনাত এনেকুৱা উদাহৰণ আছে যে, এজন খেতিয়কে যিমানেই খেতি নকৰক তেওঁৰ অৱস্থা কেতিয়াও ভাল নহয়। ইয়াৰ আদিমূল কাৰণ হৈছে যে, এই খেতিয়ক বিলাক যেতিয়া অভাৱত পৰে তেতিয়া তেওঁলোকক ধান দি সহায় কৰে আৰু পিছত যেতিয়া কৃষকে চপায় সেইসময়ত সেই দালাল সকলে কৃষক সকলৰ পৰা এমোনত দুই-তিনিমোনমান কৈ ধান লৈ আহে। এইদৰে এই দালালবোৰে আমাৰ অভাৱগ্ৰস্ত দুখীয়া খেতিয়ক সকলৰ পৰা প্ৰায় ছমাহমানৰ পেটৰ ভাত কাঢ়ি লৈ যায়। ফলত বাকী ছমাহ এই খেতিয়ক সকলে খুজি-মাগি খাবলগীয়া হয়। এইখিনি সময়তে যথেষ্ট ধাৰ লাগে আৰু আমাৰ দালাল সকলে হেলাৰঙে তাৰ সুযোগ লয়। এইদৰেই আমাৰ খেতিয়ক সকল দালাল সকলৰ হাতত পৰি সদায়ে জুৰুলা হৈ আছে। সেইকাৰণেই মই আমাৰ চৰকাৰক অনুৰোধ কৰো যাতে এই লোক সকলক দালাল সকলৰ

পৰা মুক্ত কৰিবলৈ বিহিত ব্যৱস্থা গ্ৰহণ কৰে। মোৰ সমষ্টি চৈখোৱা আৰু শদিয়াতে এই বিলাক কথা গম পাইছো। গতিকে গোটেই অসমত যে এনেকুৱা দালালী কাৰবাৰ চলি থকা নাই তাৰ কি মানে আছে। তাৰ পিচত আৰু এটা কথাৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো। সেইটো হৈছে যে, চৈখোৱা, ফিলোবাৰী, পেঙেৰী, হুৱামাৰা আদি অঞ্চলত বিৰাট পৰিমাণে কুঁহিয়াৰ খেতি কৰা হয়। খেতিয়ক সকল যেতিয়া অভাৱত পৰে তেতিয়া তেওঁলোকে বেপাৰী সকলৰ পৰা ধন ধাৰে লয়। পিছত যেতিয়া গুড়ৰ সময় হয় তেতিয়া বেপাৰী সকলে এই ঋণগ্ৰস্ত খেতিয়ক সকলৰ পৰা এটিঙৰ ঠাইত দুই-তিনিটিং গুড় আদায় কৰি লৈ যায়। এইদৰে যদি এটিঙৰ ঠাইত খেতিয়ক সকলে দুই তিনি টিং গুড় লৈ যাব লগা হয় তেতিয়াহলে, হেজাৰ খেতি কৰিলেও আমাৰ খেতিয়ক সকল উপকৃত হ'ব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, গতিকে এই খেতিয়ক সকলৰ কাৰণে বেংকৰ ব্যৱস্থা কৰিব লাগে যাতে তেওঁলোকে ঋণ পাব পাৰে আৰু বজাৰৰ বেপাৰী সকলৰ কৱলৰ পৰা তেওঁবিলাকক আঁতৰাই আনিব পাৰে। বিশেষকৈ আমাৰ বেংক ৰাষ্ট্ৰীয়কৰণ কৰাৰ পিচত মই জনাত টাউন এলেকাত এক শ্ৰেণীৰ ব্যৱসায়ী মানুহে এই ৰাষ্ট্ৰীয়কৃত বেংকৰ সুবিধা পাই আছে। গতিকে মই পৰামৰ্শ দিব খুজিছো যে প্ৰত্যেক কৃষি প্ৰধান অঞ্চলতেই এগ্ৰিকালচাৰেল (Agricultural) ডেভেলাপমেণ্ট ব্ৰাঞ্চ খুলি দিব লাগে যিবিলাকৰ দ্বাৰা কৃষক সকল উপকৃত হব পাৰে। আৰু আন এটা কথা হ'ল আমাৰ যিবিলাক হৰটিকালচাৰ খেতিয়ক আছে বিশেষকৈ মহকুমাৰ পৰা তিনিচুকীয়ালৈ বৰ-হাপজান, ছৈখোৱা অঞ্চললৈকে সেই সেই অঞ্চলৰ হৰটিকালচাৰীষ্ট সকলে যেনে ধৰণৰে কাম কৰিছে সেই ধৰণেৰে কাম কৰি থাকিলে বিশেষ উপকৃত হব পৰা নাই। তাৰ কাৰণে হৰটিকালচাৰিষ্ট সকলক সহজ ঋণ দিয়াৰ ব্যৱস্থা কৰি পানী যোগান দিয়াৰ ব্যৱস্থা কৰি দিব লাগিব। সেই অঞ্চল বিলাকত আজি ৪০।৫০ বছৰ আগৰে পৰা কমলা টেঙাৰ খেতি কৰি আহিছে আৰু মই জনাত প্ৰায় ১৫।২০ বছৰ আগৰে পৰা তেওঁবিলাকে যোগাযোগ কৰি আহিছে চৰকাৰৰ লগত, কিন্তু চৰকাৰৰ ফালৰ পৰা কোনো কাণসাৰ দিয়া নাই। মই কওঁ যে গোটেই অসমৰ হৰটিকাল-চাৰিষ্ট সকলক এই সুবিধা কৰি দিব লাগে আৰু সহজ ঋণ দিয়াৰ

কাৰণে বেংকৰ ব্যৱস্থা কৰিব লাগে। যেতিয়ালৈকে অসমৰ ঠায়ে ঠায়ে এগ্ৰিকালচাৰেল ডেভেলাপমেণ্ট ব্ৰান্স খোলা নহয়, তেতিয়ালৈকে আমাৰ খেতিয়ক সকল উপকৃত হব বুলি মই নাভাবো। অসমত যোৰহাটৰ টিয়কত মাত্ৰ এটা এগ্ৰিকালচাৰেল ডেভেলাপমেণ্ট ব্ৰান্স আছে। ইয়াৰ দ্বাৰা সেই অঞ্চলৰ ৰাইজৰ মহৎ উপকাৰ হব বুলি মই ভাবো। বিশেষকৈ ১০ মাইল দূৰত্বৰ যি সকল লোক আছে তেওঁলোকেহে বেংকৰ পৰা ঋণ পাব পাৰে। আজি বিৰাট অঞ্চলত ১৫-২০-৩০ মাইলৰ ভিতৰতো বেংকৰ সুবিধা হোৱা নাই। তাত খেতিয়কসকলে বেংকৰ কোনো সুবিধা পোৱা নাই। গতিকে মই চৰকাৰক অনুৰোধ জনাইছো যাতে সেই ঠাই বিলাকত অতি সোনকালে একোটাহত এগ্ৰিকালচাৰেল ডেভেলাপমেণ্ট ব্ৰান্স খুলি আমাৰ খেতিয়কসকলক উপকৃত কৰি ঋণৰ স্বত্ববোৰ সহজ কৰি দিয়ে। এইখিনিকে কৈয়েই কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰিছো।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ—মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি আৰু ঋণ পদ্ধতি সম্পৰ্কত যিটো কৰ্তন প্ৰস্তাৱ উত্থাপন কৰা হৈছে সেইটো সমৰ্থন কৰিছো। চৰকাৰী হিচাব মতে অৰ্থাৎ চৰকাৰে মানি লোৱা মতে গাওঁ অঞ্চলত শতকৰা ৯০.৯৪ ভাগ লোক দাৰিদ্ৰতা সীমাৰ তলৰ লোক। আমাৰ গাঁৱত বাস কৰা বেছিভাগ লোকেই দাৰিদ্ৰতাত সোমাই পৰিছে। অৰ্থাৎ এক হিচাবে ক'বলৈ হ'লে আমাৰ আটাইখিনি কৃষক নহ'লেও হয়তো শতকৰা এক দুই জনৰ বাহিৰে বাকী বিলাক দাৰিদ্ৰতাৰ কৱলত পৰিছে। এই অৱস্থা কিন্তু আগতে নাছিল। আজিৰ পৰা ২০।২৫ বছৰ আগতে কৃষকৰ এই অৱস্থা নাছিল। আজি ২০ বছৰে আমি চাৰিটা পৰিকল্পনা শেষ কৰিছো আৰু এই পাঁচ বছৰীয়া পৰিকল্পনাৰ যিটো ফল পালো সেইটো হ'ল আমাৰ যিমানখিনি খেতিয়কৰ অৱস্থা টনকিয়াল আছিল সেই সকলো দাৰিদ্ৰতাৰ ফালে ঠেলি পঠাইছে। আকৌ এতিয়া আমি খেতিয়ক সকলক উন্নতিৰ কথা কৈছো। আমি আকৌ কৃষকসকলক উন্নত ধৰণৰ কৃষি পদ্ধতি অৱলম্বন কৰাৰ কথা কৈছো, তেওঁলোকক আহ্বান জনাইছো উন্নত ধৰণৰ কৃষি প্ৰণালী গ্ৰহণ কৰিবলৈ। কিন্তু যি সকল দাৰিদ্ৰতাৰ কবলত সোমাই তলত পৰি আছে তেওঁলোকৰ কৃষি ব্যৱস্থা কি ব্যৱস্থাৰে পৰিবৰ্তন কৰিব পাৰি সেইটোহে আচল কথা। কোৱা হৈছে যে তেওঁলোকক কৃষি

পাম নিগমৰ জৰিয়তে ভূমি দিয়াৰ ব্যৱস্থা কৰা হৈছে নিগমৰ অধীনত। কিন্তু যিটো পদ্ধতি মই ভাবো আমাৰ গোটেই কৃষি আৰু কৃষক সকলৰ আৰ্থিক উন্নতি বন্ধ কৰা একমাত্ৰ পদ্ধতি। আমি মানি ললোহেঁতেন যদিহে দাৰিদ্ৰতাৰ অধীনত পৰি থকা সকলো কৃষককে নিগমৰ অধীনত আনি তেওঁলোকৰ অৱস্থাৰ উন্নতি কৰিব পাৰিলোহেঁতেন। তেতিয়া হ'লে মই যদিও মোৰ নিগমৰ ওপৰত কোনো আস্থা নাই তথাপিও সমথন জনালো-হেঁতেন যে ইয়াৰ পৰা কৃষক সকলৰ উন্নতি হ'ব। কিন্তু যিটো দেখিছো ইয়াত সকলোবোৰ কৃষকৰ স্থান নহ'ব। নিগম হ'লেও তাত সকলোৱে অংশ গ্ৰহণ কৰিব নোৱাৰিব। ফলত বাকী বিলাক কৃষকৰ অৱস্থা আগৰ অৱস্থাতেই থাকিব। যোৱা কালি আমাৰ ৰাজহ বিভাগৰ মন্ত্ৰী মহাশয়ে তেখেতৰ উত্তৰত কৈছিল যে নিগমৰ অধীনত যিসকল আহিব তেওঁবিলাকে সুবিধা পাব, ঋণৰ ব্যৱস্থা পাব, আধুনিক সা-সজুলি পাব আৰু যদি নিগমৰ অধীনলৈ নাহে তেওঁলোকে এই সুবিধাৰ পৰা বঞ্চিত হ'ব। সেই কাৰণে মই এইটো কথা স্পষ্টভাবে বিচাৰিছো যে নিগমৰ বাহিৰত যিসকল থাকিব— যিসকলে ব্যক্তিগত ভাৱে খেতি চলাই থাকিব সেইসকলৰ কাৰণে কি ব্যৱস্থা কৰিব ?

উপাধ্যক্ষ মহোদয়, মই দীঘলীয়া কৰিব নোখোজো। আমি এই কৃষি উৎপাদনৰ কথা কৈ থাকো কিন্তু বছৰ বছৰ ধৰি কৃষিৰ উৎপাদন বঢ়া নাই। আজি বানপানী অসমৰ কাৰণে এটা নতুন সমস্যা নহয়। যুগ যুগ ধৰি বানপানীয়ে প্ৰত্যেক বছৰে খেতি নষ্ট কৰি আহিছে আৰু শস্য উৎপাদনত আহুকাল কৰি আহিছে। বানপানী সদায় আছে কিন্তু বানপানী প্ৰতিৰোধ কৰাৰ কাৰণে কোনো স্থায়ী ব্যৱস্থা এতিয়াও হোৱা নাই। সেই কাৰণে কৃষকসকলৰ অৱস্থা আৰু সমস্যাৰ প্ৰতি যি ধৰণে মনোযোগ দিব লাগিছিল যি ধৰণেৰে ভাবিব লাগিছিল সেই ধৰণে ভবা হোৱা নাই মনোযোগ দিয়া হোৱা নাই। বাজেট বক্তৃতাত কোৱা হৈছে যে ৰবিশস্যৰ জৰিয়তে বানপানীৰ ফলত হোৱা ক্ষতিপূৰণ কৰিবৰ কাৰণে যত্ন কৰা হৈছে। ইয়াত যিটো পৰিসংখ্যা দিছে যে লাখ হেক্টৰ মাটি ৰবিশস্যৰ অধীনত লোৱা হৈছে। এই শস্য উৎপাদনৰ পৰিসংখ্যা সম্পূৰ্ণ ভুল। অৰ্থাৎ য'ত বিতৰণ কৰা হৈছিল, বীজ সাৰ ট্ৰেক্টৰ আদিকে ধৰি

এই সকলো বিলাক বিতৰণ কৰা ঠাইকে ধৰিহে এই পৰিসংখ্যা দিয়া দিয়া বুলি মই কব খোজো। তাৰ ভিত্তিতহে এই পৰিসংখ্যা দিছে। বিতৰণ কৰা বীজ আদি প্ৰকৃততে উপযুক্তভাবে ব্যৱহাৰ কৰা হ'লনে নাই সেইটো হিচাব ইয়াত দিয়া নাই। এসময়ত এজন বিষয়াক সেই ৰাজ্যৰ গৰু কিমান আছে এটা পৰিসংখ্যা যোগাৰ কৰিবলৈ দিলে। তেওঁ মফচলত গৈ এটা ডাক বঙলাত থাকিল। পিছদিনা ৰাতিপুৱা সেই কম্পাউণ্ডটোত যিমান গৰু দেখিলে লেখি ললে আৰু চকীদাৰ জনৰ পৰা কম্পাউণ্ডৰ মাটি বালি জানি ললে। সেইদৰে গোটেই ৰাজ্যৰে মাটি কালি উলিয়াই হৰণ-পূৰণ কৰি পৰিসংখ্যা উলিয়াই দিলে। আমাৰ এই পৰিসংখাও সেয়েই হৈছে।

আমি দেখিছো ৰবিশস্য উৎপাদনৰ ক্ষেত্ৰত প্ৰত্যেক মহকুমাতে একোটা কমিটি কৰি দিছিল। বিধান সভাৰ সদস্য সকলক তাৰ সভ্য কৰি দিছিল আৰু একোজন মন্ত্ৰী সভাপতি আছিল। মোৰ নিজৰ মহকুমাত তুখন মিটিং হৈছিল। মন্ত্ৰী মহোদয়ো সেই সভাত আছিল। তাৰ পিছত সভা হ'লনে নাই মই নাজানো। এতিয়া ঋণ আদায় কৰিবৰ সময়ত আকৌ সভা হৈছে। কিন্তু কেনে ধৰণৰ উন্নতি হ'ল, কেনে ধৰণৰ খেতি হ'ল তাৰ পৰ্য্যালোচনা কৰিবৰ কাৰণে কোনো সভা সমিতি আহ্বান কৰা নহ'ল। মন্ত্ৰী মহোদয়ে কৈছিল কৃষকক শস্য, বীজ দিয়াৰ উপৰিও পানী দিয়া হ'ব। যদি সময় মতে পানী যোগান ধৰিব নোৱাৰে তেন্তে বিষয়া সকল দায়ী হ'ব। বিষয়া সকলৰ হেমাহিৰ কাৰণে বহু ক্ষেত্ৰত সময় মতে বাইজে পানী যোগান নোপোৱাৰ কাৰণে ৰবি শস্য অথলে গ'ল। বাইজ ধাৰত পোত গ'ল, বিষয়া সকলৰ ওপৰত কি ব্যৱস্থা লৈছে মন্ত্ৰী মহোদয়ে জনাবনে? ৰবি শস্যৰ ঋণ আদায় কৰাৰ ক্ষেত্ৰত মই কৈছো যে যিবিলাকে প্ৰকৃততে খেতি কৰিছে আৰু উৎপাদন কৰিছে তেওঁলোকৰ পৰা আদায় কৰক। কিন্তু যিবিলাকে চৰকাৰী বিষয়াৰ গাফিলতিৰ বাবে সময় মতে যাবতীয় সুবিধা নোপোৱাত খেতি কৰিব নোৱাৰিলে তেওঁলোকৰ পৰা আদায় কৰাৰ অধিকাৰ চৰকাৰৰ নাই। আমাৰ চাৰিখন জিলাত ক্ষুদ্ৰ আৰু ক্ষুদ্ৰতম ভূমিহীন খেতিয়কৰ উন্নতিৰ কাৰণে এটা

এজেন্সী আছে। এই এজেন্সী থকা চাৰিখন জিলা হ'ল গোৱালপাৰা, কামৰূপ, নগাওঁ আৰু মিকিৰ পাহাৰ জিলা। কামৰূপ জিলাৰ এজেন্সীৰ সদস্য হোৱাৰ সৌভাগ্য মোৰ হৈছিল। কিন্তু কেইজন কৃষকে সুবিধা পাইছে মই ভাবি পোৱা নাই। আমাৰ কৃষকে সমবায় হওঁক বা ৰষ্ট্ৰীয়কৃত বেংকেই হওঁক তাৰ পৰা কোনো সঁহাৰি পোৱা নাই। আনহাতে কম জনসংখ্যা থকা দেশৰ কৃষিৰ আদৰ্শ আমাৰ দেশৰ কৃষিৰ আদৰ্শ হ'ব নোৱাৰে। আমাৰ কৃষক সকল যি পাৰিপাৰ্শিকতাত ডাঙৰ দীঘল হৈছে তালৈ লক্ষ্য ৰাখি কৃষিৰ উন্নতিৰ ব্যৱস্থা কৰিব লাগে। অকল কৃষি উৎপাদন বৃদ্ধি কৰাই কৃষিৰ উন্নতি নহয়। কৃষি উৎপাদনৰ লগে লগে স্বাভাবিক ভাবে কৃষকৰ অৰ্থনৈতিক অৱস্থা টনকীয়াল হোৱাটোহে কৃষিৰ উন্নতি হোৱা বুজাব।

মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰীতুলাল বৰুৱা আৰু শ্ৰীমতী ৰেণুকা দেৱী বৰকটকীয়ে মীন মহল সম্পৰ্কত উত্থাপন কৰা অভিযোগ যদি সঁচা হয় তেন্তে সেই দায়িত্বত থকা মন্ত্ৰী একমুহূৰ্তও এই দায়িত্বত থকা উচিত নহয়। মীন সমবায় বিলাকৰ ক্ষতি-সাধন হোৱাৰ লগে লগে ৰাইজৰ ক্ষতি হৈছে। মীন মহল বিলাক সৃষ্টি কৰা হৈছিল মাছ ব্যৱসায় কৰি যি সকলে জীয়াই আছে তেওঁলোকৰ অৱস্থাৰ টনকীয়াল কৰাৰ কাৰণে। মাছমৰীয়া লোক সকলৰ অৱস্থা বেয়া হৈছে মীন মহল বিলাক চৰকাৰে লোৱাৰ পৰা। আগতে মাছমৰাৰ ব্যৱসায় কৰি জীয়াই আছিল এতিয়া তাৰো বাট মাৰিছে। ভুৱা সমবায় সৃষ্টি হ'ল, দালালৰ সৃষ্টি হ'ল। এই দালাল বিলাকে মাছমৰীয়া মানুহ বিলাকক ঠগায়। মীন মহল বিলাক এতিয়া মীন নিগমলৈ ৰূপান্তৰিত কৰিবলৈ বিচৰা হৈছে। ইতিমধ্যে গম পাইছো যিবিলাকে মীন সমবায় বিলাক ধ্বংস কৰিলে সেই সকল আকৌ মীন নিগমত সোমাবলৈ চেষ্টা কৰিছে। এই বিষয়ত চৰকাৰ সজাগ হ'ব লাগে আৰু সাৱধান হৈ থাকিব লাগে। সমীক্ষা মতে আমাৰ ৰাজ্যত মাছৰ উৎপাদন হয় প্ৰায় ২০ হেজাৰ মেট্ৰিক টন। কিন্তু ৪ৰ্থ পৰিকল্পনাৰ শেষ ভাগত মাছৰ চাহিদা হ'ব ৪৮ হেজাৰ মেট্ৰিক টন। এইখিনি অভাৱ কেনেকৈ পূৰণ কৰিব? মীন মহলৰ বিষয়া সকলে ব্যক্তিগত ভাবে ... সময় মতে পোনা যোগান ধৰিব পৰা নাই।

আমাৰ ৰাজ্যত মাছ পালন কৰাৰ যি ব্যৱস্থা চলিছে এই মতে মাছৰ অভাব পূৰণ নহয়। গতিকে চৰকাৰে খৰতকীয়া ভাবে ব্যৱস্থা লব লাগে যাতে একমাত্ৰ মাছৰ ওপৰত নিৰ্ভৰ কৰি চলা মৎস্যজীৱি লোক সকলৰ অৱস্থা টনকীয়াল হয়। ইয়াকে কৈ কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

শ্ৰীগিয়াচুদ্দিন আহমেদ— মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি খুব চমুকৈ দুআৰমান কব খুজিছো। বহুত মাননীয় সদস্যই বিভিন্ন দৃষ্টিকোনৰ পৰা এই আলোচনাত অংশ গ্ৰহণ কৰিবলৈ গৈ দিচপুৰৰ পৰা আৰম্ভ কৰি আমেৰিকা, আমেৰিকাৰ পৰা চোভিয়েট ইউনিয়ন আৰু ভিয়েটনামৰ যুদ্ধক্ষেত্ৰ পাইছেগৈ। অসম চৰকাৰৰ কৃষিৰ নিগমৰ দাবীৰ ওপৰত এটা কৰ্তন প্ৰস্তাৱ আলোচনা কৰিবলৈ গৈ ইমানবিলাক কথাৰ অৱতাৰণা নকৰিলেও হয় বুলি মই ভাবো। যদিও মই বিশ্বাস কৰো যে আমাৰ দেশৰ খেতিয়ক সকলে আজি চোভিয়েট খেতিয়ক বা ভিয়েট-নামৰ খেতিয়কৰ আদৰ্শ যদি গ্ৰহণ কৰিব পাৰিলেহেঁতেন তেনেহলে আজি ভাৰতবৰ্ষৰ ইমুৰৰ পৰা সিমুৰলৈ বিভিষিকাৰ সৃষ্টি কৰা প্ৰতিক্ৰিয়াশীল মহাজোট কেতিয়াবাই খটম হৈ গ'লহেতেন। পিচে এই বিলাক কথা আলোচনা কৰিবলৈ গলে হয়তো অপ্ৰাসঙ্গিকবুলি ভাবিব। যি কি নহওক আমি বহুত দূৰৰ কথা চিন্তা কৰা নাই ভাৰতৰ খেতিয়কৰ জীৱনৰ অৰ্থনৈতিক মুক্তি পুঁজিবাদ পদ্ধতিত আহিবনে বৈজ্ঞানিক পদ্ধতিত আহিব আমি ভাবি চোৱা উচিত। পিছে ঐতিহাসিৰ দুৰ্নিবাৰ গতি কোনেও ৰোধ কৰিব নোৱাৰে। আমি বিচাৰিছো এই পৰিস্থিতিত যিবিলাক ব্যৱস্থা গ্ৰহণ কৰা হৈছে সেই বিলাক ব্যৱস্থাৰ মাজত সমাজবাদ ব্যৱস্থাৰ কিবা বাতাবৰণৰ সৃষ্টি হব পাৰিছেনে? এই বিষয়ে যিবিলাক কৃষি নিগম আছে তাতে বহুতো কেৰোণ আছে বুলি মই ভাবো। তথাপি তাক পৰীক্ষা কৰি চাবলৈ মই মত পোষণ কৰো।

কৃষি নিগম বিল পাচ কৰা হৈছে। এই আইন সম্বন্ধে মই এটা কথা আলোচনা কৰিব খুজিছো। এইটো এটা বাস্তৱ দৃষ্টিভঙ্গিৰ পৰা যদি পাৰিপাশ্বিক অৱস্থা তুলনা কৰা হয় বা বৰ্তমান পৰিস্থিতিৰ লগত তুলনা কৰা যায় এইটো এটা কাৰ্য্যকৰী কৰিব পৰা ব্যৱস্থা নহয়। কৃষি নিগম আইনৰ কথা কলে এটা ...

যে কৃষি নিগম কাৰ কাৰণে কৰা হ'ল ? অৱশ্যে বহুতৰ বক্তৃতা শুনিছো বা প্ৰোপোগান্দাও শুনিছো যে ভূমিহীন খেতিয়কৰ কাৰণে কৃষি নিগম কৰা হৈছে। সেইটো বৰ ভাল কথা । কিন্তু যদি পৰীক্ষা কৰি চোৱা হয় তাত এগ্ৰিকালচাৰিষ্ট বুলি যিটো শব্দ আছে আৰু তাৰ যি বাখ্যা দাঙি ধৰিছে সেই বাখ্যাই আমাৰ মনত হতাশাৰ সৃষ্টি কৰিছে। চৰকাৰে কি ভাবে কব নোৱাৰো। কিন্তু চৰকাৰে এই কথা ভালদৰে চিন্তা কৰা উচিত । আমি যি গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ মাজত আছো আমি প্ৰত্যেক কথাই গণতান্ত্ৰিক পদ্ধতি বা সংসদীয় আইন অনুসৰি চিন্তা কৰি চাব লাগিব। এগ্ৰিকালচাৰিষ্টৰ বাখ্যাটো মই পঢ়ি শুনাই দিছো "Agriculturist means a person who is ordinarily engaged by himself in or whose principal means of livelihood is derived from the production of agricultural produce provided that any person engaging members of his family or hired labour for some of the agricultural portion for which such assistance is necessary shall also be deemed to be agriculturist."

অৰ্থাৎ মাটি থকা এজন খেতিয়ক বা মাটিৰ মহাজন এই আইনৰ ধাৰা মতে এই নিগমৰ সদস্য হব পাৰে। এই কথা এই আইনত লিখা হৈছে। অৱশ্যে এই কথা চৰকাৰে কব যে ৰুল প্ৰণয়ন কৰিব পাৰে আৰু সেই ৰুলমতে চৰকাৰে নিগমক অনুমোদন কৰিব পাৰে আৰু যিখন নিগমত মাটি থকা মানুহ আছে চৰকাৰে তাক অনুমোদন নিদিবও পাৰে বুলি কব। কিন্তু মই সেই কথাত একমত নহয়। কাৰণ আমাৰ যিটো আমোলাতান্ত্ৰিক ব্যৱস্থা আমাৰ মন্ত্ৰী মহোদয় বা সংশ্লিষ্ট মন্ত্ৰী মহোদয় সকলে বক্তৃতা দিলেই নহব। এই নীতি প্ৰয়োগ কৰিবলৈ যি আমোলাতন্ত্ৰ আছে তাৰ মানসিক প্ৰস্তুতিৰ দৰ্কাৰ। এইটো কথাও ঠিক যে বৰ্তমান যিটো মানসিক অৱস্থাত আছে তাৰ ফলত যে মাটিৰ মালিক বা মহাজন সকলে এই নিগমত সোমাব নোৱাৰিব এই কথাটো মই দৃঢ়তাৰে কব নোৱাৰো। সেইটো হৈছে আমাৰ দেশত ভোটৰ কথা আছে আৰু প্ৰাপ্ত ... সেইটো সংবিধানেও অধিকাৰ দিছে।

এজন নাগৰিকে এটা ভোটতকৈ অধিক ভোট দিব নোৱাৰে। সংবিধান যি সকলে ৰচনা কৰিছে বোধকৰো তেখেত সকলৰ অৰ্থনৈতিক বিবেচনা নাছিল। কাৰণ যিসকল ধনী বা চহকী বা লাখ লাখ টকাৰ মালিক তেওঁলোকৰ ভোটৰ পৰিমাণ বেছি আৰু যি সকলৰ সম্পদ কম তেওঁলোকৰ ভোটৰ সংখ্যা কম। এই কথা বিলাক সংবিধান ৰচয়িকা সকলে বিবেচনা কৰা নাই। কিন্তু এই আইনৰ ১৯ ধাৰামতে—In any general meeting of the Corporation, every member of the Corporation shall have such number of votes as equivalent to the number of ordinary shares held by that member.

অৰ্থাৎ যিমান চেয়াৰ আছে সিমান ভোট থাকিব। এইটো বৰ অগণতান্ত্ৰিক পদ্ধতি। এই নিগমত ৰাজ্য চৰকাৰৰ শতকৰা ৫০ ভাগ থাকিব আৰু ৫ জন প্ৰতিনিধি থাকিব। প্ৰত্যেকজন প্ৰতিনিধিৰে কেবাটাও ভোট থাকিব অৰ্থাৎ ৫০ ক ৫ ভাগ কৰিলে যিমান হয় এজন প্ৰতিনিধিৰ সিমান ভোট থাকিব। এইটো এটা অৱাস্তৱ কথা আৰু অগণতান্ত্ৰিক কথা। আনহাতে আৰু এটা কথা বৈপ্লৱিক দৃষ্টিভঙ্গীৰে বিবেচনা কৰিবলৈ গ'লে চৰকাৰে যি নীতি ঘোষণা কৰিছে যে এইটো এটা বৈপ্লৱিক ব্যৱস্থা আৰু ইয়াক যদি বৈপ্লৱিক ব্যৱস্থা বুলি ধৰি লোৱা হয় তেনেহ'লে খেতিয়ক সকলৰ মানসিক প্ৰস্তুতি কিমান আছে এই কথা বিবেচনা কৰি চাব লাগিব। আমাৰ ৰাজ্যত শতকৰা ৭০ ভাগ মানুহেই অশিক্ষিত।

এই মানুহবিলাকে স্বইচ্ছা প্ৰণোদিত ভাবে ফাৰমিং কৰপৰেচনত সহযোগ কৰিবনে নকৰে আৰু তাৰ কাৰণে যি উৎসাহ উদ্দীপনাৰ দৰ্কাৰ সেই কথা আইনত আছেনে নাই সেই কথা চাব লাগিব। ইয়াত যদিও কিছুমান কথা আছে, আইন খন যদি বিশ্লেষণ কৰি চোৱা যায় খেতিয়ক সকলৰ ভৱিষ্যৎ নিৰাপত্তাৰ কথাটো ইয়াত খাটাং প্ৰকাশ কৰা হোৱা নাই। আৰু এটা কথা আজি গোটেই অসমতে ফাৰমিং কৰপৰেচন কৰাৰ কথা কোৱা হৈছে যদিও এইটো পৰ্য্যায় ক্ৰমে ইয়াত ৪ খন তাত দুখন এই দৰে কৰিব লাগিব। এটা কথা ঠিক যে ফাৰমিং কৰপৰেচনৰ কাৰণে একে ঠাইতে কনচলিডেটেদ অৱস্থাত যিমান মাটি লাগে সিমান মাটি পোৱা নাযাব। গতিকে এনে অৱস্থাত সমবায় পদ্ধতি কৰিব লাগিব। আৰু এই পদ্ধতিত খেতি কৰিবলৈ হ'লে মাটিৰ মালিক সকলে সহযোগীতা

কৰিব লাগিব। গতিকে ফাৰমিং কৰপৰেচন যে সকলো ঠাইতে হ'ব এই কথা ঠিক নহয়। আৰু এই কাম সকলো ঠাইতে প্ৰযোজ্য নহ'ব। সেই কাৰণে সৰু সুৰা খেতিয়ক সকলৰ মাটি কনচলিদেট কৰি সমবায় পদ্ধতিত খেতি কৰিবলৈ শিকাব লাগিব। ইয়াত এটা কথা কোৱা হৈছে যে খাচ মাটি পট্টন দিয়াৰ বন্ধ কৰি দিয়া হৈছে। এইটো বিবেচিত কাম হৈছে বুলি মই নাভাবো। চৰকাৰে এইটো কথা বিবেচনা কৰিব লাগে য'ত ফাৰমিং কৰপৰেচন হোৱাৰ সম্ভৱনা নাই, সৰু সুৰা প্লট অ'ত ত'ত পৰি আছে সেই বিলাকক ফাৰমিং কৰপৰেচনত সোমোৱাই নলৈ সমবায় পদ্ধতিলৈ যাব লাগিব। আৰু তাৰ কাৰণে ব্যক্তিগত মালিক সকল আগবাঢ়ি আহিব লাগিব। সেই কাৰণেই মই কব খুজিছো য'ত ফাৰমিং কৰপৰেচনৰ মাটিৰ অভাব তেনেকুৱা ঠাইত সৰু সুৰা যিবিলাক প্লট আছে সেই বিলাক ভূমিহীন মানুহক পট্টন দিব লাগে। শেষত মই এটা কথা কব খুজিছো যে বহুতো কেৰুণ থকা স্বত্বেও নীতিগত ভাবে মই ফাৰমিং কৰপৰেচনটো সহানুভূতি সহকাৰে কাৰ্য্যকৰী কৰাৰ পক্ষপাতি। কিন্তু ভয় হয় আমাৰ যিটো আমোলাতান্ত্ৰিক যন্ত্ৰ সেইটো যদি ঠিক মতে নচলায়, চালক ঠিক নহয়, ভিতৰৰ ইঞ্জিনৰ অৱস্থা যদি ঠিক নহয় আৰু যদি চকা বাটতে পামচাৰ হয় তেতিয়াহ'লে আমাৰ লেকচাৰেই সাৰ হ'ব। ধন্যবাদ।

Srimati Pranita Talukdar—Mr. Deputy Speaker, Sir, while supporting the demand for grant on the head 'Agriculture' I would like to say that in the economy and the national income of the State, agriculture plays the most vital role. So our best efforts should be diverted towards development of agriculture. We cannot deny the fact, Sir, that since independence our Govt. has done a lot for improving cultivation and also more production. We know, Sir, that Assam has got a fertile soil and there is ample scope for increasing production in our State, inspite of the fact that we are not increasing production in comparison with the increased population. I think the main draw back for this is due to the fact that, first, there is lack of co-ordination between the different departments which have relation to agriculture; second, there is

lack of practical training of the farmers, lack of training for utilising fertilisers, pesticides and improved agricultural materials; thirdly, there is lack of good methods for testing soil before cultivation and lack of testing seeds before supplying to the farmers. For improving agriculture we must keep this important factors in our mind. Mr. Deputy Speaker, Sir, our first aim in developing agriculture should be to improve and increase production, more production in limited land because we know Japan is a most industrially developed country in the world and it is equally developed in agriculture. It is only due to the fact that in Japan though the land is very limited all the farmers in Japan have practical training to utilise Scientific methods of cultivation. So the first important thing is to provide irrigation facilities both minor and major to our cultivators so that this can help the cultivators by providing regular supply of water throughtout the year and it will really help the cultivators to have multiple cropping. Secondly, Sir, our best effort should be to help our farmers to utilise the scientific methods. We know that our Gram Sevaks are appointed by the Department but we have experienced that these Gram Sevaks have no practical training. Many complaints come from the public but we cannot help them. So I suggest that these Gram Sevaks should be atleast graduates and they must have practical training in agriculture so that they can offer all possible help to our cultivators. Mr. Deputy Speaker Sir, I also suggest that we should give more emphasis for development of horticulture. Potatoes, ericanuts, jute, all these commercial and horticultural products should be produced more. Hon'ble Member Shri Soneswar Bora has said that soil of Assam is not fertile for the production of wheat. I do not admit this because I know once wheat was a minor crop but now-a-days with the utilisation of Mexican variety of wheat, wheat has got a foothold in the soil of Assam and our cultivators have been able to produce more wheat. So

I do not agree with this view and I hope, Sir that there will be co-ordination between different departments like E & D, Soil Conservation and Co-operation. If there is co-operation on all sides then we can be sure that there will be development of agriculture. Sometimes some dongs and bunds are constructed from the E & D department to help agriculturists. Some times these dongs and bunds are breached and there is nobody to repair them. If will affect cultivation. So I suggest that E & D Department should work in close co-operation with the Agriculture Department. About the Soil Conservation Department I would like to say every year our State is visited by high floods causing much harm to the poor cultivators. Govt. should take some concrete measures for permanently dealing with the floods caused by the rivers, and antierosion measures should also be taken up. This is only possible to be done by the Soil Conservation Department. So this Department should have close relation with the Agriculture Department. The Co-operative Department should also have close relation with the Agriculture Department for giving loans on easy terms to the cultivators and farmers. We were saying that with the nationalisation of banks our cultivators and farmers would be getting loans on easy terms, but in fact it is not so. I think the rules for providing loans to the cultivators should not be very rigid. To make it possible for the poor cultivators to get loans from the banks, Government should make an attempt to make the rules of the Banks easy. Sir, we have one Agricultural University for the State. I would suggest that in our High Schools and M. E. Schools there should be scope for introducing courses on agricultural training in the syllabus. It will provide some elementary knowledge about agriculture to our young boys; and it will help our young boys to get themselves engaged in agriculture if necessary after completion of schooling. With these words I oppose the Cut Motion and support the demand.

শ্ৰীলক্ষ্মীকান্ত শইকীয়া—উপাধ্যক্ষ মহোদয়, কৃষি আৰু ঋণ শিতানৰ দাবী মঞ্জুৰী উত্থাপন কৰি মন্ত্ৰী মহোদয়ে যি দাবী উত্থাপন কৰিছে তাৰ সমৰ্থনত মই কেইটামান পৰামৰ্শ আগবঢ়াইছো। উপাধ্যক্ষ মহোদয়, বাজেট দাবীৰ আলোচনাত বিৰোধী পক্ষৰ কেইগৰাকীমান সদস্যই কৃষি বিভাগ উঠাই দিলেও খেতিয়ক ৰাইজৰ অপকাৰ নহয় বুলি অভিমত প্ৰকাশ কৰিছে। এই অভিমতৰ লগত মই একমত নহওঁ। কিয়নো কোনো এটা বিভাগ উঠাই দিলেই যে ৰাইজৰ দুৰ্গতি নাইকীয়া হব সেইটো নহয়, বৰং বিভাগীয় আসোৱাহ আগবঢ়ালেহে ৰাইজৰ উপকাৰত আহিব আৰু ৰাইজক সহায় কৰা হব। অৱশ্যে মই এইটো কথা নকওঁ যে বিভাগবোৰত কোনো দুৰ্নীতি হোৱা নাই বা ই সময়ে সময়ে ৰাইজৰ অপকাৰ কৰা নাই। কিন্তু এই বিভাগবোৰ সমুদাই উঠাই দিলেই যে সমস্যা সমাধান হব সেই কথাও মই নকওঁ।

উপাধ্যক্ষ মহোদয়, এই শিতানত দুটা বিষয়ত বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে যথেষ্ট আলোচনা কৰিছে। আলোচনা প্ৰসঙ্গত তেখেতসকলে ৰবি শস্য আৰু কৃষিপাম নিগম সম্পৰ্কে এখন বিকৃত ছাবি দাঙি ধৰিছে। ৰবি শস্যৰ আঁচনিৰে আমি যে সকলো উপকৃত হৈছো সেই কথা বিৰোধী পক্ষৰ সদস্যায়ো স্বীকাৰ কৰিব। বানপানী নিয়ন্ত্ৰণ কৰিলেও বাৰিষা কালত প্ৰকৃতিৰ যিটো উপদ্ৰপ তাৰ পৰা হাতসৰা সম্ভৱ নহয়, নিগমৰ দ্বাৰা যে অকল খৰালিকালতহে খেতিয়ক উপকৃত হব এনে নহয় বাৰিষা কালতো এই নিগমে ৰাইজক সহায় কৰিব তাত আশংকা কৰাৰ কোনো থল নাই। আমাৰ চাপৰিত যি সকল লোকে বাস কৰে সেই ঠাইত অলপ বৰষুণ দিলেই বানপানী হয় তেতিয়াও তেওঁলোকে আনন্দেৰে থাকে, কাৰণ তেওঁ লোকে ৰবি শস্য কৰি বাৰিষা লৈ শস্য সংগ্ৰহ কৰি ৰাখে। এইটো অসম বাসীৰ কাৰণে উত্তম পন্থা। অৱশ্যে এইটো কথা ঠিক যে পোনপ্ৰথম বাৰৰ কাৰণে আমাৰ চৰকাৰে এই আঁচনি লোৱা বাবে যিমান আগবাঢ়িব লাগিছিল বা সফলতা লাভ কৰিব লাগিছিল সেই মতে পৰা নাই আৰু এই আঁচনিত কিছু খুট থাকি গ'ল। কিন্তু ইয়াৰ অৰ্থ এই টোৱেই নহয় যে গোটেই আঁচনিখনেই ভুল হৈছে বা ৰাইজক অপকাৰ

কৰিবৰ কাৰণে এই আঁচনিখন কৰা হৈছে। আমাৰ চৰকাৰী বিষয়া আৰু কৰ্মচাৰী সকলৰ লগত সহযোগ কৰিবৰ কাৰণে আমাৰ জনসাধাৰণে আগবাঢ়ি আহিব লাগে। তেতিয়াহ'লে এই আঁচনিৰ দ্বাৰা বছৰি বছৰি বানপানীত ক্ষতিগ্ৰস্ত ৰাইজ আৰু দুৰ্দশাগ্ৰস্ত ৰাইজ উপকৃত হব আৰু এই আঁচনিত সমৰ্থন জনাব।

উপাধ্যক্ষ মহোদয়, কৃষিপাম নিগম সম্পৰ্কে আমাৰ বিৰোধী পক্ষৰ সদস্য সকলে এটা কথাত বিশেষভাবে জোৰ দিছে যে এই আঁচনিত যি সকল খেতিয়কক অন্তৰ্ভুক্ত কৰা হ'ব সেই সকলক বন্দুৱা বুলি আখ্যা দিয়া কথাটোত মই একমত নহওঁ। কিয়নো আমাৰ মাননীয় সদস্য সকলে এটা কথা কৈছে যে আমাৰ খেতিয়ক সকলৰ কাৰণে বৈজ্ঞানিক পদ্ধতিৰে যিবোৰ সা-সজুলি বা সা-সুবিধা আগবঢ়াব লাগিছিল সেইখিনি দিব পৰা নাই। এই কথাত মই একমত নহয়। মই এটা কথা কওঁ যে আজি আমাৰ গোটেই অসমৰ মানুহক সকলো সুবিধা সমানে দিয়াটো সম্ভৱ নহয়। কাৰণ চৰকাৰৰ টকা পইচা খৰচৰো এটা সীমা আছে। সেই কাৰণে বছৰেকীয়া বাজেটত বা পঞ্চম পৰিকল্পনাত ব্যৱস্থা কৰা হয় যাতে কৃষিপাম নিগমৰ যোগেৰে আন নহলেও আমাৰ কৃষক সকলক বৈজ্ঞানিক পদ্ধতিৰে সা-সজুলি আৰু আধুনিক সুবিধা দিয়া হয়। এই বিষয়ে আমাৰ মাননীয় সদস্য সকলে পৰামৰ্শ আগবঢ়াব পাৰে।

উপাধ্যক্ষ মহোদয়, মই এইখিনিতে কৃষিপাম নিগমৰ কথা কবলৈ বিচাৰিছো। যি সকল লোক কৃষিপামলৈ নাহিব তেওঁলোকৰ কি ব্যৱস্থা হব? এই বুলি এটা কথা উঠিছে। অৱশ্যে সেই সকলৰ যে কোনো ব্যৱস্থা নহব সেইটো নহয়। সৰ্বসাধাৰণৰ কাৰণে বাজেটত যথেষ্ট টকা ৰখা হৈছে। আজি মানুহৰ এটা ধাৰণা হৈছে যে অকল কৃষি পামত থকা মানুহৰহে উপকাৰ হব বাহিৰৰ পৰা অহা সকলৰ নহয় এই ভাব-ধাৰা ঠিক নহয়। লগতে মন-কৰিব লাগিব যে আজি অসমত যিমান ভূমিহীন খেতিয়ক আছে সেই সকলক মাটি দিবলৈ হ'লে আমাৰ চৰকাৰৰ গোটেই মাটি দিলেও সেই সমস্যা সমাধান নহব। বিৰোধী দলৰ সদস্য সকলে কৈছে যে, আমেৰিকাত শতকৰা ১১ জন মানুহে খেতি কৰে,

*Speech not corrected

সেইটো হয় আমাৰ ইয়াতো তেনে এটা অৱস্থাৰ সৃষ্টি কৰিব পাৰিম বুলি আমি ভাবিছো। সেইকাৰণে সকলো খেতিয়কক যে মাটি দিব লাগিব সেইটো নহয়। খেতিৰ কাৰণে যাতে কম মাটিৰ দৰ্কাৰ হয় সেই ব্যৱস্থাই কৰা হৈছে ! আমাৰ চৰকাৰে যি সহযোগিতা আগবঢ়াইছে তাত যদি বাইজৰ সহাৰি পোৱা যায় আৰু আমাৰ বিৰোধী দলৰ সহ-যোগিতা পোৱা যায়, তেনেহলে আমাৰ দুখীয়া খেতিয়ক সকলৰ সৰ্বাঙ্গীন উন্নতি হব আৰু মই তাৰ কাৰণে অনুৰোধ কৰো। মহোদয়, কোৱা হৈছে যে আমাৰ চৰকাৰে খেতিয়কৰ কাৰণে একো কৰা নাই। কিন্তু মই কওঁ, চৰকাৰে বৰ্তমানে একো অবিচাৰ কৰা নাই। একো কৰা নাই বুলি ক'লে চৰকাৰ তথা বিষয়া সকলৰ প্ৰতি অবিচাৰ কৰা হব। আমাৰ যিবিলাক টকা খৰচ হয় তাক অসমৰ শতকৰা ২৫ ভাগ লোকেহে ভোগ কৰে, আৰু শতকৰা ৭৫ ভাগৰ কাৰণে ২৫ টকাহে খৰচ হয়। এইটো এইখন চৰকাৰৰ দিনতেই নহয়, আগৰ পৰাই চলি আহিছে। এইবাৰেই তাৰ এটা আমোল পৰিবৰ্তন কৰিবলৈ বিচৰা হৈছে। কেইবাজনো সদস্যই কৈছে যে, জাপান, আমেৰিকাৰহে যদি সপোন দেখো আৰু অসমৰ জল, বায়ু, মাটিৰ উৰ্বৰা শক্তিৰ কথা পাহৰি যাও সেইটো নিশ্চয় অবান্তৰ কথা। আমাৰ অসমত আঁচনি কৰোতে আমাৰ খেতিয়ক বাইজৰ পৰামৰ্শ লৈহে সকলো আঁচনি কৰিব লাগে। খেতিৰ কাৰণে অসমত অকল বতৰৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। আমি মন কৰিব লাগিব যে বতৰ যদি ভাল হয়, সেই সময়ত নোৱোৰাকৈ কিছুমান খেতি হয়। গতিকে খেতিৰ এটা নিৰ্দ্দিষ্ট সময় আছে। আৰু মই এইটোকে কব বিচাৰো যে চৰকাৰে এইটোলৈ চকু দিব যে, সময় মতে বীজ, সাৰ, পানী আদিৰ যোগান দিয়া হয়। তাকে নকৰি বহুতো আঁচনি ললে তাৰ পৰা কোনো লাভ নাই। মই স্বীকাৰ কৰো যে, এইবাৰ বীজ সাৰ পানী আদি সময় মতে দিব নোৱাৰাৰ কাৰণে খেতি ভালকৈ নহল। কিন্তু পিচত যাতে সময় মতে যোগান বিলাক দিয়া হয় তাৰ কাৰণে অনুৰোধ কৰিলো। কিয়নো বতৰ বৈ নাথাকে। আজিৰ খেতিৰ উৎ-পাদন বৃদ্ধিৰ কাৰণে চৰকাৰে যথেষ্ট আঁচনি লৈছে লগতে এইটো ব্যৱস্থাও

কৰিব লাগে যে চৰকাৰৰ হুকুমৰ কাৰণে সাৰ পানী বীজ আদি দিবৰ কাৰণে যাতে বৈ থাকিব নালাগে। এইটো এটা মূল নীতি হোৱা উচিত। তাৰ পিচত এই খেতিৰ সংশ্লিষ্ট যি তিনিটা বিভাগ আছে তাৰ বেমে-জালি যাতে নহয় তাৰ কাৰণে এই তিনিটা বিভাগৰ এটা সমন্বয় ঘটাব লাগে। এই বীজ আদি যোগানৰ কাৰণে ঠায়ে ঠায়ে কিছুমান ফাৰ্ম কৰি দিব পাৰি যাতে খেতিয়ক সকলে গুৱাহাটীলৈ নাহিও নিজৰ ঠাইতেই সাৰ আদি পাব পাৰে।

আজি জলসিঞ্চনৰ কি ব্যৱস্থা হৈ আছে তাৰ এটা বিস্তৃত বিৱৰণী দাঙি ধৰিব বিচৰা নাই কেৱল ২টা কথা দাঙি ধৰিব বিচাৰিছো। কৃষি বিভাগে পঞ্চায়তৰ যোগেদি যিবিলাক টকা দিছিল তাৰ কোনো চিন-চাব নাই, মই এটা উদাহৰণ দিব বিচাৰিছো—বৰনদীত এটা কৃষি আঁচনি লোৱা হৈছিল। তাত ৮।৯ লাখ টকা খৰচ কৰা হ'ল কিন্তু দুৰ্ভাগ্যৰ বিষয় যে কোনো কাম আজিলৈ নহ'ল। নগাওঁ জিলাত বহু টকা খৰচ কৰি যমুনা জলসিঞ্চন আঁচনি লোৱা হৈছিল, প্ৰত্যেক বতৰতে পানীৰ অভাৱত খেতিৰ পথাৰত পৰ্য্যাপ্ত পৰিমাণৰ পানী যোগান ধৰিব পৰা নগ'ল, বাৰিষাহে পানী যোগান ধৰিব পৰা গ'ল কিন্তু সেই যমুনা জল-সিঞ্চন আঁচনি ফলপ্ৰসু নহ'ল।

ৰবি শস্যৰ ক্ষেত্ৰত কওঁ যে মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই কৈছে যে গম ধানৰ খেতি যিহেতু অসমত ভাল নহয় সেই কাৰণে এই খেতি ইয়াত আৰম্ভ কৰাটো ভাল হোৱা নাই।

শ্ৰীসোনেশ্বৰ বৰা—মই ভাল হোৱা নাই বুলি কোৱা নাই, একমাত্ৰ খেতি হিচাবে এই খেতি অসমত কৃতকাৰ্য্য নহয়, পঞ্জাব আৰু বিহাৰত যিদৰে হয়।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া—অসমত গম খেতি নহয় এই কথা সকলোৱে স্বীকাৰ কৰিব পাৰে কিন্তু যিহেতু খৰালি দিনত বহি থকাতকৈ যদি এই খেতি ইয়াত আৰম্ভ কৰিব পাৰি তেতিয়াহলে আজিৰ খাদ্যৰ অভাৱত ই বহু পৰিমাণে বাইজক সহায় কৰিব পাৰিব। এটা কথাত চৰকাৰ কৃতকাৰ্য্য হৈছে বুলি আমি কব পাৰো, সেইটো হ'ল আজি অসমতো যে গমৰ খেতি হৈছে আৰু ভৱিষ্যতেও যে ভাল হব সেইটো আমি কব পাৰো।

শ্ৰীকবীৰ ৰায় প্ৰধানী—মাননীয় সদস্য গৰাকীয়ে জানো গোটেই অসমৰ হিচাবটো জানে ?

শ্ৰীলক্ষ্মীকান্ত শইকীয়া—সমগ্ৰ অসমত সেই আঁচনি লৈছে নে নাই কব নোৱাৰো বা গোটেই অসমতে সেই আঁচনি কৃতকাৰ্য্য হৈছে সেইটোও কব নোৱাৰো কিন্তু মোৰ বিশ্বাস অসমৰ অন্তত কোনো এডৰা মাটি নাই য'ত এই খেতি আৰম্ভ কৰা হোৱা নাই।

উপাধ্যক্ষ মহোদয়, আমাৰ কৃষিৰ ক্ষেত্ৰত যিখিনি আলোচনা হৈ গৈছে এই বিষয়ে মই মাত্ৰ ২ টা মান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। যি কেইটা এই কৃষি বিভাগৰ লগত ওতঃপ্ৰোতঃ ভাৱে জৰিত হৈ আছে, আজি ভূমি সংস্কাৰ যিটো বিভাগ আছে আৰু কৃষি বিভাগ আৰু কৃষি বিভাগ আৰু জলসিঞ্চন বিভাগ আছে এই তিনিটা বিভাগ এটা গোটলৈ আনিব লাগে মন্ত্ৰী মহোদয়ৰ লগত গোটেই কেইটা বিভাগ লগ লগাই দিব লাগে।

শ্ৰীকেহোৰাম হাজৰিকা—নতুন মন্ত্ৰী নে ?

শ্ৰীলক্ষ্মীকান্ত শইকীয়া—সেইটো চৰকাৰে কৰিব যি কৰিব লাগে আৰু সেই পৰামৰ্শলৈ অপেক্ষা কৰা নাই। ইয়াৰ বাহিৰেও যিবিলাক শাখা সিচৰিত হৈ আছে সেইবিলাক একগোট কৰিব লাগে আৰু বতৰৰ বস্তু বতৰতে দিবৰ বাবে ব্যৱস্থা কৰিব লাগে। তাৰ বাহিৰেও যিবিলাক স্কুল কলেজ আছে আৰু কৃষি বিশ্ববিদ্যালয় আছে তাত ল'ৰাক তলৰ পৰাই শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। বিশ্ববিদ্যালয়ে চৰকাৰক সহায় কৰা নাই সেইটো নহয় তাত যি সকলক দায়িত্ব দিয়া হৈছে সেই সকলৰ বহুতে আমেৰিকা লৈ গৈছে কিন্তু বিশ্ববিদ্যালয়ত প্ৰশিক্ষণ দিবৰ কাৰণে আৰু তাত খটুৱাই কাম কৰিবৰ কাৰণে যি ধৰণে এখন পামৰ আৱশ্যক সেইটো কৰা হোৱা নাই। চৰকাৰে এই বিষয়ত চকু দিব লাগে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা—তাত কৃষি পাম নাই বুলি কোনে ক'লে সদস্য জনক ?

শ্ৰীলক্ষ্মীকান্ত শইকীয়া—যি ধৰণৰ থাকিব লাগে সেই ধৰণৰ নাই অৰ্থাৎ বৃহৎ আকাৰত নাই, বেঙেনা পুলি কেইটামানহে আছে। তাত এনে ধৰণৰ পাম থাকিব লাগিব য'ৰ পৰা নেকি ছাত্ৰই নিজে প্ৰশিক্ষন লৈ আত্ম-বিশ্বাস আনিব পাৰে। আমাৰ মীন বিভাগৰ সম্পৰ্কত যথেষ্ট আলোচনা

*Speech not corrected.

হৈছে, মই এটা কথা লৈ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, আমাৰ খাদ্য সমস্যা আজি যি ধৰণে বাঢ়িব লাগিছে সেই ফালৰপৰা এই মীন বিভাগলৈ বিশেষ চকু দিয়াটো উচিত আছিল। আমাৰ মঙ্গলদৈত প্ৰায় ১০০ টা মান ৰজাদিনীয়া পুখুৰী আছে আমাৰ যি মীন নিগম কৰিব বিচৰা হৈছে সেই মতে সেই পুখুৰীবোৰত অহা পঞ্চম পৰিকল্পনাত যথেষ্ট মাছ পুহিব পৰা যায় তাৰ এটা ব্যৱস্থা কৰিব লাগে। এই খিনিকে আশা ৰাখি এই কৃষি আৰু মীন শিতানত বিচৰা মঞ্জুৰিটো সমৰ্থন কৰি সামৰিলো।

Shri Upendra Das (Minister of Agriculture)—Mr. Deputy Speaker, Sir, I have been listening with great attention and interest to the various speeches made here in connection with Cut-Motion, as well as, sometime earlier, while discussing the budget.

I feel particularly inspired by the amount and quality of attention devoted by many Hon'ble Members to a subject which is so vital to our economic existence namely Agriculture. The very fact that so many members have studied the date relating to Agriculture, analysed them and have suggested various measures shows that in this State we have recognised Agriculture as the prime mover of the economy and that because of this interest from high ranking political leaders, the prospect of agriculture in the State and, therefore, rapid development of the State, is extremely bright indeed.

The Government as a whole and I personally are not unaware of shortcomings and deficiencies in our system with regard to implementation of forward looking agricultural programmes. The deficiencies are not only within the administration structure but also in the matter of bringing about a complete change in the attitude of our cultivators on whom alone the progress of agriculture ultimately depends. I can assure this House that we from the Government side will try our utmost to ensure that all efforts are channelised towards bringing about a rapid agricultural development in the State.

*Speech not corrected.

I thank all the Members for their various suggestion and for pointing out the various deficiencies. I can assure them that we will take suitable action against all those responsible for negligence or deliberate acts of ommission and commission instances of which were brought to my notice on the floor of the House. In many of these cases action has already been taken to initiate necessary enquiries, proceedings etc.

Mr Deputy Speaker, Sir, I did not have an opportunity to participate in the general budget debate and clarify several points raised at that time. I shall, therefore, crave your indulgence to present before this august House for clarification to those points also.

Sir, it has been rightly emphasised that Agriculture holds the very key to over all development and thus for development of the State as a whole. Various Hon'ble Members have pointed out that our Agriculture has by and large been stagnant over the past so many years in terms of average yield per unit of land. I do not want to go into detailed statistics which have been cited in somewhat voluminous manner. I would just like to mention an incontrovertibie fact that in any sphere of economic activity investment is most essential for rapid growth. In Agriculutre investment will be in the nature of creation of infra-structure such as irrigation potential and using of improved varieties of seeds, chemical fertilisers and modern cultural practices. If the State's agricultural productivity is stagnant it is because of our dependence on single monsoon fed crop.

Shri Dulal Chandra Barua—माननीय উপাধ্যক্ষ মহোদয়, আমাক আজিৰ কথাথিনিহে লাগে।

Shri Upendra Das—It is because of our dependence on a single monsoon fed crop. This crop as all the members know, and as we are experiencing even to-day, is prone and susceptible to ravages by uncontrollable floods. Despite therefore, efforts on the part of the Government to encourage cultivators to take to improved

practices and application of manure our cultivators are still reluctant to invest in fertilisers because of the uncertainty of the crop. Thus while our total area under and the readiness of the cultivators to take to high yielding varieties of seeds has been showing a phenomenal increase such as adaptation of I. R. 8, Joya, Monohar sali varieties of paddy and this has been commented upon by the Government of India also, the use of fertilizers has not been matched to the use of high yielding varieties. In fact, until recently the general feeling in Assam was drainage and not irrigation, was essential for improvement in Agriculture. This explains our pre-occupation so far in the flood control measure only. Even to-day quite a few educated and knowledgeable persons still talk of drainage and claim that irrigation is not necessary. It is with a view to changing the consciousness of the people towards a more certain winter or rabi crop and this enable full utilisation of modern practices and imputs that this Government launched upon a very big scheme of emergency rabi production during last winter. With this massive impact already created by rabi programme, it is hoped that our cultivators will in the future years to come take more and more to this winter crop where by our production can increase phenomenally without fear of being damaged by flood or drought. For this irrigation is very essential and massive efforts will be undertaken to provide irrigation to more and more areas.

Shrimati Renuka Devi Barkataki—माननीय উপাধ্যক্ষ মহোদয়, তেখেতে পঢ়িব খোজা কথাখিনি সদস্য সকলৰ কাজত চাৰকুলেট্ কৰি দিলেই হ'লহেঁতেন। তেতিয়া আৰু ভাল হব।

Shri Upendra Das—Sir, the year 1972-73 was really a bad year for Assam's Agriculture, the State having been ravaged by two successive floods during the year. The first flood in June damaged almost ready to harvest Ahu crop over a large area, the damage being estimated at 80,000 tonnes of rice. The second flood damaged

to a very great extent the Sali paddy over about 5 lakhs acres soon after transplantation in July. In spite of these adverse factors and the difficulties encountered during the language disturbances of October-November, 1972, I am happy to say here that during 1972-73, starting with Ahu and ending with Boro and other Rabi crops Assam has reached a new, hitherto unscaled heights, a total as well as per acre yield, in foodgrains. Sir, our production of foodgrains during 72-73 was nearly 23.75 lakhs tonnes as against the previous known maximum achieved in 1968-69 of 20,40 lakhs tonnes. ( Interrruptions )

Shri Dulal Chandra Barua—উপাধ্যক্ষ মহোদয়, ১৯৬৮ চনত তেখেত ইয়ালৈ অহাই নাছিল। গতিকে তেখেতে এতিয়াৰ হিচাবটোহে দিব লাগে।

Shri Upendra Das—All these information are covered here.

Shri Badan Chandra Talukder—উপাধ্যক্ষ মহোদয়, কর্তন প্রস্তাৱটো যেতিয়া অসমীয়াতে কোৱা হৈছিল, গতিকে এতিয়া মন্ত্ৰী মহোদয়ৰ উত্তৰটোও অসমীয়াতে হব লাগে।

Mr. Deputy Speaker—There are cut motions in English also.

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—উপাধ্যক্ষ মহোদয়, আমি ১৯৬৮ চনৰ বুৰঞ্জী বিচৰা নাই। আমি যি জানিব বিচাৰো তাকে কওক বাকীখিনি আমাক ঘৰে ঘৰে লিখি পঠিয়াই দিয়ক। সিও ভাল হব। কৰ্ত্তন প্ৰস্তাৱৰ সম্পৰ্কত যিবিলাক কথা ওলাইছে সেইবিলাকৰ সম্পৰ্কত কলেহে ভাল হব

Shri Upendra Das—I will come to that later. Sir, the average yield in Ahu, Sali and wheat has also registered a new heights. These are no mean achievements and while the entire credit for this may be given to the farmers who have worked hard under adverse conditions, a small part of the credit should also go to the officers and staff of the department who have untiringly worked during this period in ushering in new varieties and helped in success of the Rabi Programme.

Sir, in 1970-71 Ahu production was 3.80 ...

Shri Dulal Chandra Barua—What is the basis? On what basis the figure is given?

Shri Upendra Das—I am giving a comparative account of last 5 years (Shri Dulal Chandra Barua: What is the basis?) Whatever be the basis. If anything is wrong it may be pointed out later. Sir, during 1970-71 .. ... .

Shri Giasuddin Ahmed—Sir, may I have a clarification? The hon'ble Minister has given certain figures of production. Will he tell us what is the rate of increase in yield per hectre?

Shri Upendra Das—I will come to that account also. I am giving a list only. Sir, during 1970-71, Ahu production was 3 80 lakhs tonnes. In 1971-72 it fell down to 3.20 lakhs tonnes due to adverse factors but during 1972-73 the production came up as high as 4.10 lakhs tonnes which is 28% higher than the production of 1971-72.

Shri Pitsing Konwar—ইমান যদি ভালেই হৈছে, তেতিয়াহ'লে দাম কমিব লাগিছিল।

Shri Upendra Das—I can assure the hon'ble members that there is no dearth of rice in this State compared to other States of India. This production of Ahu is the highest ever obtained.

Shri Dulal Chandra Barua—On a point of clarification. Are we to understand that the Minister is having certain figures other than the figures supplied by the Statistics?

Shri Upendra Das—That was obtained from them.

Shri Dulal Chandra Barua—The Government of Assam and the Govt. of India's Economics Department have stated the production per hectre and also the total production if all the varieties of crop viz: Tea, Jute, Rice has decreased. In that case which figure we will take?

Shri Upendra Das—Sir, I seek you protection. If I am interrupted again and again how can I give all the figures in this way? Sir,

I seek your protection (Voice from the Opposition: We want the basis.) That will be given later. In Sali the yield was 15.68 lakh tonnes in 1970-71, 15.41 lakh tonnes in 1971-72 and in 1972-73 this was increased to 16.9 lakh tonnes, that is, an increase of 9.6% over 1971-72. In fact, the yield of rice production during 1972-73 has been highest ever both during Ahu and Sali. No doubt there has been some increase of acreage also, but the per hectre yield has also increased substantially during 1972-73. For Ahu average yield was 720 Kg. per hectre in 1970-71, 615 Kg. per hectre in 1971-72 and 770 K. G. per hectre in 1972-73, that is an increase of 25% over 71-72.

Shri Dulal Chandra Barua—Sir, I challenge these figures. The Minister is giving wrong figures to the House at the instance of the Department. The Govt. figures mentioned in the Statistical book do not say so. These are also Govt. figures, but these do not tally with the figures now being given by the Minister.

Shri Upendra Das—I am giving true picture, and If after completion of my speech any hon. Member finds any figure wrong, he may point it out to me.

Similarly, for Sali also, the average yield for these years are 1109, 1088 and 1137 K. G. per hectre respectively. The percentage of increase during 1972-73 over 1971-72 is 4.5%.

Shri Giasuddin Ahmed—Sir. again the Minister is quoting wrong figures. According to the Statistical book the average yield in 1970-71 was 703 K. G. per hectre but the Minister has stated that it was 1109 K. G.

Shri Upendra Das—Let me finish and after that if any question is asked, I will reply.

Shri Giasuddin Ahmed—Sir, I do not say that the Minister is giving wrong figures. I say that his figures do not tally with the figures given in the Government Statistical book.

Shri Upendra Das—These are Govern...

Shri Giasuddin Ahmed—The figures we are quoting are also Government figures given in the book of the Statistics Department. Now the Minister is also giving authoritative figures. Which figures we should accept as correct ?

Shri Dulal Chandra Barua—There may be slight variation but the difference should not be so much. The figures given by the Minister are completely wrong and therefore on this basis there cannot be any planning or upliftment of the rural population. Therefore, without quoting the figures the Minister can simply say that the production increased during the year, but he has got no right to quote wrong figures and mislead the House.

Shri Sarat Chandra Sinha ( Chief Minister )—Sir, the figures have been collected from different sources and therefore there might be slight variation. But we must see that the figures are more or less same. We are to see whether the figures vary materially or marginally, and this will be seen after the hon. Minister finishes his speech.

Shri Upendra Das—Sir, the increase in Ahu is mainly due to introduction of high yielding varieties like IR—8 and Joya to a great extent. The increase in sali is due partly to increase in area under high yielding varieties and largely due to the extensive plant protection measures in the endemic and epidemic pest areas. The area under high yielding varieties during Ahu and Sali in 1972-73 has been 2.50 lakh hectres as compared to 1.80 lakh hectres in 1971-72. During rabi, as is well-known to us, an extensive rabi production drive had been undertaken by the Govt. which has helped in increasing the area and production of various rabi crops, especially wheat. The area under wheat was only 20,000 hectres in 1970-71, 40,000 hectres in 1971-72 but during this year the wheat area has increased to 112 thousand hectres representing an increase of over 6 time of that of 1970 71 ... s wheat is a ... the State we have been using only high yielding

varieties and therefore our average production is better than many other traditional wheat growing States like Bihar. The estimated production during this year is 1.56 lakh tons against 48,000 tonnes last year. Through the help of rabi programme we have also introduced in a larger way both pea and lentil in the State which are not commonly grown in Assam. Efforts were also made to increase the area under boro paddy. During 1970 71 the area under boro paddy was only 26,000 hectres, during 1971 72 it was 31,000 hectres but during 1972-73 it has covered 45,000 hectres: The production is expected to be approximately 70,000 tonnes compared to only 32,000 tonnes of1970-71, i. e., an increase of more than 100% in two year. The total food grain production during 1972-73 including maiza and other minor cereals is thus estimated to 23·75 lakh as against 20·35 lakh tonnes of 1970-71 and 19.97 lakh tonnes of 1971-72, the highest so far in Assam.

Sir, some hon. Members have stated that for rabi crop we have spent Rs. 10 crores but actually we spent Rs. 3.85 crores.

For implementation of the Rabi programme approximately Rs. 190 lakhs has been issued on loan to the farmers in terms of seeds, fertilizers, pesticides, tractorisation and irrigation. Now we have started realisation of the loans but unfortunately the rate of realisation is very poor. I would like to take this opportunity to request the hon. Members of the House to impress upon the growers of their respective constituencies the need for repayment of the same and help the Government to maintain its activity on economic upliftment of the masses. We have also received many application that there is a crop failure.

The Government was fully aware of the fact that the entire Emergency Rabi production programme in the State could not be covered under irrigation and from the very beginning we announced that only about 70,000 acres could be covered under irrigation and the rest will be unirrigated. For irrigated areas

we have given loans and other inputs but not in the non-irrigated areas. We only expeet that Assam climate being favourable for wheat cultivation, we have taken such an extensive programme so that our cultivators may get more money. So, we have covered only 70,000 acres under irrigation.

Mr. Deputy Speaker—আপুনি আৰু কিমান সময় লব ?

Shri Upendra Das ( Minister, Agriculture —সময় লাগিব, চাৰ ।

## CALLING ATTENTION

Mr. Deputy Speaker—It is 4.30.

Next item,

Smti Pranita Talukdar—Sir, I beg to call the attention of the Minister, Forest under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the Dainik Asom, dated 21st May, 1973 under the caption "হাতীদাঁত শিল্প বহিৰাগত চোৰাংচোৱাৰ গৰাহত ।"

Shri Paramananda Gogoi ( Minister, Revenue )—Mr. Deputy Speaker, Sir, the attention of the Government has been drawn to the report published in Dainik Asom dated 21.5.73 regarding "হাতীদাঁত শিল্প বহিৰাগত চোৰাং ব্যৱসায়ীৰ গৰাহত ।"

To meet the requirement of local artisans of Barpeta, as early as in 1948, Government decided that bonafide Assamese Ivory Carvers would be given elephant tusk at a concessional rate of 10% less than the sale price obtained in auction. Government also withdrew in May, 1971 from auction sale elephant tusk in order to meet the requirement of local Ivory Carvers at economic rate through the Industries Department. About 7 [illegible] kgs of elephant tusk has accummulated in the departmental stock but the local Ivory Carvers are not availing of the concession offered by Government. Government are examining if elephant tusk can be made available at an economic rate to the local Ivory Carvers through

Industries Department. Government have no information regarding smuggling of elephant tusk from Assam.

## STATEMENT MADE BY THE CHIEF MINISTER

Shri Sarat Chandra Sinha (Chief Minister)—Mr. Dy. Speaker, Sir, I beg to State that the reply to supplementaries put to Starred Question No. 4 dt 4-6-73, regarding family of martyr Kushal Konwar was not adequate I should like to submit the following :

1. (a) Shrimati Prabhabati Konwarani, widow of late Kushal Konwar was granted a political pension since 1948 when State Pension Scheme started. Initially, the amount of pension was Rs. 40/- P. M. It was later raised to Rs. 60/- P. M. and then to Rs. 150/- P. M. from 23-12-66 which she enjoyed till her death on 19-9-71.

(b) A dwelling house has been constructed by the Government for her at the cost of Rs. 10,000·00. The work was executed by the P. W. D. under the supervision of D. C. Sibsagar.

2. (a) The late Kushal Konwar left two sons. The elder one, Shri Khagendra Nath Konwar, aged about 35/40 years, is married and has six children. He lives at Gondhakoraigaon under Sarupathar mauza of Golaghat Subdivision. He is a cultivator. He did not prosecute studies. Hence, the question of financial aid for his studies does not arise.

(b) The younger one, Shri Nagendra Nath Konwar, aged about 32 years, read upto Matric standard. He was given (political) scholarship of Rs. 40/- P. M. from 1960 to 1964 when gave up study, having got plucked in the Matriculation Examination. He is employed as an Assistant Operator, Cold Storage, under the Assam Seed Corporation, Gauhati since March, 1968.

**3. Central Pension Scheme :**

The name of Shri Khagendra Nath Konwar has been recommended for Central Scheme Pension on 25-8-72. No intimation

of sanction has yeat been received. Another application in the name of Shri Nagendra Nath Knowar could not be considred in view ef his elder brother's name having been recommended, as only one from a family of freedon figher/martyr can be considred as per Central Scheme conditions.

## INTRODUCTION OF GOVT BILLS

Mr. Deputy Speaker—Item No. 3.

Shri Gajen Tanti ( Minister )—Sir, I beg leave of the House to introduce the Assam Cooperative Societies (Amendment) Bill, 1973.

Mr. Deputy Speaker—I think the Hon'ble Minister has leave of the House to introduce the Bill ? ( Voice—Yes )

Shri Gajen Tanti ( Minister )—Mr. Deputy Speaker, Sir, I introduce the Bill.

( The Sacretary, Assembly read out the title of Bill )

Shri Harendra Nath Talukder ( Minister )—Mr. Deputy Speaker Sir, I beg leave of the House to introduce the Assam Secondary Education ( Amendment ) Bill, 1973.

Mr. Deputy Speaker—I think the Hon'ble Minister has leave of the House to introduce the Bill ? ( Voices-Yes )

Shri Harendra Nath Talukdar ( Minister )—Sir, I introduee the Bill.

( The Secratary, Assembly read out the title of the Bill. )

## DISCUSSION UNDER RULE 301

শ্ৰীকন্দৰ্প কুমাৰ দাস—মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১২ জুন তাৰিখে শ্ৰীমতী প্ৰণিতা তালুকদাৰে সোধা তাৰাংকিত প্ৰশ্ন ২ ৰ প্ৰশ্নোত্তৰৰ ওপৰত এটা আলোচনা দাঙি ধৰিব খুজিছো। আমাৰ জনপ্ৰিয় চৰকাৰে দুখীয়া খেতিয়ক সকলৰ মাজত জলসিঞ্চনৰ ব্যৱস্থা লোৱাৰ কাৰণে গোটেই অসমত জলসিঞ্চনৰ আঁচনি প্ৰবৰ্তন কৰিছে। ১৯৭০-৭১ চনৰ পৰা এই জলসিঞ্চনৰ আঁচনি অসমত প্ৰবৰ্তন কৰাৰ কাৰণে চেষ্টা চলাই আহিছে। ১৯৭২ চনত

কিছুমান ঠাইত লিফট্ ইৰিগেচন আদি আঁচনি কৰি জলসিঞ্চনৰ ব্যৱস্থা প্ৰবৰ্তন কৰা হৈছে। কিছুমান ঠাই যুগ যুগ ধৰি পিচ পৰি আছে য'ত জলসিঞ্চন ব্যৱস্থাৰ ভাল সুবিধা আছে। এই বছৰো জলসিঞ্চনৰ আঁচনিৰ পৰা সেই ঠাইবোৰ বাদ পৰি গৈছে। চম্পাবতী, পাগলাদিয়া, পহুমাৰা আদি নদীৰ জলসিঞ্চন আঁচনি কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে পঠাইছে। এই আঁচনি কেইখন কাৰ্য্যকৰী হ'লে আমাৰ ৰাইজ উপকৃত হ'ব। মোৰ সমষ্টিৰ কালদিয়া, পহুমাৰা, টিহু, তুৰকুণী, পোল্লা আদি নদীত এই আঁচনি লোৱা নাই। মোৰ সমষ্টিৰ বাহিৰ অংশত এই জলসিঞ্চনৰ আঁচনি লোৱা হৈছে কিন্তু মোৰ সমষ্টিত সেই আঁচনি নোলোৱাৰ বাবে মই দুখ পাইছো। আজি ২৫ বছৰে মোৰ সমষ্টিত এই আঁচনি লোৱা হোৱা নাই। এই ধৰণৰ যদি আঞ্চলিক বৈষম্য স্বাধীনতাৰ পিছতো চলি থাকে তেন্তে শ্ৰেণীহীন সমাজ ব্যৱস্থা প্ৰবৰ্তন কৰিব নোৱাৰিব। বিষয়া সকলৰ স্বজন প্ৰীতিৰ ফলত এই ধৰণৰ বৈষম্য চলি আছে। এই ধৰণে চলিবলৈ হ'লে জলসিঞ্চন আঁচনিৰ যি উদ্দেশ্য সেই উদ্দেশ্যত উপনীত হ'ব নোৱাৰিব। বিজুলী শক্তি আৰু কৃষি বিভাগ একে লগ কৰিলে জনসিঞ্চন ব্যৱস্থাৰ উন্নতি হ'ব। সকলো অঞ্চলতে যাতে সমভাৱে এই আঁচনি গ্ৰহণ কৰে তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব। গতিকে মই চৰকাৰক অনুৰোধ কৰিছো যাতে মোৰ সমষ্টিত চৰকাৰে এই আঁচনি লয়। বৰপেটাত ৪-৫ টা আঁচনি লৈছে কিন্তু মোৰ সমষ্টিত এটা আঁচনিও লোৱা নাই। এই বিষয়টোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীবিষ্ণু প্ৰসাদ ( ৰাজ্যিক বাননিয়ন্ত্ৰণ মন্ত্ৰী )—উপাধ্যক্ষ মহোদয়, এই কথাও ঠিক যে জলসিঞ্চনৰ ক্ষেত্ৰত অসম বহুত পিছপৰি আছে। প্ৰথম, দ্বিতীয়, তৃতীয় পৰিকল্পনাত জলসিঞ্চনত যি গুৰুত্ব আৰোপ কৰিব লাগিছিল সেই গুৰুত্ব দিয়া হোৱা নাছিল। সেই কাৰণে জলসিঞ্চনৰ ক্ষেত্ৰত আন ৰাজ্যৰ তুলনাত অসম বহুত পিছপৰি আছে। কেৱল ১৯৭০ চনৰ পিছত ব্ৰহ্মপুত্ৰ কনট্ৰোল আৰু ইৰিগেছন যেতিয়া দুটা ভাগ কৰা হ'ল তেতিয়াৰ পৰাহে জলসিঞ্চনত বিশেষ গুৰুত্ব দিয়া হৈছে। জলসিঞ্চনৰ ক্ষেত্ৰত ক্ষুদ্ৰ মজলীয়া

চইল কনজাৰভেচনটো ঠিক কৰিব পৰা নাই কাৰণে ফলৱতী হৈ উঠা নাই ফলত আমাৰ যিবিলাক পিছপৰি থকা অঞ্চল তাত জলসিঞ্চন আঁচনিৰ ফল ভোগ কৰিব পৰা নাই। ৰবি শস্যত বিশেষ গুৰুত্ব আৰোপ কৰা হোৱা নাছিল কাৰণেই জলসিঞ্চনত বেছি গুৰুত্ব আৰোপ কৰা হোৱা নাছিল। এতিয়া ৰবি শস্যৰ ওপৰত অধিক গুৰুত্ব দিয়া কাৰণেই এই আঁচনি যুগুত কৰা হৈছে। ১৯৭০ চনৰ পিছৰ পৰা অসমত বহুতো জলসিঞ্চন আঁচনি হাতত লোৱা হৈছে আৰু সেইবিলাক টেকনিকেল এডভাইজাৰৰ দ্বাৰা অধ্যয়ন কৰাৰ ব্যৱস্থা কৰা হৈছে।

মাননীয় সদস্য গৰাকীৰ প্ৰশ্নটো আছিল পাগলাদিয়া ইনভেচটিগেচন ডিভিজন সম্পৰ্কে আৰু সেই প্ৰশ্নৰ সন্দৰ্ভতে এই আলোচনা আগবঢ়াইছে। এই সন্দৰ্ভতে মই কব খুজিছো যে ইতিমধ্যে আমাৰ ২৩ টা জলসিঞ্চন আঁচনি লোৱা হৈছে আৰু চি দব্লিউ পি চি (C.W.P.C.)-লৈ অনুমোদনৰ কাৰণে পঠিওৱা হৈছে। তাৰে ৪ টা আঁচনি হ'ল মজলীয়া জলসিঞ্চন আঁচনি, ডেকা দং জলসিঞ্চন আঁচনি (২) কালদিয়া জলসিঞ্চন আঁচনি (৩) পাগলাদিয়া জলসিঞ্চন আঁচনি (৪) মৰাপাগলাদিয়া জলসিঞ্চন আঁচনি। আশাকৰা হৈছে অতি সোনকালে এই আঁচনিবিলাকৰ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

উপাধ্যক্ষ মহোদয়, এটা ডিভিজনৰ কাৰণে এই গোটেইবিলাক আঁচনি লোৱাটো সম্ভৱপৰ কথা নহয়।

শ্ৰীকন্দৰ্প কুমাৰ দাস—মাননীয় মন্ত্ৰী গৰাকীয়ে কৈছে যে এটা ডিভিজনৰ কাৰণে ইমানবিলাক আঁচনি লোৱা সম্ভৱপৰ নহয়, এই মহকুমাত (বৰপেটা) যিবিলাক আঁচনি আগতে লোয়া হ'ল সেইবিলাক আঁচনি অফিছাৰ বিলাকে ঘূৰিপকি চাইছে নে ?

শ্ৰীবিষ্ণু প্ৰসাদ (ৰাজ্যিক মন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, আগৰ যিবিলাক স্কিম আছে সেইবিলাক বৈজ্ঞানিক নাছিল। এই কথা ঠিক যে অসম জলসিঞ্চনৰ ক্ষেত্ৰত পিছপৰি আছে। কিন্তু পাঞ্জাবৰ নিচিনা এখন ঠাইত য'ত ১০০ বছৰ আগতে জলসিঞ্চনৰ কাম আৰম্ভ কৰা হৈছিল সেই দেশতো প্ৰত্যেক এৰিয়াত জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা নাই। উপাধ্যক্ষ মহোদয়, জল-সিঞ্চনৰ ক্ষেত্ৰত ইকনোমিক ভাযাবিলিটি আৰু অনুন্নত ঠাইৰ কথা আছে।

এনেকুৱা ঠাইত আঁচনি লোৱা হয়। বৰ্তমান দেশৰ শস্য নাটনিৰ ক্ষেত্ৰত যি ৰবি শস্য আঁচনি লোৱা হৈছে তাত ১০৫ টা জলসিঞ্চন আঁচনি লোৱা কিন্তু এই আঁচনিবিলাক অৰ্থৰ অভাবত কৃতকাৰ্য্য কৰি তুলিব পৰা নাই। ইয়াৰ ১৯ টা আঁচনি কৃতকাৰ্যতাৰে চলি আছে। উপাধ্যক্ষ মহোদয়, আমাৰ এনে কিছুমান ঠাই আছে য'ত হয়তো নদীৰ ব্যৱস্থা নাই। তাত লিফট ইৰিগেচন বা দিপ টিউবৱেলৰ ব্যৱস্থাৰ কাৰণে পৰীক্ষা কৰি চোৱা হৈছে। ইতিমধ্যে এই কামৰ দায়িত্ব জিওলোজিকেল চাৰ্ভেক দিয়া হৈছে। পঞ্চম পৰিকল্পনাত চতুৰ্থ পৰিকল্পনাতকৈ ৫ গুণ বেছি আঁচনি লোৱা হৈছে। প্ৰায় ৪·০৮ হেক্টৰৰও বেছি মাটি হৈ যাব বুলি আশা কৰা হৈছে। মাননীয় সদস্য গৰাকীয়ে যিটো উনুকিয়াই দিছে সেই অঞ্চলৰ উন্নতিৰ কাৰণে চকু দিবলৈ চেষ্টা কৰিম।

শ্ৰীকবীৰ ৰায় প্ৰধানী—মাননীয় সদস্য গৰাকীয়ে যি স্বজনপোষণ নীতিৰ কথা উল্লেখ কৰিলে তাৰ আমি একো জবাব নাপালো।

শ্ৰীবিষ্ণু প্ৰসাদ ( ৰাজ্যিক মন্ত্ৰী )—এই কথা সঁচা নহয়।

শ্ৰীমতী প্ৰণীতা তালুকদাৰ—আমাৰ যিটো প্ৰশ্ন আছিল মন্ত্ৰী মহোদয়ে কৈছে যে ২৩ টা মাইনৰ ইৰিগেচন চেঙ্কচন কৰা হৈছে। মাননীয় সদস্য গৰাকীয়ে প্ৰশ্ন কৰিছিল যে চম্পাবতী আৰু পাগলাদিয়া ইৰিগেচন যিটো ডিভিজন আছে ইয়াৰ পৰা ১৪ টা আঁচনি পঠিয়াইছে, এই ১৪ টা আঁচনি ক্ৰেচ প্ৰগ্ৰেমৰ আঁচনি। এই আঁচনি কেইটা বৰপেটা মহকুমাৰ অতি দৰ্কাৰী আঁচনি। এই আঁচনি কেইটা পাৰচিয়েলিটি কৰি ইফাল সিফাল কৰা হৈছে, এই বিষয়ে ভালদৰে তদন্ত কৰিব নেকি? আৰু ভৱিষ্যতে এনে ধৰণৰ আঁচনি ল'লে যাতে আঞ্চলিক বৈষম্য নাথাকে তাৰ কাৰণে চেষ্টা কৰিবনে?

শ্ৰীবিষ্ণু প্ৰসাদ ( ৰাজ্যিক মন্ত্ৰী )—এই বিষয়ে পৰীক্ষা কৰি চোৱা হ'ব।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—মাননীয় সদস্য দুয়োগৰাকীয়ে কৈছে যে এই চম্পাবতী আৰু পাগলাদিয়াৰ যি ১৪ টা আঁচনি ক্ৰেচ প্ৰগ্ৰেমৰ পৰা এপ্ৰোভেলৰ কাৰণে পঠিওৱা হৈছে আৰু ৰিতেনচনৰ কাৰণে মাষ্টাৰ প্লেন কৰিছে আৰু সৰু সৰু বহুত বান্ধ আছে, এইটো কি হিচাবত লোৱা হৈছে? দ্বিতীয় কথা হৈছে মুখ্যমন্ত্ৰী মহোদয়ে ...

যে কেন্দ্রীয় চৰকাৰে অসমৰ জলসিঞ্চনৰ কাৰণে ১০০ কোটি টকা দিব আৰু ১০ বছৰত ১০ বছৰত ১০ কোটিকৈ এই টকা খৰছ কৰিব। কিন্তু আজি মন্ত্ৰী মহোদয়ে কি হিচাবত ১০৫ টা আঁচনি লোৱাৰ পাচত অৰ্থৰ অভাবত আঁচনি কাৰ্য্যকৰী হোৱা নাই বুলি ক'লে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)— মাননীয় উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে কোৱা বুলি ক'লে ঠিক নহ'ব। আমি জলসিঞ্চনত গুৰুত্ব আৰোপ কৰিম বুলি কৈছো আৰু তাকে নকৰিলে আমাৰ ৰাজ্যৰ থেতিয়কৰ অৱস্থা উন্নত কৰিব নোৱাৰি। প্ৰত্যেক দৰা মাটিয়ে আমি জলসিঞ্চন কৰিব লাগিব। এইটো কৰিব লাগিলে ১০০ কোটি কিয় ৪০০ কোটিও লাগিব পাৰে। কিন্তু কেন্দ্ৰীয় চৰকাৰে দিব বা দিছে বুলি কোৱা নাই।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা—কেন্দ্ৰীয় চৰকাৰে টকা নিদিয়াৰ কথাটো মই মানি লব পৰা নাই। মুখ্যমন্ত্ৰীয়ে এইটো কথা জানে নেকি যে সময় মতে যিখিনি প্ৰয়োজনীয় আঁচনি সেই বিলাক অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত স্পষ্টভাবে দাৱি ধৰিব নোৱাৰাৰ ফলতেই কেন্দ্ৰীয় চৰকাৰে এই টকা নিদিয়ে। এই কথা সত্য হয়নে? যতি সত্য হয় তেনেহলে ইয়াৰ প্ৰতিকাৰৰ কাৰণে অসম চৰকাৰে কি ব্যৱস্থা লৈছে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—এইটো কথা ঠিক নহয়। বিভিন্ন ৰকমৰ আঁচনি বিভিন্ন সময়ত কেন্দ্ৰীয় চৰকাৰলৈ পঠায় থকা হৈছে। এইটো এটা সাধাৰণ অভিযোগ।

শ্ৰীবিষ্ণু প্ৰসাদ—মাননীয় সদস্যাই যিটো জলসিঞ্চন আঁচনিৰ কথা কৈছে সেই আঁচনিটো পাগলা দিয়াৰ ডিটেনচন আঁচনি। এই আঁচনি বিলাক পাগলা-দিয়াৰ ডিটেনচন আঁচনিৰ লগত কোনো সম্পৰ্ক নাই। পাগলা দিয়াৰ লগত সংযোগ কৰি যি জলসিঞ্চন আঁচনি লোৱা হব সেই বিষয়ে আলোচনা কৰি থকা হৈছে। আৰু মাননীয়া সদস্যাই প্ৰশ্ন কৰিছে যে যেতিয়া ৰবি শস্যৰ আঁচনি গ্ৰহণ কৰিছিলো তেতিয়া ১০৫ টা জলসিঞ্চন আঁচনিৰ প্ৰস্তাব কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰে যি টকা ইৰিগেচনৰ কাৰণে দিছিল সেই খিনি কৃষি বিভাগক দিয়া হৈছে। এই বছৰ আমি প্লেনৰ পৰা টকা খৰচ কৰা হব।

শ্ৰীপৰমানন্দ গগৈ—মাননীয় সদস্য সকলে বান পৰিস্থিতিৰ ওপৰত টকা বিবৃত্তি দিব লাগে বুলি কৈছিল। মই দুখেৰে জনাব খুজিছো যে মই আজি বিবৃত্তি

দিব নোৱাৰিম, এই সম্পৰ্কত কালিলৈ মই এটা বিবৃত্তি দিম।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—আমি ৰাস্তা আৰু ৰেলৰ যোগাযোগ বন্ধ হৈছে বুলি শুনিছো। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে টেলিগ্ৰাফ বা টেলিফোনৰ যোগাযোগও বন্ধ হৈ গৈছে নেকি ?

শ্ৰীপৰমানন্দ গগৈ—এইটো খবৰ মই কালিলৈ দিব পাৰিম।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ—বানপানী হোৱা অঞ্চল বিলাকৰ মাজত যোগাযোগ বিচ্ছিন্ন হৈছে নেকি ?

শ্ৰীপৰমানন্দ গগৈ—সেইটো হৈছে।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী মই খবৰ পাইছো যে গোলকগঞ্জৰ গঙ্গাধৰ নৈত থকা দলংখন পানীয়ে ভাঙি লৈ যোৱাৰ অৱস্থা হৈছে। এইটো খবৰ দিব লাগে।

শ্ৰীপৰমানন্দ গগৈ—এতিয়া এইটো খবৰ মোৰ হাতত নাই।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—মই থুলমুলকৈ বানপৰিস্থিতিৰ সম্পৰ্কত মাননীয় সদস্য সকলক জনাও যে ডিব্ৰুগড়, নিমাতিঘাট, যোৰহাট, তেজপুৰত বানপানীৰ লেভেল তললৈ নামিছে। গুৱাহাটীত এতিয়াও পানী বাঢ়িয়েই আছে। তেজুত পানী তললৈ নামিছে। পাচিঘাটত পানী তললৈ নামিছে। কিন্তু নামনিৰ ফালে পানী এতিয়াও বাঢ়িয়েই আছে। সেই কাৰণে ধুবুৰী গোৱালপাৰা অঞ্চলত পানী বাঢ়িয়েই আছে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—মন্ত্ৰী মহোদয়ে বানপানীৰ ৰিপোৰ্ট দিওতে ওৱেদাৰ আৰু ৰেইনৰ ৰিপোৰ্ট দিব নোৱাৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—সেইটো দিয়া হব।

শ্ৰীপৰমানন্দ গগৈ—আমাৰ ইয়াৰ নদীবিলাকত কিমান পানী বাঢ়িব পাৰে সেইটো কথা আমাক অৰুণাচলৰ পৰা জনাই থাকে।

শ্ৰীগিয়াচুদ্দিন আহমেদ—উজনিৰ ফালে যেতিয়া বানপানী কমি যায় তেতিয়া নামনিৰ ফালে হুলস্থুল লাগে। চৰকাৰে সহায় কৰিবৰ কাৰণে চেষ্টা কৰে। এই ক্ষেত্ৰত চৰকাৰে নিউজ ভেন্যুৰ দ্বাৰা মানুহক সচেটন কৰিবলৈ জনাই থাকিব নোৱাৰেনে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—আমি এই সম্পৰ্কত খবৰ ৰাখি আছো। এইটো ঠিক যে প্ৰথমে উজনিৰ ফালে পানী বাঢ়ে। তাৰ পিছত উজনিৰ ফালে কমি

যায় আৰু নামনিৰ ফালে বাঢ়িবলৈ আৰম্ভ কৰে। এতিয়া উজনিৰ পানী নামি গৈছে আৰু গোৱালপাৰাৰ ফালে বেচি হৈছে। মই খবৰ পোৱা মতে গোৱালপাৰাৰ বালিকাচি বান্ধটো ভাঙিছে। আমাৰ মাননীয় সদস্য শ্ৰীচামচুল হক ডাঙৰীয়াই এইটো খবৰ আমাক দিছে। আৰু যেতিয়াই সময় মতে খবৰ দিছে তাতেই সহায় কৰাৰ ব্যৱস্থা কৰিছো।

শ্ৰীগোবিন্দ বৰা—মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে লক্ষীমপুৰত যি ৰেল আৰু ৰাস্তাৰ যোগাযোগ বন্ধ হৈছে, এই যোগাযোগৰ সোনকালে ব্যৱস্থা কৰিবনে ?

শ্ৰীপৰমানন্দ গগৈ—এই ব্যৱস্থা সোনকালে উন্নত কৰিবলৈ চেষ্টা কৰা হব।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—ৰাস্তা আৰু ৰেলৰ যোগাযোগ বিচ্ছিন্ন হোৱাৰ যি কথা কৈছে এই বিষয়ত পি ডাব্লিও ডি আৰু ৰেলওৱে বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে। অতি সোনকালে আমি যোগাযোগৰ ব্যৱস্থা কৰিবলৈ চেষ্টা চলাই আছো।

## Adjournment

Mr. Deputy Speaker—আৰু নালাগে। It is not in the agenda. The House stands adjourned till 10 A. M. tomorrow.

The House then rose at 5-30 P. M. and stood adjourned till 10 A. M. on Wednesday the 20th June 1973.

Dispur
The 19th June, 1973.

**P. D. BARUA**
*Secretary*
Legislative Assembly, Assam